www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আপুনি মহান হোৱাৰ বাবে কাম কৰাৰ প্রয়োজন নাই, আপুনি আপোনাৰ কর্তব্য কৰি যাওক। — ডিগ ডিগলাৰ


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্রথম বছৰ ❑ সংখ্যা- ৩১৬ ❑ বৃহস্পতিবাৰ ❑ ২৪ ছেপ্টেম্বৰ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 316 ❑ Thursday ❑ 24th September, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

মুখ্যমন্ত্রীৰ কার্যালয়ৰ ঘোষণা ঃ ডিজিটেল শাসনৰ নতুন অধ্যায় হিচাপে অভিহিত

'২৭ৰ ১ জানুৱাৰীৰ পৰা ৰাজ্যজুৰি কাগজবিহীন 'ই-অফিচ'

নিউজ ডেস্ক, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ অসম চৰকাৰে ৰাজ্যখনৰ সকলো চৰকাৰী কার্যালয়ক কাগজবিহীন 'ই-অফিচ' ব্যৱস্থালৈ স্থানান্তৰ কৰাৰ লক্ষ্যৰে ২০২৭ চনৰ ১ জানুৱাৰীক সময়সীমা হিচাপে নির্ধাৰণ কৰিছে। এই পদক্ষেপৰ জৰিয়তে ৰাজ্যখনত প্রশাসনিক প্রক্রিয়াসমূহ ডিজিটেল কৰাৰ চলি থকা প্রচেষ্টাক আৰু অধিক সম্প্রসাৰণ কৰা হ'ব। মুখ্যমন্ত্রীৰ কার্যালয়ে (CMO) বুধবাৰে, ২৩ ছেপ্তেম্বৰত এই সময়সীমাৰ কথা ঘোষণা কৰে। CMO-এ ইয়াক অসমৰ ডিজিটেল শাসন ব্যৱস্থাৰ উদ্যোগৰ এক নতুন পর্যায় হিচাপে উল্লেখ কৰে। "Save the Date. ১ জানুৱাৰী, ২০২৭, অসমৰ ডিজিটেল শাসনৰ এক নতুন অধ্যায়, "বুলি CMO-এ X-ত কৰা এক পোষ্টত উল্লেখ কৰে। সেই পোষ্টত ❑ ৬ পৃষ্ঠাত



ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদত ভাৰতক 'বিশ্বাসযোগ্য বন্ধু' আখ্যা

গেলেফু মাইণ্ডফুলনেছ চিটিৰ বাবে ভাৰতৰ সহযোগিতাক প্রশংসা ভূটানৰ প্রধানমন্ত্রীৰ



নিউজ ডেস্ক, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদৰ ৮১ সংখ্যক অধিবেশন (UNGA 81)ৰ সাধাৰণ বিতর্কত অংশগ্রহণ কৰি ভূটানৰ প্রধানমন্ত্রী দশো চেৰিং টবগেয় নিউয়র্কস্থিত ৰাষ্ট্রসংঘৰ মুখ্য কার্যালয়ত ভাষণ প্রদান কৰে। ভাষণত তেওঁ ভাৰতক 'বিশ্বাসযোগ্য বন্ধু' আৰু সমালোচনাত্মক অংশীদাৰ হিচাপে অভিহিত কৰে। ভাৰতীয় সীমান্ত ❑ ৬ পৃষ্ঠাত

অখিল গগৈৰ নেতৃত্বত চচলৰ পৰাই চৰকাৰক বান্ধি দিয়া হ'ল ১ অক্টোবৰৰ সময়সীমা

উজনিৰ বানপীড়িতক ১০ লাখ টকাকৈ সহায়ৰ দাবীত গুৱাহাটীত বিশাল গণ বিক্ষোভ

প্রতিবাদ ক্ষেত্রত চৰাইদেউ, শিৰসাগৰ আৰু যোৰহাটৰ সহস্রাধিক বানাক্রান্তৰ অংশগ্রহণ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ ছেপ্তেম্বৰ ঃ উজনি অসমৰ ভয়াবহ বানত ক্ষতিগ্রস্ত বাইজক উপযুক্ত ক্ষতিপূৰণ আৰু প্রাপ্য সহায়-সাহায্য প্রদানৰ দাবীত বুধবাৰে গুৱাহাটীৰ চচল প্রতিবাদ প্রদর্শন ক্ষেত্রত বাইজৰ দলৰ উদ্যোগত এক বিশাল গণ বিক্ষোভ আৰু শান্তি মিছিল অনুষ্ঠিত হয়। এই কার্যসূচীত চৰাইদেউ, শিবসাগৰ আৰু যোৰহাট জিলাৰ সহস্রাধিক বানাক্রান্ত লোকে অংশ লয়। ১৯ জুলাইত নাগাংলেণ্ডৰ মন জিলাৰ পৰা নামি অহা পানীৰ ঢলে এই তিনিখন জিলাত ব্যাপক ধ্বংস-লীলা চলাইছিল। ❑ ৬ পৃষ্ঠাত


জুবিন গার্গ হত্যা গোচৰত ফাষ্টট্রেক আদালতত ছিংগাপুৰ নিবাসী অভিমন্যু তালুকদাৰৰ সাক্ষ্য

বৃহস্পতিবাৰে পুনৰ সাক্ষ্য; শ্যামকানু আৰু শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাই কৰিলে জেৰা

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ ছেপ্তেম্বৰ ঃ প্রাণৰ শিল্পী জুবিন গার্গৰ হত্যা গোচৰৰ বিচাৰ প্রক্রিয়া ফাষ্টট্রেক আদালততে চলি আছে। এই গোচৰৰ সৈতে সংযুক্ত হৈ বুধবাৰে ফাষ্টট্রেক আদালতত সাক্ষ্য প্রদান কৰে ছিংগাপুৰ নিবাসী অভিমন্যু তালুকদাৰে। তেওঁ ছিংগাপুৰৰ অসম এছচিয়েচনৰ ❑ ৬পৃষ্ঠাত

নতুন দিল্লীত কিৰেণ ৰিজিজুৰ উপস্থিতিত যোগদান

মেঘালয়ৰ আঠগৰাকী ইউডিপি বিধায়কৰ বিজেপিত যোগদান



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ মেঘালয়ৰ ৰাজনীতিত বুধবাৰে এক বৃহৎ পৰিবর্তন দেখা গ'ল। ৰাজ্যখনৰ শাসকীয় মিত্রজোঁটৰ অন্যতম সহযোগী দল ইউনাইটেড ডেম'ক্রেটিক পার্টীৰ আঠগৰাকী বিধায়কে বিজেপিত যোগদান কৰিছে। নতুন দিল্লীস্থিত বিজেপিৰ কেন্দ্রীয় কার্যালয়ত কেন্দ্রীয় মন্ত্রী কিৰেণ ৰিজিজুৰ লগতে দলটোৰ একাংশ জ্যেষ্ঠ নেতাৰ উপস্থিতিত এই যোগদান কার্যসূচী অনুষ্ঠিত হয়। যোগদান কৰা ❑ ৬ পৃষ্ঠাত

প্রথম পর্যায় ১৯ জানুৱাৰী, দ্বিতীয় ২৫ জানুৱাৰী, তৃতীয় ২ ফেব্রুৱাৰীৰ পৰা আৰম্ভ

গুণোৎসৱ ২০২৭ৰ সময়সূচী সলনি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ ছেপ্তেম্বৰ ঃ ৰাজৰ বিদালয়সমূহৰ গুণগত মান নিৰূপণ আৰু শিক্ষাগীৰ শৈক্ষিক অগ্রগতি মূল্যায়নৰ উদ্দেশ্যে অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱ ২০২৭ৰ সময়সূচীত সালসলনি কৰা হৈছে। সমগ্র শিক্ষা, অসমৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া সপ্তম পর্যায়ৰ এই গুণোৎসৱৰ নতুন সময়সূচী ঘোষণা কৰা হৈছে। নতুন নির্দেশনা অনুসৰি, ২০২৭ চনৰ ১৯ জানুৱাৰীৰ পৰা গুণোৎসৱৰ প্রথম পর্যায় আৰম্ভ হ'ব। ইয়াৰ পিছতে দ্বিতীয় পর্যায়ৰ গুণোৎসৱ ২৫ জানুৱাৰীত অনুষ্ঠিত হ'ব আৰু তৃতীয় পর্যায়ৰ গুণোৎসৱ আৰম্ভ হ'ব ২ ফেব্রুৱাৰীত। জিলাভিত্তিকভাৰে তিনিটা পর্যায়ত অনুষ্ঠিত হ'বলগীয়া এই গুণোৎসৱত ৰাজ্যৰ মুঠ ৩৫খন জিলা সামৰি লোৱা হ'ব। উল্লেখ্য, ইয়াৰ ❑ ৬ পৃষ্ঠাত



'প্রকৃতি ধ্বংস নকৰাকৈ উন্নয়ন', 'শিক্ষাৰ পৰা সংস্থাপন', 'আমাৰ সংস্কৃতি আমাৰ পৰিচয়' বিষয়ত আলোচনা

যুৱ-সমাজক আগুৱাই নিয়াৰ লক্ষ্যৰে অসম প্রদেশ কংগ্রেছৰ যুথ কনক্লেভ-২০২৬



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ ছেপ্তেম্বৰ ঃ জলবায়ু পৰিবর্তন, সংস্থাপন, সংস্কৃতি, শিক্ষা, প্রযুক্তি আৰু অসমৰ ভবিষ্যৎ যুৱ সমাজৰ সৈতে জড়িত গুৰুত্বপূর্ণ বিষয়সমূহক কেন্দ্র কৰি ৰাজ্যখনৰ বিভিন্ন প্রান্তৰ যুৱ প্রজন্মক এক উমৈহতীয়া মঞ্চত একত্রিত কৰাৰ উদ্দেশ্যে অসম প্রদেশ কংগ্রেছ কমিটিৰ উদ্যোগত আজি গুৱাহাটীৰ শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র প্রেক্ষাগৃহত ৰাষ্ট্রীয় পর্যায়ৰ বৌদ্ধিক সমাবেহ "Youth Conclave 2026 - যুৱ ❑ ৬ পৃষ্ঠাত

দক্ষতা বিকাশ, নিয়োজন আৰু ক্রীড়া-যুৱ কল্যাণত বিশেষ গুৰুত্ব

দিছপুৰত মন্ত্রী বিশ্বজিৎ দৈমাৰীৰ অধ্যক্ষতাত দুখন গুৰুত্বপূর্ণ সভা



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী,২৩ ছেপ্তেম্বৰ ঃ দক্ষতা, নিয়োজন, উদ্যোগীকৰণ আৰু ক্রীড়া-যুৱ কল্যাণৰ বিভিন্ন দিশক লৈ বুধবাৰে দিছপুৰৰ জনতা ভৱনত মন্ত্রী বিশ্বজিৎ দৈমাৰীৰ অধ্যক্ষতাত দুখনকৈ গুৰুত্বপূর্ণ পর্যালোচনা সভা অনুষ্ঠিত হয়। সভাখনত কেইবাটাও ❑ ২ পৃষ্ঠাত

ৰন্ধন গেছৰ বাবে ১ অক্টোবৰৰ পৰা আধাৰ বায়'মেট্রিক প্রমাণীকৰণ বাধ্যতামূলক



অনলাইন ডেস্ক, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ ৰেহাই মূল্যত ঘৰুৱা বন্ধন গেছৰ চিলিণ্ডাৰ পুনৰ ভৰাব বিচৰা গ্রাহকসকলৰ বাবে অহা ১ অক্টোবৰৰ পৰা আধাৰ বায়'মেট্রিক প্রমাণীকৰণ বাধ্যতামূলক কৰা হৈছে। পেট্রলিয়াম আৰু প্রাকৃতিক গেছমন্ত্রালয়ে বন্ধন গেছৰ ৰাজসাহায্য পৰীক্ষণ প্রক্রিয়াৰ অংশ হিচাপে এই নতুন ব্যৱস্থা ঘোষণা কৰিছে। ইতিমধ্যে আধাৰ বায়'মেট্রিক প্রমাণীকৰণ সম্পূর্ণ কৰা গ্রাহকসকলে ❑ ৬ পৃষ্ঠাত

বিশ্বৰ সর্ববৃহৎ স্বাস্থ্য বীমা আঁচনি 'আয়ুষ্মান ভাৰত'ৰ ৮ বছৰ সম্পূর্ণ

৬০ কোটিৰো অধিক হিতাধিকাৰী উপকৃত



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ দুখীয়া তথা আর্থিকভাৱে পিছপৰা পৰিয়ালক চিকিৎসাৰ ব্যয়ৰ পৰা সকাহ দিবলৈ আৰম্ভ কৰা আয়ুষ্মান ভাৰত প্রধানমন্ত্রীজন আৰোগ্য আঁচনিয়ে ৮ বছৰ সম্পূর্ণ কৰিলে। ২০১৮ চনৰ ছেপ্টেম্বৰ মাহত প্রধানমন্ত্রী নৰেন্দ্র ❑ ২ পৃষ্ঠাত

এছআইআৰ সিদ্ধান্ত তিনিওজন আয়ুক্তৰ সর্বসম্মতিক্রমে লোৱা বুলি স্পষ্টীকৰণ

নির্বাচন আয়োগক দুর্বল কৰাৰ চেষ্টা চলাইছে বিৰোধীয়ে ঃ ড'হিমন্ত বিশ্ব শর্মা



নিউজ ডেস্ক, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ অসমৰ মুখ্যমন্ত্রী ড' হিমন্ত বিশ্ব শর্মাই ২ ছেপ্তেম্বৰত নির্বাচনী তালিকা সংশোধন তথা এছআইআৰ সম্পর্কত নির্বাচন আয়োগৰ তিনিজনীয়া সদস্যৰ মাজত মতানৈক্যৰ বাতৰি সন্দর্ভত মন্তব্য কৰে। ❑ ৬ পৃষ্ঠাত

প্রেক্ষাপটত দেওবাৰে খোলা থাকিব সকলো বেংক; গ্রাহকৰ সুবিধাক সর্বোচ্চপ্রাথমিকতা চৰকাৰৰ

২৮ ছেপ্তেম্বৰৰ পৰা তিনিদিনীয়া ধর্মঘটৰ আহ্বান ইউএফবিইউৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ ইউনাইটেড ফ'ৰাম অৱ বেংক ইউনিয়নে আহ্বান জনোৱা ধর্মঘটৰ প্রেক্ষাপটত গ্রাহকসকলৰ বেংকিং সুবিধা অক্ষুণ্ণ ৰখাৰ লক্ষ্যৰে দেওবাৰে আঞ্চলিক গ্রাম্য বেংককে ধৰি সকলো বেংক খোলা থাকিব বুলি বিত্ত মন্ত্রালয়ে এক বিবৃতিত স্পষ্ট কৰিছে। বিত্ত মন্ত্রালয়ৰ অধীনস্থ বিত্তীয় সেবা বিভাগে উল্লেখ কৰা অনুসৰি, বেংকৰ গ্রাহকসকলৰ কল্যাণ আৰু সুবিধা চৰকাৰৰ সর্বোচ্চপ্রাথমিকতা। বেংকিং ক্ষেত্রত প্রায় ৯০ শতাংশ কর্মচাৰীক প্রতিনিধিত্ব কৰা ইউএফবিইউয়ে ২৮ ছেপ্তেম্বৰৰ পৰা তিনিদিনীয়া ধর্মঘট কার্যসূচী গ্রহণ কৰাৰ সিদ্ধান্ত লৈছে। এই ধর্মঘটৰ মূল দাবী হৈছে পাঁচদিনীয়া বেংকিং ❑ ৬ পৃষ্ঠাত



সহ-প্রভাৰী ফাংনন কোন্যাক আৰু মনোজ তিগ্গা

বিজেপি অসমৰ ৰাজ্যিক প্রভাৰী হিচাপে মংগল পাণ্ডেক নিযুক্তি



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ বিজেপিৰ কেন্দ্রীয় নেতৃত্বই দলীয় সাংগঠনিক গাঁথনি অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে একাধিক ৰাজ্যত নতুন ৰাজ্যিক প্রভাৰী আৰু সহ-প্রভাৰী নিযুক্তি দিছে। এই নিযুক্তি অনুসৰি অসমৰ ৰাজ্যিক প্রভাৰী হিচাপে মংগল পাণ্ডেৰ নাম ঘোষণা কৰা হৈছে। তেওঁৰ লগতে অসমত সহ-প্রভাৰী হিচাপে দায়িত্ব দিয়া হৈছে ফাংনন কোন্যাক আৰু মনোজ তিগ্গাক। উত্তৰ-পূর্বাঞ্চলৰ আন ৰাজ্যসমূহৰ বাবেও নতুন প্রভাৰী আৰু সহ-প্রভাৰী নিযুক্তি ঘোষণা কৰা হৈছে। ❑ ৬ পৃষ্ঠাত

২৮ বছৰীয়া অপেক্ষাৰ অন্ত ! ভাৰতৰ পদকৰ সংখ্যা ১১লৈ বৃদ্ধি

এছিয়ান গেমছত মীৰাবাঈ চানুৰ ৰূপৰ পদক




নিউজ ডেস্ক, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ আইচি-নাগোয়া এছিয়ান গেমছ ২০২৬ত ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে মণিপুৰৰ ভাৰোত্তোলক মীৰাবাঈ চানুৱে। মহিলাৰ ৪৯ কেজি ভাৰোত্তোলন শাখাত তেওঁ ৰূপৰ পদক অর্জন কৰিছে। এয়া তেওঁৰ কেৰিয়াৰৰ প্রথম এছিয়ান গেমছ পদক। এই সফলতাৰ জৰিয়তে ২৮ বছৰীয়া এক অপেক্ষাৰো অন্ত পৰিছে বুলি কোৱা হৈছে। ❑ ৬ পৃষ্ঠাত

বিচিচিআই সচিব দেবজিৎ শইকীয়াৰ ঘোষণা

ডিচেম্বৰত গোৱাত আইপিএলৰ নিলাম





নিউজ ডেস্ক, অসম বার্তা, ২৩ ছেপ্তেম্বৰ ঃ প্রতি বছৰৰ দৰে এইবাৰো আইপিএল নিলামলৈ অনুৱাগীসকলে অধীৰ আগ্রহেৰে অপেক্ষা কৰি আছে। সেই প্রেক্ষাপটতে ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ ৰ'ড (বিচিচিআই)ৰ সচিব দেবজিৎ শইকীয়াই বুধবাৰে আইপিএল নিলাম সম্পর্কে গুৰুত্বপূর্ণ তথ্য প্রকাশ কৰে। ঘোষা কেইবছৰমান ধৰি আইপিএল নিলাম চৌদি আৰব, দুবাই আৰু আবু ধাবীৰ দৰে বিদেশী ঠাইত অনুষ্ঠিত হৈ আহিছিল। কিন্তু এইবাৰ বিচিচিআয়ে নিলাম পুনৰ দেশলে ঘুৰাই আনাৰ সিদ্ধান্ত গ্রহণ কৰিছে। দেবজিৎ শইকীয়াই স্পষ্ট কৰি দিয়ে যে এইবাৰ ডিচেম্বৰ মাহত গোৱাত আইপিএলৰ নিলাম অনুষ্ঠিত হ'ব। অর্থাৎ বিদেশৰ পৰা আঁতৰি এইবাৰ গোৱাৰ সাগৰৰ পাৰত খেলুৰৈসকলক লৈ কোটি কোটি টকাৰ নিলামৰ উত্তেজনা প্রত্যক্ষ কৰিবলৈ পোৱা যাব। নিলামৰ সঠিক তাৰিখো শীঘ্রেই ঘোষণা হোৱাৰ সম্ভাৱনা আছে। ইফালে, ভাৰত 'এ' মহিলা আৰু অষ্ট্রেলিয়া 'এ' মহিলা দলৰ মাজত অনুষ্ঠিত হ'বলগীয়া ❑ ৬ পৃষ্ঠাত

ভিডিঅ' ফুটেজৰ ভিত্তিত অভিযুক্ত চিনাক্ত; আইনগত ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ

চামগুৰিৰ ঘটনাক লৈ জিলা আয়ুক্তৰ মুখ খোলা

অসম বাৰ্তা, নগাঁও, ২২ ছেপ্টেম্বৰ ঃ নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত বৰমা বজাৰত সোমবাৰে কংগ্ৰেছৰ নিৰ্বাচনী সমদলৰ সময়ত সংঘটিত অপ্ৰীতিকৰ ঘটনাক লৈ মুখ খুলিছে নগাঁও জিলা আয়ুক্ত তথা ৯ নং নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া আৱশ্যক শইকীয়াই। এক প্ৰেছ বিজ্ঞপ্তিযোগে জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে যে, ঘটনাটোত জড়িত লোকসকলক বিভিন্ন ভিডিঅ' ফুটেজৰ ভিত্তিত ইতিমধ্যে চিনাক্ত কৰা হৈছে আৰু তেওঁলোকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। জিলা আয়ুক্তগৰাকীৰ মতে, কংগ্ৰেছৰ নিৰ্বাচনী সভাক কেন্দ্ৰ কৰি সভাস্থলীত তিনিগৰাকী পৰিদৰ্শক, ১৩গৰাকী সহকাৰী/উপ-পৰিদৰ্শকসহ মুঠ ১৩৩গৰাকী আৰক্ষী আৰু চিআৰপিএফৰ জোৱান মোতায়েন কৰা হৈছিল। কংগ্ৰেছ নেতৃত্বৰ নেতৃত্বত প্ৰায় এহাজাৰ দলীয় কৰ্মী-সমৰ্থকে চামগুৰি তিনিআলিৰ পৰা বাজিগাঁও তিনিআলি হৈ লেখিমুখলৈ নিৰ্বাচনী সমদল কৰি যোৱাৰ সময়ত ৰাস্তাৰ তিনিআলিত আকস্মিকভাৱে দুটা গোটৰ মাজত খণ্ডযুদ্ধৰ সূত্ৰপাত ঘটে। পৰৱৰ্তী সময়ত পৰিস্থিতি শিল আৰু কণী দলিওৱাৰ পৰ্যায়লৈ অৱনতি ঘটে। এই ঘটনাত সমদলকাৰীৰ কেইবাখনো বাহনত শিল আৰু কণী পৰাত কিছু সময়ৰ বাবে যাতায়াত ব্যাহত হোৱাৰ লগতে অঞ্চলটোত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে পৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ পূৰ্বেই আৰক্ষী আৰু প্ৰশাসনে তৎপৰতাৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। সমদলকাৰীসকলক নিৰাপদে আৰু সময়মতে কৰ্বাইওৱিৰ সভাস্থলীলৈ আগবঢ়াই নিয়া হয়। ঘটনাটোত বাহনত থকা কোনো সমদলকাৰী আহত হোৱা নাই বুলি প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে। ঘটনাৰ সন্দৰ্ভত কংগ্ৰেছ নেতৃত্বই দাখিল কৰা এজাহাৰৰ ভিত্তিত চামগুৰি থানাত ২৯৫/২০২৬ নম্বৰত গোচৰ ৰুজু কৰা হৈছে। ইতিমধ্যে ভিডিঅ' ফুটেজৰ সহায়ত অভিযুক্তসকলক চিনাক্ত কৰি তেওঁলোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলা প্ৰশাসনে সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীক মুক্ত, নিকা আৰু স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰা যিকোনো কাৰ্যৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিয়ে।

কিতাপৰ দোকানী আটক; নগদ গণনা কৰা মেচিনো জব্দ আৰক্ষীৰ

মন্দিয়াত ১.৬৪ লাখ টকাৰ জাল নোট উদ্ধাৰ

অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ ছেপ্টেম্বৰ ঃ জাল নোটৰ বিৰুদ্ধে অভিযান চলাই মন্দিয়াত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ জাল নোট উদ্ধাৰ কৰাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা নিশা বৰপেটা, বাঘবৰ আৰু মন্দিয়া আৰক্ষীৰ এটা যুটীয়া দলে মন্দিয়া বজাৰৰ সমীপৰ এটা বাসগৃহত অভিযান চলাই প্ৰায় ১ লাখ ৬৪ হাজাৰ টকাৰ ৫০০ টকীয়া জাল নোট উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, অভিযানৰ সময়ত জাল নোটৰ সৈতে জড়িত থকাৰ অভিযোগত কলিম উদ্দিন নামৰ এগৰাকী কিতাপৰ দোকানীক আটক কৰা হৈছে। তেওঁৰ জিম্মাৰ পৰা জাল নোটৰ লগতে টকা গণনা কৰা এটা মেচিনো উদ্ধাৰ কৰা হয় বুলি আৰক্ষীয়ে জানিবলৈ দিছে। জানিব পৰা মতে, কলিম উদ্দিনৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি অঞ্চলটোত জাল নোটৰ অবৈধ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ উঠাপিত হৈ আহিছিল। অৱশেষ এই অভিযোগসমূহৰ সত্যতা আৰক্ষীৰ তদন্তৰ পিছতহে স্পষ্ট হ'ব। আৰক্ষীয়ে আটকাধীন লোকজনক বাঘবৰ থানালৈ লৈ গৈ সোধা-পোছা অব্যাহত ৰাখিছে। উদ্ধাৰ হোৱা জাল নোটৰ উৎস, সৰবৰাহৰ পদ্ধতি আৰু ইয়াৰ সৈতে আন কোনো ব্যক্তি বা চক্ৰ জড়িত আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। ইফালে, উদ্ধাৰ হোৱা জাল নোটৰ ঘটনাটোৱে মন্দিয়া অঞ্চলত জাল নোটৰ অবৈধ সৰবৰাহক লৈ নতুনকৈ উদ্বেগৰ সৃষ্টি কৰিছে। আৰক্ষীৰ তদন্ত আগবাঢ়াৰ লগে লগে এই ঘটনাৰ সৈতে জড়িত আন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ আৰ্থিক অনুদান

উজনি অসমৰ বানত ক্ষতিগ্ৰস্তলৈ সহায়ৰ হাত পথৰুঘাট আৰু দেওমৰনৈ মণ্ডল বিজেপিৰ

অসম বাৰ্তা, পাথৰিঘাট, ২৪ ছেপ্টেম্বৰ ঃ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত পথৰুঘাট আৰু দেওমৰনৈ মণ্ডল বিজেপিৰ উদ্যোগত উজনি অসমৰ ভয়াবহ বানপানীত ক্ষতিগ্ৰস্ত ৰাইজক সহায় কৰাৰ উদ্দেশ্যে কিছুদিন আগতে দুয়োটা মণ্ডলৰ অঞ্চলটোৰ হৃদয়বান তথা সুহৃদ ব্যক্তি সকলে স্বতঃস্ফূৰ্তভাৱে কিছু আৰ্থিক অনুদান মণ্ডল কাৰ্যালয়লৈ আগবঢ়াই ছিল। মঙলবাৰে ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ নেতৃত্বত অসমৰ মুখ্যমন্ত্ৰীক চকাৰী আৱাসত সাক্ষাৎ কৰি পথৰুঘাট আৰু দেওমৰনৈ মণ্ডল মণ্ডলৰ পৰা সংগ্ৰহ হোৱা সমগ্ৰ ধনৰাশি চেক যোগে "মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ" বানপীড়িতৰ সাহায্যৰ বাবে প্ৰদান কৰে। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ছিপাঝাৰ সমষ্টিৰ বিধায়কে প্ৰতিটো মুহূৰ্তত যি সবল তথা প্ৰেৰণাদায়ী নেতৃত্ব প্ৰদান কৰিলে, তাৰ বাবে দুয়োটা মণ্ডলে গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীৰ সাক্ষাৎৰ সময়ত পথৰুঘাট আৰু দেওমৰনৈ মণ্ডলৰ বিভিন্ন সমস্যা সমূহৰ বিষয়ে স্মাৰক পত্ৰ প্ৰদান কৰে। অসমৰ ঐতিহাসিক পথৰুঘাট কৃষক শ্বহীদ বাৰুৰি উন্নয়ন, ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্মৃতি সৌধ নিৰ্মাণ, মঙলদৈ-ৰঙিয়া সংযোগী অসম মালা পথৰ নিৰ্মাণ ত্বৰান্বিত কৰা, কুলচি নৈৰ বানপানী আৰু জলাবদ্ধতাৰ পৰা কৃষকক সকাহ দিয়া আদি সমস্যাৰ বিষয়ে পথৰুঘাট মণ্ডল বিজেপিৰ সভাপতি তপন চহৰীয়াই স্মাৰক পত্ৰ প্ৰদান কৰে। দেওমৰনৈ মণ্ডলত নতুনকৈ অন্তৰ্ভুক্ত হোৱা পঞ্চায়ত কেইটাৰ সমস্যা সমূহ সন্নিবিষ্ট স্মাৰক পত্ৰ দিয়াৰ লগতে সৰাবাৰী, দেওমৰনৈ, বুটিনগৰ পঞ্চায়তৰ অন্তৰ্গত কৃষি পথাৰত আবদ্ধ হৈ থকা পানীৰ সমস্যা আলোচনা কৰি স্মাৰক পত্ৰ প্ৰদান কৰে দেওমৰনৈ মণ্ডল বিজেপিৰ সভাপতি ভাস্কৰ দিবাকৰ কলিতাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই দুয়োজন সভাপতিৰ বক্তব্যখিনি আলোচনাত কৰি অঞ্চলটোৰ উন্নয়নৰ বাবে ইতিবাচক সঁহাৰি প্ৰকাশ কৰে। পথৰুঘাট আৰু দেওমৰনৈ মণ্ডলৰ প্ৰতিজন সুহৃদ ব্যক্তি আৰু অহিংসা যোগোৱা দাতা ৰাইজক ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, পথৰুঘাট মণ্ডল বিজেপিৰ সভাপতি তপন চহৰীয়া আৰু দেওমৰনৈ মণ্ডল বিজেপিৰ সভাপতি ভাস্কৰ দিবাকৰ কলিতাই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

NAME CORRECTION

Sworn before Notary Public at Barpeta, dated 09/07/2026, that I, Nur Alam, S/o Late Makram Ali, resident of Kumulipara, P.O.- Joshihatipara, P.S.- Howly, District- Barpeta, Assam, do hereby declare that my father's actual and correct name is Makram Ali. But in the land records (Jamabandhi & Chitha, Patta No. 208, Dag No. 303, Village Srirampur, Mouza Rupshi, Circle Kalgachia, District Barpeta), his name has been wrongly recorded as Majam Ali. Both Makram Ali and Majam Ali are one and the same person, i.e., my father.

Nur Alam

AB-172/2026

NAME CORRECTION

Sworn before Notary Public at Barpeta, dated 09/07/2026, that my actual and correct name is Ajmal Hussain, S/o- Late Abdul Gafur, resident of village Kumullipara, P.O- Joshihatipara, P.S- Howly, Dist- Barpeta, Assam. But in the land record of Jamabandhi & Chitha, Patta No. 208, Dag No. 303, village Srirampur, Mouza Rupshi, Circle Kalgachia, Dist- Barpeta, my name has been wrongly recorded as Ajmal Hoque. Similarly, my brothers' actual and correct names are Baker Ali, Robiol Hoque & Sanidul Islam, but wrongly recorded as Bacher Ali, Rabiyal Hoque/Rafikul Hoque & Sanidul Hoque respectively in the said record. Ajmal Hussain & Ajmal Hoque, Baker Ali & Bacher Ali, Robiol Hoque & Rabiyal Hoque/Rafikul Hoque, Sanidul Islam & Sanidul Hoque are the same and one person(s) respectively.

Ajmal Hussain

AB-173/2026

বানপীড়িতক বিভিন্ন প্ৰকাৰে সহায় কৰা আঠগৰাকী ব্যক্তিক সম্বৰ্ধনা

চৰাইদেউ জিলাৰ লাকুৱাৰ বানাক্ৰান্তৰ মাজত সাহায্য সামগ্ৰী বিতৰণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২২ ছেপ্টেম্বৰ ঃ যোৱা জুলাই মাহত উজনি অসমৰ শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাত হোৱা প্ৰলয়ংকাৰী বানৰ কবলত পৰি সৰ্বস্বান্ত হোৱা ৰাইজৰ কাষত থিয় দিছে সুদূৰ গুজৰাটৰ আহমেদাবাদস্থিত স্বেচ্ছাসেৱী সংগঠন 'চেল্ফ এমপ্লইড উইমেন এছোচিয়েচন' (সেৱা) আৰু বাজাজ জেনেৰেল ইন্সুৰেঞ্চ কোম্পানীৰ চি. এছ. আৰ. উইং 'বাজাজ বিয়ণ্ড'। আজি চৰাইদেউ জিলাৰ লাকুৱাৰ চলাপথাৰ গাঁৱৰ 'অংকুৰ সাংস্কৃতিক কেন্দ্ৰ'ত এই সংগঠন দুটাৰ উদ্যোগত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত এই বান সাহায্য বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই অনুষ্ঠানত বাজাজ জেনেৰেল ইন্সুৰেঞ্চ কোম্পানীৰ এক্সিকিউটিভ ভাইচ প্ৰেচিডেণ্ট দেৱজিৎ ৰায়, মাৰ্কেটিং হেড বিক্ৰমজিৎ ভায়েনা আৰু মহিলা স্বেচ্ছাসেৱী সংগঠন 'সেৱা'ৰ কেইবাগৰাকী কৰ্মকৰ্তা উপস্থিত থাকে। বাজাজ জেনেৰেল ইন্সুৰেঞ্চ কোম্পানীৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰিজিয়নেল হেড প্ৰেমজিৎ সিংহে তাঁৰ ধন্যবাদ অনুষ্ঠানটিত ভাষণ দি কয় অহা দুদিনত উক্ত অঞ্চলৰ দহ হাজাৰ পৰিয়ালৰ মাজত এই বান সাহায্য বিতৰণ কৰা হ'ব। এই সাহায্য সামগ্ৰীৰ প্ৰতিটো কিটত খাদ্য সামগ্ৰী, প্ৰাথমিক চিকিৎসাৰ সামগ্ৰী আৰু শিক্ষাৰ্থীসকলৰ বাবে শিক্ষণ সামগ্ৰী আছে। আনগৰাকী বিষয়া বিক্ৰমজিৎ ভায়েনাই জনসাধাৰণৰ বিপদৰ সময়ত বাজাজ জেনেৰেল ইন্সুৰেঞ্চ কোম্পানীয়ে সহায়ৰ হাত আগবঢ়াবলৈ সদায় প্ৰস্তুত থকা বুলি কয়। এই অনুষ্ঠানতে বানপানীৰ সময়ত বানাক্ৰান্ত ৰাইজক বিভিন্ন ধৰণে সহায় আগবঢ়োৱা মুঠ আঠগৰাকী ব্যক্তিক 'বাজাজ বিয়ণ্ড'ৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচা, একোটাকৈ জাপি আৰু একোখনকৈ প্ৰশংসা পত্ৰৰে বিশেষ সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকৰ ভিতৰত শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত ৰণময় ভৰদ্বাজ, 'দৈনিক জনমভূমি' কাকতৰ চৰাইদেউ প্ৰাক্তন সংবাদদাতা বৰ্ণালী বৰুৱাও আছে। সম্বৰ্ধিত আন ব্যক্তিসকল হৈছে শ্ৰৱণ প্ৰসাদ মাঝি, চোহন চৌধুৰী, কানহায়া চৌধুৰী, অনন্ত মাঝি আৰু মুস্তাক ৰহমান এই অনুষ্ঠানত ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক, 'অসম বাৰ্তা' কাকতৰ তিনিচুকীয়াৰ ষ্টাফ ৰিপ'ৰ্টাৰ তথা ডুমডুমা প্ৰেছ ক্লাবৰ উপসভাপতি অভিজিৎ খাটনিয়াৰকো বানপানীত ক্ষতিগ্ৰস্ত হোৱা শিক্ষাৰ্থীসকলক সহায় কৰাত লোৱা আগভাগৰ বাবে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত বীমা কোম্পানীটোৰ উজনি অসমৰ বিভিন্ন স্থানত থকা বিষয়া আৰু অধিকৰ্তাসকলৰ উপৰিও স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

তিনিচুকীয়াত মালবাহী বাহনেৰে শ্ৰমিকৰ পৰিবহণত নিষেধাজ্ঞা

অসম বাৰ্তা, তিনিচুকীয়া, ২৪ ছেপ্টেম্বৰ ঃ বাজহুৱা সুৰক্ষা আৰু শ্ৰমিকৰ কল্যাণৰ স্বাৰ্থত তিনিচুকীয়াৰ জিলা দণ্ডাধীশ সুমিত সাত্তাৱানে জিলাখনত শ্ৰমিকৰ বিপদজনক পৰিবহণ সন্দৰ্ভত এক নিষেধাজ্ঞা জাৰি কৰিছে। উল্লেখযোগ্য যে, তিনিচুকীয়া জিলাৰ চাহ বাগিচা, কাৰখানা আৰু নিৰ্মাণ কাৰ্যত নিয়োজিত শ্ৰমিকসকলক ট্ৰাক আৰু পিকআপৰ দৰে মালবাহী অথবা সামগ্ৰী কঢ়িওৱা বাহনেৰে পৰিবহণ কৰা কাৰ্য জিলা দণ্ডাধীশৰ দৃষ্টিগোচৰ হৈছে। যি অতি বিপজ্জনক আৰু যানবাহন আইন, ১৯৮৮ ৰ নীতিৰ উলংঘন। এনে অনিৰাপদ পৰিবহণ ব্যৱস্থাই শ্ৰমিকৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনে আৰু ভয়াবহ দুৰ্ঘটনাৰ কাৰণ হ'ব পাৰে। সেয়ে, তিনিচুকীয়া জিলাৰ জিলা দণ্ডাধীশ সুমিত ছাত্তাৱানে কৰ্মৰত সকলো কাৰখানাৰ মালিক, চাহ বাগিচাৰ মালিক, পৰিচালনা সমিতি আৰু নিৰ্মাণ সংস্থাৰ মালিক, ঠিকাদাৰ সকলৰ বাবে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুযায়ী শ্ৰমিক পৰিবহণৰ বাবে পৰ্যাপ্ত আসনৰ সুবিধা থকা বাছ, মিনিবাছ বা ভানৰ দৰে উপযুক্ত যাত্ৰীবাহী বাহনৰ ব্যৱস্থা কৰিব লাগিব, শ্ৰমিকসকলক কঢ়িয়াবলৈ মালবাহী বাহন ব্যৱহাৰ কৰাৰ পৰা কঠোৰভাৱে বিৰত থাকিব লাগিব আৰু যানবাহন আইন, ১৯৮৮ আৰু অন্যান্য প্ৰযোজ্য সুৰক্ষা বিধি-বিধানসমূহ মানি চলাটো নিশ্চিত কৰিব লাগিব। এই আদেশ উলংঘা কৰিলে যান-বাহন আইন, ১৯৮৮ আৰু অন্যান্য প্ৰযোজ্য আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

কৰম পূজাৰ উছাহ-উদ্দীপনাৰ মাজত ২২খন পূজাস্থলীত মন্ত্ৰী অতুল বৰাৰ কৰম সেৱা

অসম বাৰ্তা, নুমলীগড়, ২৪ ছেপ্টেম্বৰ ঃ চাহ জনগোষ্ঠীৰ লোকজীৱন, কৃষি-পৰম্পৰা, বিশ্বাস আৰু সমৃদ্ধ লোকসংস্কৃতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত পৱিত্ৰ কৰম পৰবক কেন্দ্ৰ কৰি গোলাঘাট জিলাৰ বোকাখাত সমষ্টিৰ বিভিন্ন প্ৰান্তত দেখা গ'ল ব্যাপক উছাহ-উদ্দীপনা। মঙ্গলবাৰে অনুষ্ঠিত কৰম পূজাৰ বিভিন্ন অনুষ্ঠানত বোকাখাতৰ বিধায়ক তথা ৰাজ্যৰ কেবিনেট মন্ত্ৰী অতুল বৰা উপস্থিত হৈ কৰম সেৱা আগবঢ়োৱাৰ লগতে চাহ জনগোষ্ঠীৰ লোকসকলৰ সৈতে উৎসৱৰ আনন্দত অংশগ্ৰহণ কৰে। কৰম দেৱতাৰ প্ৰতি ভক্তি আৰু শ্ৰদ্ধা নিবেদন কৰি পালন কৰা এই পৱিত্ৰ উৎসৱ চাহ জনগোষ্ঠীৰ লোক-পৰম্পৰা, প্ৰকৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা, কৃষিজীৱন আৰু সামাজিক ঐক্যৰ এক সুন্দৰ প্ৰতিফলন। কৰম পূজাৰ জৰিয়তে পৰিয়াল তথা সমাজৰ সুখ-শান্তি, সুস্বাস্থ্য, সমৃদ্ধি আৰু মংগল কামনা কৰা হয়। বোকাখাত গড়মূৰ, বৰচাপৰি, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বৰচাপৰি প্ৰাথমিক গোটৰ পৃষ্ঠপোষকতাত, বাদুলীপাৰ চাহ বাগিচাৰ খেলপথাৰ আৰু গবিয়াজান নতুন লাইনকে ধৰি মন্ত্ৰী অতুল বৰাই সমষ্টিটোৰ প্ৰায় ২২খনতো অধিক কৰম পূজা আৰু উৎসৱস্থলীত উপস্থিত হৈ কৰমতী তথা চাহ জনগোষ্ঠীৰ লোকসকলৰ সৈতে মত-বিনিময় কৰে। বিভিন্ন পূজাস্থলীত উপস্থিত হৈ তেওঁ কৰম দেৱতাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে উৎসৱত অংশগ্ৰহণ কৰা ৰাইজক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। সমষ্টিটোৰ বিভিন্ন স্থানত উলহ-মালহেৰে কৰম পূজা অনুষ্ঠিত হয়। সন্ধিয়াৰ পৰা নিশালৈকে পূজাস্থলীসমূহত পৰম্পৰাগত গীত-মাত, ঢোল-



মাদলৰ শব্দ আৰু ঝুমুই নৃত্যৰে সৃষ্টি হয় এক মনোমোহা পৰিবেশ। কৰম পূজাৰ অন্যতম আকৰ্ষণ ঝুমুইনৃত্যতো মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। কৰমতীসকলৰ সৈতে মাদলৰ তালে তালে ঝুমুই নৃত্যত ভাগ লৈ তেওঁ উৎসৱৰ আনন্দত একাত্ম হোৱা পৰিলক্ষিত হয়। মন্ত্ৰীগৰাকীৰ এই অংশগ্ৰহণে পূজাস্থলীসমূহত উপস্থিত চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত বিশেষ উৎসাহ উদ্দীপনাৰ সৃষ্টি কৰে। পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰা মহিলা আৰু যুৱতীসকলে গীত-নৃত্যৰে কৰম উৎসৱক অধিক বৰ্ণিল কৰি তোলে। ঢোল, মাদল, বাঁহী আৰু পৰম্পৰাগত কৰম গীতৰ সুৰত ঝুমুই নৃত্যৰে মুখৰিত হৈ পৰে উৎসৱস্থলী। নিশালৈকে চলা এই অনুষ্ঠানসমূহত পুৰুষ-মহিলা, যুৱক-যুৱতীকে ধৰি সকলো বয়সৰ লোকেই স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। কৰম পূজা কেৱল ধৰ্মীয় আচাৰ-অনুষ্ঠানতে সীমাবদ্ধ নহয়; ই চাহ জনগোষ্ঠীৰ চহকী লোকসংস্কৃতি, পৰম্পৰা আৰু সামাজিক জীৱনৰ সৈতে গভীৰভাৱে সংপৃক্ত এক ঐতিহ্যবাহী উৎসৱ। কৃষিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এই উৎসৱে প্ৰকৃতি, কৃষি আৰু মানৱ সমাজৰ মাজৰ নিবিড় সম্পৰ্কৰ কথাও প্ৰতিফলিত কৰে। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ চলি অহা গীত, নৃত্য আৰু লোকাচাৰৰ জৰিয়তে কৰম পৰবে চাহ জনগোষ্ঠীৰ সাংস্কৃতিক পৰিচয় সংৰক্ষণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিভিন্ন কৰম পূজা অনুষ্ঠানত মন্ত্ৰী অতুল বৰাৰ উপস্থিতিয়ে উৎসৱস্থলীসমূহত সৃষ্টি কৰে এক বিশেষ উছাহৰ পৰিৱেশ। ৰাইজৰ সৈতে মত-বিনিময় কৰাৰ লগতে তেওঁ কৰম পৰবৰ জৰিয়তে সমাজত ঐক্য, ভাতৃত্ববোধ আৰু সম্প্ৰীতি অধিক সুদৃঢ় হোৱাৰ কামনা কৰে। মন্ত্ৰীগৰাকীয়ে কৰম দেৱতাৰ আশীৰ্বাদে প্ৰতিটো পৰিয়াললৈ সুখ, শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধি কঢ়িয়াই আনক আৰু সমাজ তথা ৰাজ্যখনক অধিক শক্তিশালী আৰু সমৃদ্ধিশালী কৰি তোলক বুলি প্ৰাৰ্থনা জনায়। এই দৰে বোকাখাতৰ বিভিন্ন প্ৰান্তত নিশালৈকে চলা কৰম পূজাৰ অনুষ্ঠানত ঝুমুই নৃত্য, পৰম্পৰাগত গীত-মাত আৰু লোকাচাৰৰ সমাহাৰে চাহ জনগোষ্ঠীৰ ঐতিহ্য, সংস্কৃতি আৰু আনন্দৰ এক অপূৰ্ব সমন্বয় ভূমিলৈ পৰিবেশিত কৰা পৰিলক্ষিত হয়।

মাকুম অঞ্চলৰ দুটাকৈ স্থানত বিশালভাৱে আয়োজন কৰা পৱিত্ৰ কৰম পূজা সফলতাৰে সম্পন্ন

অসম বাৰ্তা, মাকুম, ২৪ ছেপ্টেম্বৰ ঃ আজি চাহ জনগোষ্ঠী বা আদিবাসী লোক সকলৰ ভাদমাহৰ শুক্লা একাদশী তিথিত পালন কৰিবলগীয়া উৰ্বৰতা, সমৃদ্ধি আৰু সমন্বয়ৰ প্ৰতীক কৃষিভিত্তিক উৎসৱ কৰম পৰব বা কৰম পূজা। কৰম পৰব বা কৰম পূজা ভাগি আজিৰ দিনটোত চাহ জনগোষ্ঠী বা আদিবাসী লোক সকলে অতীজৰে পৰা পালন কৰি আহিছে। বাজাৰ বিভিন্ন প্ৰান্তৰ লগতে মাকুমৰ শুকানপুখুৰী চাহ বাগিছা কৰম উদযাপন সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত শুকানপুখুৰী এন, এল, আৰ, গ্ৰাণ্ট প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত বিশাল আয়োজনেৰে অনুষ্ঠিত কৰম মহোৎসৱ দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বিংশতিতম বাৰ্ষিক পৱিত্ৰ কৰম পূজা ও সম্মিলনখনি অনুষ্ঠিত কৰা হয়। পৱিত্ৰ কৰম পৰবৰ উপলক্ষে পুৱাই মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি পতাকা উত্তোলন-স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন, বৃক্ষ ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰি কুইজ, কবিতা আবৃত্তি, চিত্ৰাংকন, আকস্মিক বক্তৃতা, একক গীত প্ৰতিযোগিতা যেনে বিহু, ঝুমইৰ, ডমকাইচ, শালী আৰু টুচু গীত আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে কৰম উদযাপন সমিতিৰ সভাপতি হেমন্ত মাহাতৃ (কুৰ্মী)য়ে। স্মৃতি তৰ্পণ কৰে উদযাপন সমিতিৰ সম্পাদক নিপেন কুৰ্মীয়ে। বৃক্ষ ৰোপণ কৰে শুকানপুখুৰী চাহ বাগিছাৰ প্ৰধান পৰিচালক যুগল কিশোৰ আবহৰাৰই। তাৰ পাছতে সন্ধ্যা ভাগলৈ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগী সকলক পুৰস্কাৰ কৰা হয়। তাৰ পাছতেই নিশাৰ মুখা আকৰ্ষণ কৰম বেদীত ডাল স্থাপন কৰি পৱিত্ৰ কৰম পূজা ভাগি সম্পন্ন কৰি নিশা "কৰম আখড়া" উদ্বোধন কৰে আচাৰ্য তিনিচুকীয়া জিলা সমিতিৰ প্ৰাক্তন সভাপতি আৰু শুকানপুখুৰী চাহ শ্ৰমিক সকলৰ বৰ্মন পুৱৰে সাধেল্ল গোৱালাৰ লগতে কেইবাগৰাকী শিল্পীয়ে তেখেতক সহযোগিতা আগবঢ়াই। কৰম আখড়া অনুষ্ঠানত আমন্ত্ৰিত কণ্ঠশিল্পী সকলে মাদলৰ তালে তালে ঝুমুৰ গীত পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। দ্বিতীয় দিনা মুকলি সভা অনুষ্ঠিত কৰি নিশা আমন্ত্ৰিত কণ্ঠশিল্পীৰ দ্বাৰা গীত পৰিবেশন কৰা হয়। চাহ জনগোষ্ঠী বা আদিবাসী সকলৰ কৰম পূজাকলৈ চাহ শ্ৰমিক সকলৰ মজুৰি সহ চকৰী বন্ধ হিচাপে চকৰীৰ ঘোষণা কৰাকলৈ অসম চৰকাৰলৈ সংবাদ মাধ্যমৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰে মুখ্য অতিথি হিচাপে উপস্থিত থকা আচাৰ্য তিনিচুকীয়া জিলা শিক্ষা সম্পাদক কাৰ্ত্তিক তাঁতীয়ে। ইপিনে মাকুম লোহাৰী আঞ্চলিক নৱসৃষ্টি যুৱ সংঘৰ উদ্যোগত আৰু সমূহ লোহাৰীবাসী ৰাইজৰ সহযোগত লোহাৰী আঞ্চলিক কৰমথলীটো এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ২৭ সংখ্যক পৱিত্ৰ কৰম পূজা ও সম্মিলন খনি অতি উলহ মালহেৰে অনুষ্ঠিত কৰে। পৱিত্ৰ কৰম পৰবৰ উপলক্ষে পুৱাই মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি পতাকা উত্তোলন-স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰি কুইজ, একক গীত প্ৰতিযোগিতা যেনে বিহু, ঝুমইৰ, ডমকাইচ, শালী আৰু টুচু গীত আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি নৱ সৃষ্টি সংঘৰ পতাকা উত্তোলন কৰে লোহাৰী আঞ্চলিক নৱসৃষ্টি যুৱ সংঘৰ সভাপতি শৰৎ কুৰ্মিয়ে, কৰম উদযাপন সমিতিৰ পতাকা উত্তোলন কৰে কৰম উদযাপন সমিতিৰ সভাপতি ভুগেন কুৰ্মিয়ে, স্মৃতি তৰ্পণ কৰে কৰম উদযাপন সমিতিৰ সাধাৰণ সম্পাদক দেৱ কৈৰীয়ে। ইয়াৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ একাজলী শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বৃক্ষ ৰোপণ কৰে ৰংপুৰীয়া গাঁও পঞ্চায়তৰ ৪নং ৱাৰ্ড সদস্য মংগল দাস ভকতই। সন্ধ্যা ভাগলৈ কৰম বেদীত ডাল স্থাপন কৰি পৱিত্ৰ কৰম পূজা ভাগি সম্পন্ন কৰি উৰে নিশা "কৰম আখড়া" মূল কাৰ্যভাগি সফলভাৱে অনুষ্ঠিত কৰা হয়।

দিছপুৰত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ

বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে ভৱিষ্যতৰ কৰণীয় সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। বিশেষকৈ দক্ষতা, নিয়োজন আৰু উদ্যোগী বিভাগৰ অধীনস্থ নিয়োজন আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ৰ নিয়োজন শাখাৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। যুৱক-যুৱতীসকলৰ সৱলীকৰণৰ বাবে এক সংহত পৰিকাঠামো গঢ়ি তোলাৰ লক্ষ্যৰে ক্ৰীড়া, যুৱ কল্যাণ বিভাগ, ডিইচিটি (নিয়োজন), অসম যুৱ আয়োগ, এনচিচি আৰু ভাৰত স্কাউটছ এণ্ড গাইডৰ বিষয়াসকলৰ সৈতে আলোচনা অনুষ্ঠিত কৰা হয়। সভাত যুৱক-যুৱতীসকলৰ ব্যৱহাৰিক দক্ষতাৰে সুসজ্জিত হোৱাটো নিশ্চিত কৰা, মাইলৰ খুঁটিৰ সৈতে লক্ষ্য নিৰ্ধাৰণ কৰা, চাকৰিমুখী হুস্বম্যাদী পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ আন্তঃবিভাগীয় সহযোগিতা অব্যাহত ৰখা, প্ৰত্যক্ষভাৱে নিশ্চিত নিয়োজনৰ পিছত প্ৰশিক্ষণ ব্যৱস্থা গ্ৰহণ কৰা আদি বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। দ্বিতীয়খন সভাত দক্ষতা, নিয়োজন আৰু উদ্যোগীকৰণ বিভাগৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰা হয়। ইয়াত ডিইচিটিৰ সৈতে বিভিন্ন সংস্থাৰ চলি থকা চুক্তিৰ নতুন পন্থা আৰু অংশীদাৰিত্ব গ্ৰহণৰ সম্ভাৱনা সন্দৰ্ভত মত বিনিময় কৰা হয়। নতুন বহিঃসাহায্যযুক্ত প্ৰকল্প (ইএপি)ৰ প্ৰস্তাৱকে ধৰি নতুন পদক্ষেপসমূহো সভাত পৰ্যালোচনা কৰা হয়। বিশেষকৈ গুৱাহাটীত গ্ল'বেল স্কিল চেণ্টাৰ আৰু শিলচৰ, বঙাইগাঁও তথা ডিব্ৰুগড়ত চেটেলাইট গ্ল'বেল স্কিল চেণ্টাৰ স্থাপনৰ বিষয়ে আলোচনা কৰা হয়। ইয়াৰ লগতে অসমৰ প্ৰায় ৩০০খন বিদ্যালয়ত হাব-এণ্ড-স্পক মডেলৰ জৰিয়তে ভৱিষ্যতৰ দক্ষতাৰ প্ৰবৰ্তন, আইটিআইসমূহৰ শক্তিশালী কৰা, প্ৰশিক্ষণ, মূল্যায়ন আৰু প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা, তথা অধ্যাপক-প্ৰশিক্ষকসকলৰ সামৰ্থ্য বিকাশৰ বিষয়েও সভাত আলোচনা কৰা হয়।

বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য বীমা আঁচনি 'আয়ুষ্মান

মোদীয়ে এই আঁচনি শুভাৰম্ভ কৰিছিল। তেতিয়াৰ পৰা দেশজুৰি এই আঁচনিখন সুকলমে চলি আহিছে আৰু কোটি কোটি দুখীয়া পৰিয়ালে ইয়াৰ জৰিয়তে চিকিৎসাৰ ক্ষেত্ৰত আৰ্থিক সকাহ লাভ কৰিছে। এই আঁচনিৰ অধীনত হিতাধিকাৰীক প্ৰতি বছৰে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা আৰু নগদবিহীন তথা কেছলেচ সুবিধা প্ৰদান কৰা হয়। বৰ্তমানলৈকে দেশৰ ৬০ কোটিৰো অধিক লোকে এই আঁচনিৰ সুবিধা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জানিবলৈ দিছে। তেওঁ এক্স যোগে কয়, "৮ বছৰৰ পূৰ্বে আয়ুষ্মান ভাৰতৰ জৰিয়তে এই লক্ষ্য ৰখা হৈছিল যে প্ৰতিজন ভাৰতীয়ই উচ্চমানৰ আৰু সুলভ মূল্যৰ স্বাস্থ্যসেৱা লাভ কৰিব। আজি ৬০ কোটিৰো অধিক হিতাধিকাৰীয়ে এই সুবিধা লাভ কৰিছে। প্ৰতি বছৰে ৫ লাখ টকাৰ স্বাস্থ্য বীমা বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ স্বাস্থ্যসেৱা আঁচনি।" আয়ুষ্মান ভাৰতৰ ৮ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তেওঁ এক্স যোগে কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰম্ভ হোৱা আয়ুষ্মান ভাৰত আঁচনিয়ে ৮ বছৰ অতিক্ৰম কৰিলে। এই আঁচনিয়ে দুখীয়া লোকৰ মুখত হাঁহি বিৰিঙাইছে আৰু দেশৰ নাগৰিকে উন্নতমানৰ চিকিৎসা সেৱা লাভ কৰিছে।" ইয়াৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও এক্স যোগে কয়, "দেশৰ নাগৰিকক উন্নতমানৰ স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত আয়ুষ্মান ভাৰত আঁচনিয়ে অনন্য মাত্ৰা সংযোজন কৰিছে। দুখীয়া ৰাইজে চিকিৎসা ব্যয়ৰ ক্ষেত্ৰত উপযুক্ত সুবিধা আৰু গুণগত চিকিৎসা লাভ কৰিছে।" উল্লেখ্য, ২০১৭ চনত গ্ল'বেল বৰ্ডেন অৱ ডিজিজ ষ্টাডিৰ তথ্যত প্ৰকাশ পাইছিল যে ভাৰতৰ প্ৰতিখন ৰাজ্যতে লাখ লাখ লোক আৰ্থিক সমস্যাৰ বাবে চিকিৎসাৰ পৰা বঞ্চিত হৈ আছে। সেই তথ্যই চৰকাৰক স্বাস্থ্য নীতিৰ পুনৰীক্ষণ আৰু দুখীয়া ৰাইজৰ বাবে সুলভ স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ দিশত গুৰুত্ব দিবলৈ প্ৰেৰিত কৰিছিল। তাৰে অংশস্বৰূপে আৰম্ভ হোৱা আয়ুষ্মান ভাৰত আঁচনিয়ে আজি দেশজুৰি বৃহৎ সফলতা লাভ কৰিছে। আঁচনিখনৰ মূল উদ্দেশ্য হৈছে চৰকাৰী আৰু ব্যক্তিগত-উভয় খণ্ডৰ চিকিৎসালয়ত চিকিৎসাৰ বাবে প্ৰতি বছৰে ১০ কোটি পৰিয়াল বা ৫০ কোটি লোকক স্বাস্থ্য বীমাৰ সুবিধা প্ৰদান কৰা। ২০২৪-২৫ চনৰ সময়ছোৱাত এই আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি দেশৰ সকলো আশা (ASHA) আৰু অংগনবাড়ী কৰ্মীক ইয়াৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ উপৰি ৭০ বছৰ বা তাতকৈ অধিক বয়সীয়াল জ্যেষ্ঠ নাগৰিককো পাঁচ লাখ টকীয়া বিনামূলীয়া স্বাস্থ্য বীমাৰ সুবিধা প্ৰদান কৰা হৈছে। অসমত আয়ুষ্মান ভাৰত আঁচনিখনক ৰাজ্য চৰকাৰৰ 'মুখ্যমন্ত্ৰীজন আৰোগ্য যোজনা' (MM-JAY)ৰ সৈতে সংযুক্ত কৰি 'আয়ুষ্মান অসম' নামেৰে কাৰ্ড প্ৰদান কৰা হৈছে। ইয়াৰ জৰিয়তে লাখ লাখ পৰিয়ালে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিব। ইয়াৰ লগতে আয়ুষ্মান আৰোগ্য মন্দিৰ (AAM)ৰ জৰিয়তে পূৰ্বৰ হেল্‌থ এণ্ড ৱেলনেচ চেণ্টাৰসমূহক উন্নত কৰি গাঁৱে-ভূঞে বিনামূলীয়া ঔষধ, প্ৰাথমিক পৰীক্ষা-নিৰীক্ষা, মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা তথা ডায়েবেটিচ, উচ্চৰক্তচাপ আদি ৰোগৰ পৰীক্ষণৰ সুবিধা আগবঢ়োৱা হৈছে। আনহাতে, আয়ুষ্মান ভাৰত ডিজিটেল মিছন (ABDM)ৰ জৰিয়তে দেশৰ স্বাস্থ্য ব্যৱস্থাক ডিজিটেল কৰি তোলাৰ কাম চলি আছে। ইয়াৰ অধীনত প্ৰতিগৰাকী নাগৰিকক ABHA (Ayushman Bharat Health Account) কাৰ্ড বা ইউনিক হেল্‌থ আইডি প্ৰদান কৰা হয়। এই আইডিৰ জৰিয়তে নাগৰিকৰ মেডিকেল ৰিপ'ৰ্ট, প্ৰেচক্ৰিপচন আদি ডিজিটেলভাৱে সুৰক্ষিত হৈ থাকে।

লোকবিশ্বাস, সংস্কৃতি আৰু সমাজজীৱনৰ বিভিন্ন দিশ তথ্যচিত্ৰৰ জৰিয়তে তুলি ধৰাৰ প্ৰয়াস

দুধনৈত 'কিয় ?' আৰু 'গৰু' তথ্যচিত্ৰৰ শুভমুক্তি

অসম বাৰ্তা, বকো, ২২ ছেপ্টেম্বৰ ঃ সঞ্জীৱ নাথ প্ৰডাকচনৰ বেনাৰত নিৰ্মাণ কৰা 'কিয় ?' আৰু 'গৰু' নামৰ দুখন তথ্যচিত্ৰৰ আজি গোৱালপাৰা জিলাৰ দুধনৈত শুভমুক্তি দিয়া হয়। দুধনৈৰ অম্বিকা চিনে প্লেচ নামৰ বোলছবি প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তথ্যচিত্ৰ দুখনৰ শুভ উন্মোচন কৰা হয়। বিশিষ্ট তথ্যচিত্ৰ নিৰ্মাতা তথা পৰিচালক সঞ্জীৱ নাথে নিৰ্মাণ কৰি উলিওৱা এই তথ্যচিত্ৰ দুখনে সমাজ, সংস্কৃতি, লোকবিশ্বাস আৰু পৰম্পৰাৰ বিভিন্ন দিশ দৰ্শকৰ সন্মুখলৈ তুলি ধৰাৰ প্ৰয়াস কৰিছে। অনুষ্ঠানৰ আৰম্ভণিতে নটৰাজৰ শ্ৰীচৰণত বন্তি প্ৰজ্বলন কৰে সংস্কৃতিৰ সাধক তথা অনাতাঁৰ শিল্পী ধৰণী পামে। ইয়াৰ পিছতে ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট শিক্ষাবিদ তৰুণ চন্দ্ৰ চাংমাইয়ে। ইয়াৰ পিছতেই আনুষ্ঠানিকভাৱে তথ্যচিত্ৰ দুখনৰ শুভ উন্মোচন কৰা হয়। 'কিয় ?' তথ্যচিত্ৰখন উন্মোচন কৰে পদ্মশ্ৰী ড° যোগেশ দেউৰীয়ে, আনহাতে 'গৰু' তথ্যচিত্ৰখন উন্মোচন কৰে সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সভাপতি দীপক কুমাৰ পামে। 'কিয় ? ' তথ্যচিত্ৰখন উন্মোচন কৰি পদ্মশ্ৰী ড° যোগেশ দেউৰীয়ে সঞ্জীৱ নাথ প্ৰডাকচনৰ প্ৰযোজক তথা পৰিচালক সঞ্জীৱ নাথৰ এই প্ৰচেষ্টাক এক সুন্দৰ আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অভিহিত কৰে। পূৰ্বেও 'যোগী' নামৰ তথ্যচিত্ৰখনৰ জৰিয়তে প্ৰযোজক-পৰিচালক সঞ্জীৱ নাথে দেশ-বিদেশৰ পৰা বিভিন্ন সন্মান লাভ কৰিবলৈ সক্ষম হোৱা বুলি তেওঁ উল্লেখ কৰে। নিজৰ উন্মোচনী ভাষণত পদ্মশ্ৰী ড° যোগেশ দেউৰীয়ে 'কিয় ? ' তথ্যচিত্ৰখনৰ জৰিয়তে সমাজত প্ৰচলিত বিভিন্ন লোকবিশ্বাস আৰু পৰম্পৰাৰ কথা দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে বুলি উল্লেখ কৰে। এই লোকবিশ্বাসসমূহৰ ভিতৰত কিছুমান বিশ্বাস বিজ্ঞানসন্মত দৃষ্টিভংগীৰ সৈতেও সম্পৰ্কিত বুলি তেওঁ মত প্ৰকাশ কৰে। সমাজত প্ৰচলিত এনে লোকাচাৰ, বিশ্বাস আৰু পৰম্পৰা সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি সঞ্জীৱ নাথক ভৱিষ্যতেও এনে তথ্যচিত্ৰ নিৰ্মাণৰ ধাৰাবাহিক প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। আনহাতে, 'গৰু' তথ্যচিত্ৰখন উন্মোচন কৰি সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সভাপতি দীপক কুমাৰ পামে সমাজজীৱনত গৰুৰ সৈতে জড়িত বিভিন্ন প্ৰবাদ, লোকবিশ্বাস আৰু সাংস্কৃতিক দিশৰ কথা উল্লেখ কৰে। তেওঁ নিজেও সংস্কৃতিৰ কিংবদন্তি পুৰুষ প্ৰসন্ন কুমাৰ পামৰ 'দদান পালা', 'ফাৰকান্তি'কে ধৰি চাৰিখন তথ্যচিত্ৰ নিৰ্মাণ কৰা বুলি অনুষ্ঠানত প্ৰকাশ কৰে। তথ্যচিত্ৰ নিৰ্মাণৰ প্ৰতি নিজৰ আগ্ৰহৰ কথাও উল্লেখ কৰি দীপক কুমাৰ পামে প্ৰযোজক তথা পৰিচালক সঞ্জীৱ নাথৰ এনে প্ৰচেষ্টাক প্ৰশংসনীয় পদক্ষেপ বুলি অভিহিত কৰে। উল্লেখযোগ্য যে অনুষ্ঠানটো পৰিচালনা কৰে কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক তথা খেতিয়ক অৰবিন্দ ৰাভাই। অনুষ্ঠানত গ্ৰন্থ ফেল'শ্বিপ লাভ কৰা বিশিষ্ট লেখিকা ড° ৰুমী নাথ, দুধনৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° পাৰুল নাথ, বীৰবল বড়ো, সংলাপ লিখোঁতা ৰত্না দাস, অনুবাদক শ্যামল বৰুৱা, ফটোগ্ৰাফাৰ কুলদীপ ৰায়, সম্পাদক নৱজিত কলিতা আৰু তথ্য গৱেষক জয় শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সামগ্ৰিকভাৱে, দুধনৈত অনুষ্ঠিত এই শুভমুক্তি অনুষ্ঠানত লোকসংস্কৃতি, লোকবিশ্বাস, পৰম্পৰা আৰু সমাজজীৱনৰ বিভিন্ন দিশক তথ্যচিত্ৰৰ মাধ্যমেৰে সংৰক্ষণ আৰু নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ এক গুৰুত্বপূৰ্ণ প্ৰচেষ্টাৰ সাক্ষী হৈ ৰ'ল।

বিজনীত গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ পালন



অসম বাৰ্তা, বিজনী, ২২ ছেপ্টেম্বৰ ঃ সমগ্ৰ ৰাজ্যত লগতে চিৰাং জিলাৰ বিজনীতো উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছে জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ। গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উলুবাৰী আঞ্চলিক নামঘৰ আৰু সাংস্কৃতিক প্ৰকল্পত উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ থকা মহোৎসৱৰ খনিৰ আজি দ্বিতীয় দিনটোত বাৰে বৰণীয়া ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। উলুবাৰী আঞ্চলিক নামঘৰ সাংস্কৃতিক প্ৰকল্প প্ৰাংগণৰ পৰা উলিওৱা ভাগৱত শোভাযাত্ৰা কাৰ্যসূচী আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে বিজনী বিধানসভা সমষ্টিৰ বিধায়ক অৰূপ কুমাৰ দে'ই। উলুবাৰী আঞ্চলিক নামঘৰৰ প্ৰাক্তন সভাপতি খগেন চন্দ্ৰ ৰায়ে ভাগৱত ধাৰক হিচাপে অংশগ্ৰহণ কৰা ভাগৱত শোভাযাত্ৰাত আই নাম দল, বিহুনৃত্য দল আৰু ভক্ত বৃন্দই নাম প্ৰসংগৰে উলুবাৰী অঞ্চল পৰিভ্ৰমণ কৰে। উক্ত ভাগৱত শোভাযাত্ৰা কাৰ্যসূচীত বিধায়ক দে'ৰ উপৰিও শঙ্কৰদেৱ সংঘৰ কোকৰাঝাৰ জিলা শাখা মূলৰ সদস্য তপন ৰায় অংশগ্ৰহণ কৰি শোভাযাত্ৰা দলটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। শোভাযাত্ৰা কাৰ্যসূচীৰ অন্তত নামঘৰ বাকৰিত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হয়। বিজনী জিলা শাখাৰ প্ৰাক্তন মূলৰ সদস্য অজিত কুমাৰ ৰায়ে উন্মোচন কৰা আৰু উলুবাৰী আঞ্চলিক নামঘৰ কমিটিৰ সভাপতি ললিত চন্দ্ৰ ৰায়ে সভাপতিত্ব কৰা উক্ত ধৰ্মালোচনী সভাত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই বিলাই যোৱা বাণী, ভক্তিৰস আৰু উত্তৰসুৰীৰ কৰণীয় সন্দৰ্ভত আলোকপাত কৰি ভাষণ প্ৰদান কৰে। সভাত বিজনী বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক অজয় কুমাৰ ৰায়, চিৰাং জিলা বিজেপিৰ সভাপতি ৰতন চন্দ্ৰ ৰায়, বিটিচিৰ প্ৰাক্তন পাৰিষদ ক্ৰমে প্ৰদীপ কুমাৰ বায়ন, দিফিৰী ৰায় আৰু সুভাষ বসুমতাৰী উপস্থিত থকাৰ উপৰিও উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰ মোহন দৈমাৰী অতিথি হিচাপে উপস্থিত থাকে। ইফালে দুদিনীয়াকৈ অনুষ্ঠিত হৈ থকা মহোৎসৱৰ খনিৰ কালিৰ দিনটোত কলবাৰী প্ৰাথমিক শাখাৰ নামাচাৰ্য পৰাগ কলিতাৰ দ্বাৰা নাম প্ৰসংগ, বিজনী জিলা শাখা মূলৰ সদস্য হৰি চন্দ্ৰ ৰায়ে গুৰু পৰিচয়, উলুবাৰী আঞ্চলিক নামঘৰ কমিটিৰ সম্পাদক ৰজত ৰায়ৰ পৰিচালনাত ঘোষা পাঠ প্ৰতিযোগিতা, উদযাপন কমিটিৰ সভাপতি সিদ্ধান্ত ৰায়ৰ পৰিচালনাত বৰগীত প্ৰতিযোগিতা, উদ্‌যাপন কমিটিৰ উপদেষ্টা বিষ্ণু ৰাম ৰায়ৰ পৰিচালনাত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হৈ যোৱাৰ লগতে সন্ধিয়াৰ ভাগত পুনৰ নাম প্ৰসংগ অনুষ্ঠিত হয়। ইফালে বিজনী সত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা বিজু দাস সোঁৱৰণী ক্ষেত্ৰত আই সকলৰ ঘোষা নাম পৰিবেশন প্ৰতিযোগিতা উদ্বোধন কৰে বিজনী মহাবিদ্যালয়ৰ উপাধ্যক্ষ সবিতা ৰায়ে। সন্ধিয়া গুণমালা কীৰ্তন পৰিবেশন কৰা হয়। আনহাতে কাইলৈ পুৱা ১০.৩০ বজাত অশোক দাস সোঁৱৰণী ক্ষেত্ৰত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰী। বিয়লি থিয়নাম সমাৰোহ উদ্বোধন কৰিব বিজনীৰ বিধায়ক অৰূপ কুমাৰ দে'ই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ প্ৰাক্তন আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰ, গুৱাহাটীৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী গোপাল জালান।

পৰম্পৰাগত সাজপাৰ, ৰীতি-নীতি, নৃত্য-গীতেৰে উছৰমুখৰ পৰিৱেশ

লখিমপুৰত কেথ'লিক পেৰিচৰ উদ্যোগত কৰম উৎসৱ উদ্‌যাপন



অসম বাৰ্তা, লীলাবাৰী, ২২ ছেপ্টেম্বৰ ঃ কৃষিজীৱী আদিবাসী লোকসকলৰ জাতীয় উৎসৱ হৈছে কৰম পৰৱ। আজি শুক্লা একাদশী তিথি, কৰম পৰৱৰ দিন। আদিবাসী জনগোষ্ঠীয় লোকসকলৰ মাজত আজি উছৰমুখৰ পৰিৱেশ। লখিমপুৰৰ ঠায়ে-ঠায়ে অনুষ্ঠিত হৈছে কৰম পৰৱ। কৰম পৰৱৰ ইতিহাস কৃষিভিত্তিক সভ্যতাৰ আদিম মানুহৰ আদিম স্তৰৰ যাদু-বিশ্বাসৰ ফচল। কৰম উৎসৱৰ প্ৰকৃতি মাতৃৰ লগত মানৱী মাতৃৰ, প্ৰাকৃতিক ফলপ্ৰসূতাৰ লগত মানৱীয় ফলপ্ৰসূতাৰ, প্ৰাকৃতিক উৰ্বৰতাৰ লগত নাৰীৰ উৰ্বৰতা শক্তিৰ, ভূমি কৰ্ষণৰ লগত মৈথুনৰ সম্পৰ্ক আছে। উৎসৱটিত শস্য উৎপাদন, শস্য ৰক্ষাৰ বাবে কোনো অবৈদিক দেৱতাক সন্তুষ্ট কৰা আৰু মানৱ জীৱনৰ বংশ প্ৰজনন সম্পৰ্কীয় লোকায়ত ধ্যান-ধাৰণাৰ বহিৰ্প্ৰকাশ ঘটে। কৰম পৰৱ উদযাপনৰ কেইবাদিনো আগৰ পৰা আৰম্ভ হয় 'জাৱা জগোৱা' অনুষ্ঠান। জাৱা হৈছে নাৰীৰ দ্বাৰা শস্য অংকুৰণ, উৎপাদন আৰু বংশ প্ৰজননৰ যাদু ক্ৰিয়া প্ৰক্ৰিয়া। জাৱাৰ অৰ্থ হ'ল-জন্ম বা সৃষ্টি (Germination)। কুমাৰী ছোৱালীসকল উৰ্বৰা শক্তি আৰু প্ৰজনন ক্ষমতাৰ অধিকাৰিনী, সেয়ে এই জাৱা অনুষ্ঠানৰ মাজত নাৰীৰ সন্তান কামনা তথা বংশ প্ৰজননৰ ধাৰণা নিহিত হৈ আছে। জাৱা জগোৱা কৰমতীসকলে নদীৰ বালি আনি টুপাত (এক প্ৰকাৰৰ খৰাহি) পঞ্চশস্য (ধান, মাটিমাহ, বুটমাহ, সৰিয়হ, মগুমাহ, মাকৈ আদি) সিচি, কৰম পৰৱৰ দিনলৈ শস্যসমূহ আলফুললৈ কিছুমান নীতি-নিয়মৰ মাজেৰে গজাই তোলাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। সাত বা এঘাৰ দিন জাৱা জগোৱাৰ পাছত উদযাপন কৰে ৰাজহুৱা কৰম পৰৱ। লখিমপুৰ জিলাৰ কেথ'লিক পেৰিচৰ উদ্যোগত ২৯ সংখ্যক কৰম উৎসৱটি আজি কয়লামাৰী চাহ বাগিচাৰ গীৰ্জালাইন খেলপথাৰত অনুষ্ঠিত হয়। কৰম উৎসৱটিৰ পুৱা কৰম ডাল পৰম্পৰাগত ৰীতি-নীতি আৰু লোক-বাদ্য বাদনেৰে আদৰণি কৰি আখড়াত স্থাপন কৰে। পাহান ৰঞ্জিত কুজুৰে কৰম কাহিনী কোৱাৰ পাছতে সমূহীয়াভাৱে কৰম নৃত্য-গীত কৰি ৰং ৰহইছ কৰে। পেৰিচ কাউন্সিলৰ উপদেষ্টা জৰ্জ তিৰ্কীয়ে আঁত ধৰা অনুষ্ঠানটিত অসম চাহ মজদুৰ সংঘৰ জিলা সম্পাদক সঞ্জিত তাঁতি, কয়লামাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী মাৰ্গাৰেট লাঙৰ উপৰিও পেৰিচৰ মুখ্য পুৰোহিত ফিলিপ বাৰ্ল্মা, সহকাৰী পুৰোহিত চিলাছ বাৰুৱা, ছেইণ্ট মেৰীজৰ চিষ্টাৰ জাছিন্তা, পেৰিচ কাউন্সিলৰ সভাপতি মাইকেল টপ্প, সম্পাদক যোনাছ ভেংৰা, মহিলা সমিতিৰ সভানেত্ৰী টিনা টেটে, সম্পাদিকা পুষ্পা এক্কা, যুৱ সমিতিৰ সভাপতি মাইকেল চৰেং, সম্পাদক বিকি তিৰ্কী, বিভিন্ন মণ্ডলীৰ প্ৰচাৰক সহিতে বহুকেইজন আদিবাসী বিশিষ্ট ব্যক্তিয়ে অতিথি ৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, পৰৱৰ্তী বৰ্ষত লখিমপুৰ পেৰিচৰ উদ্যোগত কৰম পৰৱটি কাশিপথাৰ মণ্ডলত অনুষ্ঠিত হ'ব।

চেপনত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কমলদৈ লিটৌল ষ্টাৰ ফুটবল একাদশ

অসম বাৰ্তা, চেপন, ২২ ছেপ্টেম্বৰ ঃ উজনি অসমৰ অগ্ৰণী ক্ৰীড়া সংগঠন মৰাণহাট ক্ৰীড়া সন্থাৰ তত্বাৱধানত স্থানীয় চেপন কমলদৈ বেতবাৰী আৰু ১ নং ৰঙাগড়া যুৱ সংঘৰ যুটীয়া উদ্যোগত কমলদৈ বেতবাৰী ৰাজহুৱা খেলপথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰাইজমানি ও ট্ৰফী ফুটবল প্ৰতিযোগিতাত কমলদৈ লিটৌল ষ্টাৰ ফুটবল একাদশে জয়ৰ ধাৰা অব্যাহত ৰাখি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেল খেলত কমলদৈ লিটৌল ষ্টাৰ ফুটবল একাদশে চেপন চাহ বাগিচা ১২ নম্বৰ বেতবাৰী ফুটবল ক্লাবক টাইবেকাৰৰ জৰিয়তে ৪-২ গলৰ ব্যৱধানত পৰাজিত কৰে। প্ৰায় দুই সহস্ৰাধিক দৰ্শকে একেলগে উপভোগ কৰা তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখন নিৰ্ধাৰিত সময়লৈকে গলশূন্যভাৱে সামৰণি পৰে। পৰৱৰ্তী সময়ত ৰেফাৰী অপূৰ্ব চেতিয়াই খেলখনৰ ফলাফল নিৰূপণৰ বাবে টাইবেকাৰ পদ্ধতিৰ সহায় লয়। টাইবেকাৰত কমলদৈ লিটৌল ষ্টাৰ ফুটবল একাদশৰ হৈ দিব্যজ্যোতি লাচন, বিশ্বজিৎ টায়ে, সুৰজিৎ মিলি আৰু মণ্টু লাচনে গ'ল স্ক'ৰ কৰে। আনহাতে চেপন চাহ বাগিচা ১২ নম্বৰ বেতবাৰী ফুটবল ক্লাবৰ হৈ মেৰী ভূমিজ, ভূপেন বৰুৱাই গ'ল স্ক'ৰ কৰাৰ বিপৰীতে ৰাহুল ভূমিজ আৰু ৰিচি কৰ্মকাৰে গল স্ক'ৰ কৰাত ব্যৰ্থ হোৱাত কমলদৈ লিটৌল ষ্টাৰ ফুটবল একাদশে খেলখনত ৪-২ গলৰ ব্যৱধানত জয়ী হৈ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে। আজিৰ খেলখন পৰিচালনা কৰে অপূৰ্ব চেতিয়াই। তেওঁক লাইনত সহায় কৰে বিষ্ণুজ্যোতি লাচন আৰু বিতুপন গগৈয়ে। চতুৰ্থ পৰিচালক ৰাজেশ গগৈ। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত আজিৰ বিজয়ী দলটোৱে ডিখাৰী ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰাজহুৱা স্থানত মদ্যপান কৰাসকলৰ বিৰুদ্ধে সষ্টম মাকুম আৰক্ষী

অসম বাৰ্তা, মাকুম, ২২ ছেপ্টেম্বৰ ঃ সমগ্ৰ ৰাজ্যত ঘটি থকা যিকোনো অপৰাধমূলক কাৰ্যক ৰোধ কৰিবলৈ সষ্টম হৈছে অসম আৰক্ষী। তাৰ সমান্তৰাল ভাৱে ৰাজহুৱা স্থানত মাদক দ্ৰব্য সেৱন কৰি পৰিৱেশ বিনষ্ট কৰাৰ সকলৰ বিৰুদ্ধে কঠোৰ হৈছে আৰক্ষী। তিনিচুকীয়া চহৰৰ পাছতে মাকুম চহৰৰ ৰাজহুৱা স্থানত মদ্যপান কৰি উপদ্ৰৱ চলোৱাসকলৰ বিৰুদ্ধে মাকুম আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। কালি নিশা মাকুম অঞ্চলত মদ্যপান কৰি উপদ্ৰৱ সৃষ্টি কৰা অৱস্থাত মাকুম আৰক্ষীয়ে অভিযান চলাই ৪জন যুৱক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ এই পদক্ষেপৰ পিছতে ৰাজহুৱা স্থানত মদ্যপান কৰা আৰু নিশাৰ ভাগত ৰাজপথত উৎপাত চলোৱাসকলৰ মাজত হাহাকাৰ লাগিছে। আৰক্ষীৰ মতে, পথৰ কাষত বহি মদ্যপান কৰা, ৰাজহুৱা স্থানত নিচাসক্ত অৱস্থাত উপদ্ৰৱ চলোৱা আৰু নিশাৰ অন্ধকাৰত ৰাজপথৰ শান্তি-শৃংখলা বিঘ্নিত কৰাৰ দৰে কাৰ্যকলাপ কোনো কাৰণতে প্ৰশ্ৰয় দিয়া নহব বুলি ৰাইজলৈ বাৰ্তা প্ৰেৰণ কৰে।

২০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ জনপ্ৰিয় "মায়াবিনী" গীতে মোহচন্ন কৰি তোলে নগৰৰ চৌপাশ

শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ "জুবিন দিৱস" দিৱসৰ সফল সামৰণি



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২২ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত আৰু শিৱসাগৰবাসী ৰাইজৰ সহযোগত প্ৰাণৰ শিল্পী বিহীন প্ৰথম "জুবিন দিৱস" অনুষ্ঠিত হয়। শিৱসাগৰ নগৰস্থ কেপি চাৰি আলি কালি প্ৰসাদ মেম'ৰিয়েল প্ৰেক্ষাগৃহত দুদিনীয়া কাৰ্যসূচীৰে সফল সামৰণি পৰে। নিৰ্দ্দিষ্ট দিনৰ পুৱা ১০-০০বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত সমূহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে "শিৱসাগৰ সমাজ ৰত্ন" বটাঁ প্ৰাপক ড° প্ৰকাশ কটকীয়ে। তেখেতে মুখ্য বন্তি প্ৰজ্বলক হিচাপে জুবিনক সকলোৱে যে ভাল পাই এই সন্দৰ্ভত কিছু তাৎপৰ্য পূৰ্ণ বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতে প্ৰেক্ষাগৃহত জুবিন গাৰ্গৰ জনপ্ৰিয় "মায়াবিনী" গীতটো চহৰৰ লক্ষ্মীনাথ বেজবৰুৱা শিশু ভৱনৰ ২০০গৰাকী ছাত্ৰ-ছাত্ৰী সমন্বিতে শিক্ষক- শিক্ষয়িত্ৰী আৰু বিশিষ্ট ব্যক্তি সকলে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সকলোৱে সন্মান জনাই পৰিৱেশন পৰিৱেশন কৰে। উদযাপন সমিতিৰ প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই পৰিচালনা কৰা অনুষ্ঠানটো শুভ উদ্বোধন কৰে জুবিনৰ গীত-মাত আৰু কথাৰে সৈতে প্ৰাণৰ শিল্পী গৰাকীৰ আজি হেৰাই যোৱা এটা বছৰ সম্পূৰ্ন হ'ল কোনোৱে মানি লব নোখোজে জুবিন আজি আমাৰ মাজত নাই বুলি। দুভাগ্যজনক আজিও ন্যায় পোৱা নাই কিন্তু পাব লাগিব। এনেদৰে উদযাপন সমিতিৰ সভাপতি ড° প্ৰবুদ্ধ প্ৰসাদ চেতিয়াই বক্তব্য প্ৰদান কৰাৰ লগতে জুবিনৰ মোহচন্ন বহু কথা কৈ সমগ্ৰ অনুষ্ঠানটো শুভ উদ্বোধন কৰে। অসমৰ হিয়াৰ আমঠু গৰাকীৰ ঈশ্বৰ পুত্ৰ সম বুলি উল্লেখ কৰি সাংস্কৃতিক জগত খনৰ বাবে অভূতপুৰ্ব অৱদান আৰু মৰম লগা জনপ্ৰিয় শিল্পী গৰাকীৰ জীৱন আলোকপাত কৰে বিশিষ্ট কবি, সাহিত্যিক তথা জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈয়ে। একেটা অনুষ্ঠানতে উল্লিখিত বিদ্যালয় খনৰ এজন কণমাণি ছাত্ৰই জুবিনৰ সন্দৰ্ভত সুন্দৰ বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত কাৰ্যকৰী সভাপতি তথা সাংবাদিক পেঞ্চনাৰ খাইৰুদ্দিন আহমেদ, প্ৰধান শিক্ষক ৰণজিৎ চুতীয়া, বিশিষ্ট সমাজ কৰ্মী ৰজনী চাংকাকতি, প্ৰাক্তন পৌৰপতি ৰূপা বড়া, বিশিষ্ট সংগীত শিল্পী জয়ন্ত দত্ত, দেৱজিত দত্ত আৰু বহু জনে বিশিষ্ট অতিথি আসন অলংকৃত কৰে। ইফালে দিনৰ ২-০০ বজাৰপৰা ৰাজ্যিক ভিত্তিত দুটা শাখাত "জুবিন সংগীত" প্ৰতিযোগিতা। সন্ধ্যা ৮-০০ বজাত অনুষ্ঠিত হৈ যোৱা চিত্ৰাংকন প্ৰতিযোগিতা আৰু জুবিন সংগীত প্ৰতিযোগিতাৰ বটাঁ বিতৰণী সভাখনৰ আঁত ধৰে প্ৰতিযোগিতা সমিতিৰ সভানেত্ৰী সভানেত্ৰী দিপা কলিতা আৰু নৃত্য শিল্পী অধ্যাপ্ৰিয়া দত্তই। গাম্ভীৰ্য পূৰ্ণ বটাঁ বিতৰণী সভাত কাৰ্যকৰী সভাপতি খাইৰুদ্দিন আহমেদ, নিৰন্ধকাৰ চামচুল বাৰিক, বিশিষ্ট অতিথি ৰজনী চাংকাকতি, অৱসৰ প্ৰাপ্ত ডাঃ উপেন গগৈ য়ে প্ৰাণৰ শিল্পীফজুবিন বক্তব্য প্ৰদান কৰাৰ লগতে, জুবিন সংগীত প্ৰতিযোগিতাৰ মুখ্য বিচাৰক জয়ন্ত দত্তই আসন অলংকৃত কৰি জুবিনৰ এটা জনপ্ৰিয় গীত পৰিৱেশন কৰি সকলোকে আপ্-ুট কৰে। সভাত ইতিমহসধ্যে অনুষ্ঠিত হোৱা বিশিষ্ট ব্যক্তি সকলে শ্ৰেষ্ঠ বিজয়ী প্ৰতিযোগী সকলৰ বটাঁ সমূহ প্ৰদান কৰা হয়। সমূহ কাৰ্যসূচী সাফল্য মণ্ডিত কৰি তোলাৰ বাবে উদ্‌যাপন সমিতিয়ে ধন্যবাদ আৰু কৃতজ্ঞতা কামনা কৰিছে। ❑

'নাহৰ' স্মৃতিগ্ৰন্থ উন্মোচন; জুবিনৰ গীতত মুখৰিত মন্দিয়া

নতুন সাহিত্য পৰিষদৰ উদ্যোগত মন্দিয়াত নামনি অসম ভিত্তিত জুবিন দিৱস উদ্‌যাপন

অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ ছেপ্টেম্বৰ ঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এবছৰ পূৰ্ণ হোৱাৰ উপলক্ষে নতুন সাহিত্য পৰিষদৰ বৰপেটা জিলা কমিটি আৰু মন্দিয়া শাখা কমিটিৰ যৌথ উদ্যোগত ১৯ আৰু ২০ ছেপ্টেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে নামনি অসম ভিত্তিত 'জুবিন দিৱস' উদ্‌যাপন কৰা হয়। শিল্পীগৰাকীৰ স্মৃতি, সৃষ্টিশীলতা আৰু সাংস্কৃতিক অৱদানক স্মৰণ কৰি আয়োজিত অনুষ্ঠানত অগণন জুবিনপ্ৰেমীৰ সমাগম ঘটে। ১৯ ছেপ্টেম্বৰৰ পুৱা ৯ বজাত মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মাইনা দাসে গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে পুৱা ১০ বজাত জুবিন দিৱস উদযাপন সমিতিৰ সভাপতি বিল্লাল হোছেইনে আনুষ্ঠানিকভাৱে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। পুৱা ১১ বজাত মন্দিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অমূল্য গোস্বামীয়ে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আবেলি নতুন সাহিত্য পৰিষদৰ বৰপেটা জিলা সভাপতি অধ্যাপক হোম বাহাদুৰ ছেত্ৰীৰ পৌৰোহিত্যত অনুষ্ঠিত হয় মুকলি আৰু বঁটা বিতৰণী সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক ড° চুলতান আলী আহমেদে। সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে উদ্‌যাপন সমিতিৰ সম্পাদক সামেজ আহমেদে। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা জনপ্ৰিয় অভিনেত্ৰী প্ৰাঞ্জনা দত্তই জুবিন গাৰ্গৰ সৈতে থকা সান্নিধ্য, শিল্পীগৰাকীৰ জীৱন-আদৰ্শ আৰু সৃষ্টিশীল ব্যক্তিত্বৰ বিভিন্ন দিশ স্মৰণ কৰি আবেগিক হৈ পৰে। তেওঁ জুবিনৰ সৈতে জড়িত স্মৃতি ৰোমন্থন কৰি উপস্থিত জুবিনপ্ৰেমীসকলৰ সৈতে শিল্পীগৰাকীৰ সৃষ্টিৰ এক আন্তৰিক সম্পৰ্কৰ কথা উল্লেখ কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সাহিত্যিক, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, কবি তথা খণ্ড উন্নয়ন বিষয়া নৱৰত্ন পাটোৱাৰীয়ে জুবিন গাৰ্গৰ আদৰ্শ আৰু সৃষ্টিশীল চেতনাক জীয়াই ৰখাৰ আহ্বান জনায়। জুবিনে আধৰুৱাকৈ এৰি যোৱা কামসমূহ আগুৱাই নিয়াৰ ক্ষেত্ৰত নতুন প্ৰজন্মই দায়িত্ব গ্ৰহণ কৰিব লাগিব বুলিও তেওঁ মন্তব্য কৰে। অনুষ্ঠানত সৰভোগ সমষ্টিৰ প্ৰাক্তন বিধায়ক মনোৰঞ্জন তালুকদাৰে সম্বৰ্ধনা গ্ৰহণ কৰি জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ পিছত সমাজ আৰু যুৱ প্ৰজন্মৰ কৰণীয় সন্দৰ্ভত বক্তব্য আগবঢ়ায়। নিজৰ বক্তব্যৰ মাজতে গীত পৰিৱেশন কৰি তেওঁ উপস্থিত দৰ্শকক আপ্লুত কৰে। অনুষ্ঠানৰ অন্যতম উল্লেখযোগ্য পৰ্ব হিচাপে 'নাহৰ' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে প্ৰাক্তন বিধায়ক মনোৰঞ্জন তালুকদাৰে। জুবিন গাৰ্গৰ স্মৃতি আৰু সৃষ্টিৰাজিৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থখনে অনুষ্ঠানটোক এক বিশেষ মাত্ৰা প্ৰদান কৰে। মুকলি সভাত জনপ্ৰিয় কণ্ঠশিল্পী শোভাংগী শোভাসুৰীয়া, শিশু কণ্ঠশিল্পী নাছিফা খান আৰু মাফুজা ইয়াছমিনক উদযাপন সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে সন্ধিয়া ৭ বজাত অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। অগণন জুবিনপ্ৰেমীৰ উপস্থিতিত শোভাংগী শোভাসুৰীয়া, মাফুজা, জে. কে. আৰু অধ্যাপক ৰাকিবুল ইছলাম আদিয়ে জুবিন গাৰ্গৰ জনপ্ৰিয় গীত পৰিৱেশন কৰি অনুষ্ঠানস্থলী সংগীতময় কৰি তোলে। জুবিনৰ গীতৰ সুৰত উপস্থিত দৰ্শকৰ হৃদয় আবেগ আৰু স্মৃতিৰে ভৰি পৰে। দুদিনীয়া এই জুবিন দিৱস উদযাপনে কেৱল এগৰাকী শিল্পীক স্মৰণ কৰাৰ মাজতে সীমাবদ্ধ নাথাকি তেওঁৰ সৃষ্টিশীলতা, মানৱীয়তা আৰু অসমীয়া সংগীত-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ এক প্ৰয়াস হিচাপে বিশেষ তাৎপৰ্য বহন কৰে।

গৰৈমাৰীত বিধায়ক আচিফ নাজাৰক পহু খেদা, "গ' বেক" ধ্বনিৰে বিজেপি সমৰ্থকৰ প্ৰতিবাদ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২২ ছেপ্টেম্বৰ ঃ আজি মৰিগাঁও জিলা লাহৰিঘাট সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত বিধায়ক আচিফ নাজাৰক কেন্দ্ৰ কৰি সৃষ্টি হয় উত্তেজনাময় পৰিস্থিতিৰ। বিধায়কগৰাকীৰ এখন হোটেলত বহি থকা সময়তে একাংশ বিজেপি সমৰ্থকে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি "আচিফ নাজাৰ গ' বেক" ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। গৰৈমাৰীত বিধায়ক আচিফ নাজাৰ উপস্থিত হোৱাৰ সময়তে বিজেপি সমৰ্থকসকলে তেওঁক ঘেৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বিধায়কগৰাকীৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি ক্ষোভ প্ৰকাশ কৰাৰ লগতে "আচিফ নাজাৰ গ' বেক" ধ্বনি দিয়ে। পৰিস্থিতিৰ ফলত কিছু সময়ৰ বাবে অঞ্চলটোত উত্তেজনাৰ সৃষ্টি হয়। প্ৰতিবাদকাৰীসকলৰ এনে প্ৰতিবাদৰ মাজতে সেই স্থানত আৰক্ষি প্ৰশাসনৰ লোক উপস্থিত হয়। পৰৱৰ্তী সময়ত আৰক্ষীৰ সহযোগত বিধায়কগৰাকী সেই স্থানৰ পৰা আঁতৰি যাবলগীয়া যাবলৈ বাধ্য হয়। ঘটনাটোক কেন্দ্ৰ কৰি গৰৈমাৰীত ৰাজনৈতিক উত্তেজনাই নতুন ৰূপ লোৱা পৰিলক্ষিত হৈছে। অৱশ্যে, বিজেপি সমৰ্থকসকলৰ প্ৰতিবাদৰ সঠিক কাৰণ আৰু তেওঁলোকৰ নিৰ্দিষ্ট দাবী সম্পৰ্কে এই পৰ্যন্ত সবিশেষ তথ্য স্পষ্ট হোৱা নাই যদিও দুদিন আগত বিধায়ক গৰাকীয়ে বেয়া তথা দুষ্ট লোক সকলেহে বিজেপিত সহযোগ কৰে বুলি মন্তব্য প্ৰকাশ কৰিছিল। যাৰ বাবে এই মন্তব্যক সন্দৰ্ভত বিধায়ক আচিফ নাজাৰ বিৰুদ্ধে বিজেপি সমৰ্থক সকলে এই প্ৰতিবাদ সাব্যস্ত কৰে।

গৌৰৱ গগৈ, ৰকিবুল হুছেইন আৰু শিৱামণি বৰাৰ বিৰুদ্ধে 'গ বেক' ধ্বনিৰে উত্তাল পৰিৱেশ; আহত কেইবাজনো সাংবাদিক

চামগুৰিৰ বৰমাত প্ৰাক্ নিৰ্বাচনী হিংসা

অসম বাৰ্তা, পুৰণিগুদাম, ২২ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি চামগুৰি সমষ্টিৰ বৰমাত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কংগ্ৰেছ আৰু বিজেপি সমৰ্থকৰ মাজত সংঘাতৰ সৃষ্টি হোৱাৰ লগতে উক্ত ঘটনাক কেন্দ্ৰ কৰি সম্প্ৰতি সমগ্ৰ অঞ্চলটোত এক চেপা উত্তেজনাই বিৰাজ কৰিছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে লৰীমুখত কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ অহা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি, সাংসদ গৌৰৱ গগৈকে ধৰি কংগ্ৰেছৰ কেইবাগৰাকীও নেতৃত্বই শিৱামণি বৰাৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অহাৰ কথা আছিল। এই কাৰ্যসূচীলৈ কংগ্ৰেছ সমৰ্থকৰ ৰেলি আগবাঢ়ি যোৱাৰ সময়তে বৰমাত হঠাতে পৰিস্থিতি উত্তপ্ত হৈ পৰে। কংগ্ৰেছৰ ৰেলি বৰমাত উপস্থিত হোৱাৰ সময়তে একাংশ বিজেপি সমৰ্থকে ক'লা পতাকা প্ৰদৰ্শন কৰাৰ লগতে গৌৰৱ গগৈ, ৰকিবুল হুছেইন আৰু শিৱামণি বৰাৰ বিৰুদ্ধে 'গ' বেক' ধ্বনি দিয়ে বুলি অভিযোগ উঠিছে। ইয়াৰ পাছতে দুয়ো পক্ষৰ মাজত বাক্-বিতণ্ডাৰ সৃষ্টি হৈ ক্ৰমাৎ পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰে। কংগ্ৰেছৰ ৰেলিত অহা বাহনলৈ মুখত ক'লা কাপোৰ বান্ধি অহা একাংশ অচিনাক্ত লোকে শিলগুটি নিক্ষেপ কৰা বুলি কংগ্ৰেছ সমৰ্থকে অভিযোগ উত্থাপন কৰিছে। একেদৰে লৰিমুখত কংগ্ৰেছৰ নিৰ্বাচনী সভালৈ যোৱা বাহনলৈও দূৰৰ পৰা শিলগুটি নিক্ষেপ কৰাৰ অভিযোগ উঠিছে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ঘটনাস্থলীত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী উপস্থিত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ সময়ত লাঠীচালনা কৰা হয় বুলি জানিব পৰা গৈছে। ইয়াৰ মাজতে কৰ্তব্যৰত কেইবাজনো সাংবাদিক আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ আক্ৰমণৰ সন্মুখীন হয়। চিআৰপিএফৰ জোৱানে সাংবাদিকক আক্ৰমণ কৰি আহত কৰাৰ অভিযোগক কেন্দ্ৰ কৰি ৰূপহীহাট আৰু চামগুৰিৰ সাংবাদিক মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাটোৰ প্ৰতিবাদত স্থানীয় সাংবাদিকসকলে ক্ষোভ প্ৰকাশ কৰি নিৰাপত্তাৰক্ষীৰ এনে আচৰণৰ তদন্ত আৰু দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। উল্লেখ্য যে, যোৱা নিশা চামগুৰিৰ লৰিমুখত কংগ্ৰেছৰ নিৰ্বাচনী সভাৰ বাবে স্থাপন কৰা অস্থায়ী পেণ্ডেল, বেনাৰ আৰু পোষ্টাৰত কোনো অচিনাক্ত দুৰ্বৃত্তই অগ্নিসংযোগ কৰাৰো অভিযোগ উঠিছিল। নিশাৰ আন্ধাৰৰ সুযোগ লৈ বেনাৰ-পোষ্টাৰ জ্বলাই দিয়াৰ ঘটনাক কেন্দ্ৰ কৰি ইতিমধ্যে অঞ্চলটোত ৰাজনৈতিক উত্তেজনাই দেখা দিছিল। সেই ঘটনাৰ পাছদিনাই বৰমাত কংগ্ৰেছ-বিজেপি সমৰ্থকৰ মাজত সংঘাতৰ ঘটনাই নিৰ্বাচনী পৰিৱেশ অধিক উত্তপ্ত কৰি তুলিছে। বৰ্তমান ঘটনাস্থলীত আৰক্ষী আৰু নিৰাপত্তাৰক্ষী মোতায়েন কৰা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ নিৰাপত্তা বাহিনীয়ে চোকা দৃষ্টি ৰাখিছে বুলি জানিব পৰা গৈছে।

৪৪ বছৰত ভৰি দিলে ঐতিহ্যমণ্ডিত দুৰ্গোৎসৱে

দেৰগাঁও কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গোৎসৱৰ উদ্‌যাপন সমিতি গঠন



অসম বাৰ্তা, দেৰগাঁও, ২২ ছেপ্টেম্বৰ ঃ দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰত ১৯৮২ চনৰ পৰা ধাৰাবাহিকভাৱে অনুষ্ঠিত হৈ অহা দেৰগাঁও কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গোৎসৱে এইবাৰ ৪৪ বছৰত ভৰি দিলে। আধ্যাত্মিকতা আৰু পৰম্পৰাক গুৰুত্ব প্ৰদান কৰি প্ৰতিবছৰে অনুষ্ঠিত হৈ অহা এই দুৰ্গোৎসৱৰ ২০২৬ বৰ্ষৰ উদ্‌যাপন সমিতিখন গঠন কৰা হৈছে। ৰিচা চুইটছ সভাগৃহত অনুষ্ঠিত ৰাজহুৱা সভাৰ সিদ্ধান্ত অনুসৰি গোপাল কৃষ্ণ খাউণ্ডক সভাপতি, ময়ূৰদ্বীপ ফুকন আৰু অমৰজ্যোতি বৰঠাকুৰক কাৰ্যকৰী সভাপতি হিচাপে লৈ সমিতিখন গঠন কৰা হয়। শান্তনু কলিতা আৰু শৰদ তচনিৱালক সাধাৰণ সম্পাদক, দুৰ্লভ ফুকন, মাধুৰ্য্য বৰা আৰু নয়নমণি বৰাক সহকাৰী সম্পাদক হিচাপে দায়িত্ব দিয়া হয়। সমিতিখনত কৃষ্ণকান্ত শৰ্মা, পৱন আগৰৱালা, ডাঃ অজয় খাউণ্ড, ওম প্ৰকাশ সোমনী আৰু ডাঃ অৰুণজ্যোতি হাজৰিকাক উপ-সভাপতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। অচ্যুত জ্যোতি, পিংকুমণি হাজৰিকা আৰু দেৱজিত বৰদলৈক হিচাপ পৰীক্ষকৰ দায়িত্ব দিয়া হৈছে। লক্ষ্মীনাৰায়ণ আগৰৱালা আৰু পাৰ্থ প্ৰতিম পৰাশৰক মুখ্য ব্যৱস্থাপক আৰু প্ৰাণজিৎ বৰঠাকুৰক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। দুৰ্গাপূজাৰ সৈতে সংগতি ৰাখি এইবাৰো আৱতি, উৰুলী আৰু আল্পনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীসকলে ৭০০২২৪০০৪১ নম্বৰত যোগাযোগ কৰি আগতীয়াকৈ নাম পঞ্জীয়ন কৰিব পাৰিব। ইফালে প্ৰতিবছৰৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি দশমীৰ সন্ধিয়া ৰাৱণ দাহ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলিছে। লগতে প্ৰতিবছৰৰ দৰে এইবাৰো দুৰ্গাপূজাৰ আকৰ্ষণীয় মণ্ডপে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

গেলেকীত উলহ-মালহেৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ সম্পন্ন

অসম বাৰ্তা, গেলেকী, ২২ ছেপ্টেম্বৰ ঃ বৃহত্তৰ গেলেকী অঞ্চলৰ ভকত-বৈষ্ণৱ আৰু আইমাতৃসকলৰ যৌথ উদ্যোগত তথা উলহ-মালহপূৰ্ণ পৰিৱেশত গেলেকীৰ হাবিগাঁও বিহুছোৱা বাম নামঘৰ প্ৰাংগণত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱখনি অনুষ্ঠিত হৈ গৈছে। আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰা এই মহোৎসৱৰ কাৰ্যসূচীসমূহ অতি সুন্দৰভাৱে ৰূপায়ণ কৰা হয়। প্ৰাপ্ত তথ্য অনুসৰি, অনুষ্ঠানৰ প্ৰথম দিনটোত বেলিঅস্থ বিয়লি ৫ বজাত টিয়কৰ যুৱ ব্যাখ্যাকাৰক মাধুৰ্য্য বৰাই এক আকৰ্ষণীয় ধৰ্মীয় ব্যাখ্যা আগবঢ়াই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। মহোৎসৱৰ দ্বিতীয় দিনটোত গেলেকী অঞ্চলৰ ৮০ ভাগ নামঘৰৰ প্ৰতিনিধিয়ে একেলগে ৮০খন ধৰ্মধ্বজা উত্তোলন কৰাৰ লগতে এক আধ্যাত্মিক শোভাযাত্ৰাৰে ভাগৱত শুভাযাত্ৰা সম্পন্ন কৰে, যিয়ে সমগ্ৰ অঞ্চলটোত এক উল্লাসজনক পৰিৱেশৰ সৃষ্টি কৰে। ইফালে, মহোৎসৱৰ তৃতীয় দিনটোত দিনৰ ১ বজাত এক বিশেষ ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। উক্ত গাম্ভীৰ্যপূৰ্ণ সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে আধ্যাত্মিক ক্ষেত্ৰৰ প্ৰাণকেন্দ্ৰ আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰী দেৱানন্দ দেৱগোস্বামী আৰু লাচিত কলেজৰ সন্মানীয় অধ্যাপক শান্তনু বুঢ়াগোহাঁই। একেদিনাই ৩৫ গৰাকী নামাচাৰ্যই একেলগে সমস্বৰে নাম প্ৰসংগ কৰি সমগ্ৰ প্ৰাংগনখনক এক দ্বিতীয় বৈকুণ্ঠলৈ ৰূপান্তৰিত কৰে। মহোৎসৱৰ আন এক অন্যতম আকৰ্ষণ আছিল স্থানীয় যুৱক-যুৱতীসকলৰ দ্বাৰা প্ৰদৰ্শিত "হৰিচন্দ্ৰ উপাখ্যান" ভাওনা, যিয়ে উপস্থিত দৰ্শকৰ একেবাৰে মন হৰণ কৰিবলৈ সক্ষম হয়। মহাপুৰুষজনাৰ এই আৱিৰ্ভাৱ মহোৎসৱৰ আটাইকেইটা কাৰ্যসূচীতে সমূহ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু বহুমূলীয়া সহায়-সহযোগিতাই অনুষ্ঠানটি সফল কৰি তুলিলে বুলি আয়োজক সমিতিয়ে জনায়।

মাজুলীৰ প্ৰান্তে-প্ৰান্তে শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ উদ্‌যাপন

শংকৰ জন্মোৎসৱৰ উপলক্ষে গুৰু বন্দনাৰে মুখৰিত সত্ৰ সংস্কৃতিৰ পীঠস্থান মাজুলী

অসম বাৰ্তা, উজনী মাজুলী, ২২ ছেপ্টেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৰান্ধনী বেলিৰ ৰ'দৰ পোহৰৰ দৰেই সমাজখনৰ কুসংস্কাৰ, ভেদা-ভেদ আঁতৰাবলৈ লাহে লাহে সক্ষম হৈছিল। ঈশ্বৰ আৰাধনাৰ সহজ পথ প্ৰদৰ্শন কৰিছিল। একেশ্বৰবাদৰ বাণী বিয়পাইছিল- "এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ।" নামঘৰ, সত্ৰ, নাম-প্ৰসংগ, ভাওনা, বৰগীত আদিৰ দ্বাৰা সাধাৰণ ৰাইজৰ মাজত ভক্তি ৰসৰ সুবাস বিলাইছিল। মোক্ষ লাভৰ সহজ পথ দেখুৱাইছিল। "এক শৰণ নাম ধৰ্ম" জাতি, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকৰ কাৰণে মুকলি আছিল। নগাৰ নৰোত্তম, মুছলমানৰ চান্দসাই আদি অন্য জাতি ধৰ্মৰ লোকক শৰণ দি গুৰুজনাই সমানতাৰ সমাজ গঠনৰ ক্ষেত্ৰত প্ৰথমটো খোজ ৰাখিছিল। মহাপুৰুষ গুৰুজনাৰ উক্ত আদৰ্শৰেই মাজুলীত সৃষ্টি হোৱা সত্ৰ সংস্কৃতিৰ পৰম্পৰাক আকোঁৱালি লৈ যুগ যুগ ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি বৃহত্তৰ মাজুলীৰ সমাজখনে যেন একেশ্বৰবাদক মানি আহিছে। চাৰি সংহতিৰ সত্ৰৰে মহিমামণ্ডিত মাজুলীক এটকা মহত্তৰ থলী বুলি যিদৰে অভিহিত কৰা হয় সেইদৰেই মাজুলীৰ সভাজখনেও ঠাইখনিৰ নিজস্ব বৈশিষ্ট্য পৰম্পৰাক ধৰি ৰাখিবলৈ চেষ্টাৰ যেন ক্ৰুটী কৰা নাই। সেই অনুসৰি আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱৰ উপলক্ষে গুৰু বন্দনাৰে মুখৰিত হৈ পৰিল সত্ৰ সংস্কৃতিৰ পীঠস্থান মাজুলী। মাজুলীত ২০ ছেপ্টেম্বৰৰ পৰাই গুৰু বন্দনাৰে মুখৰিত হৈ পৰা পৰিলক্ষিত হ'ল। মাজুলীৰ সকলো সত্ৰ আৰু নামঘৰত দিনজোৰা বা দুদিনীয়া কাৰ্যসূচীৰে জন্মোৎসৱ উদ্‌যাপিত হয়। বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত প্ৰায়বোৰ নামঘৰ আৰু অনুষ্ঠান প্ৰতিষ্ঠানে আয়োজন কৰা শংকৰ জন্মোৎসৱত ধৰ্ম আলোচনা সভা আয়োজন কৰে। আজি ভকত-বৈষ্ণৱসকলৰ নাম কীৰ্ত্তন, আয়তীসকলৰ নাম, খোল-তালৰ শব্দৰে মুঠতে সত্ৰ নগৰী মাজুলী মুখৰিত হৈ পৰে। ইফালে মধ্য মাজুলী, উজনি, নামনি তথা পূৱ মাজুলীৰ প্ৰান্তে প্ৰান্তে অঞ্চল সমূহৰ বিভিন্ন স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে দুই-তিনিদিনীয়া কাৰ্য্যসূচীৰে শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ উদ্‌যাপন কৰে। সেইদৰে মাজুলীৰ বিভিন্ন অঞ্চলত পুৱাৰে পৰা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, নাম-প্ৰসঙ্গ আৰু ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ লগতে বৰগীত, চিত্ৰাংকন আৰু দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তিপ্ৰাণ ৰাইজৰ সমাগমেৰে মাজুলীৰ সত্ৰ-নামঘৰসমূহত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। দিনৰ ভাগত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে নিশা স্থানীয় যুৱক-বৃন্দই ভাওনা প্ৰদৰ্শন কৰিব। গুৰুজনাৰ আদৰ্শ আৰু সৃষ্টিৰাজি নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাৰ উদ্দেশ্যেৰে এই আয়োজন কৰা হৈছে। ইফালে নামনি মাজুলীৰো বিভিন্ন নামঘৰত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত গুৰুজয়ন্তী উদযাপন হোৱাৰ লগতে মাজুলীৰ প্ৰান্তে প্ৰান্তে শংকৰদেৱৰ জন্মোৎসৱ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ফলত মহাপুৰুষ গৰাকীৰ আৱিৰ্ভাৱ তিথিক কেন্দ্ৰ কৰি সমগ্ৰ মাজুলীতে এক ভক্তিময় পৰিৱেশৰ সৃষ্টি হৈছে। সত্ৰীয়া সংস্কৃতি আৰু বৈষ্ণৱ পৰম্পৰাৰ পীঠস্থান মাজুলীত গুৰুজনাৰ আদৰ্শ, সৃষ্টি আৰু একশৰণ নামধৰ্মৰ বাণী পুনৰবাৰ জনসাধাৰণৰ মাজত প্ৰতিধ্বনিত হয়।

শিৱসাগৰত ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা প্ৰদান

পদ্ধতিগতভাৱে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম গৰাকী অসমীয়া হৈছে ড° ময়িদুল ইছলাম বৰা ঃ ড° জ্যোতি প্ৰসাদ শইকীয়া



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২২ ছেপ্টেম্বৰ ঃ "অসমীয়াৰ বাবে আজি এক চিৰস্মৰণীয় দিন। ১৮৯৯ চনৰ ২২ ছেপ্টেম্বৰৰ দিনটোতেই শিৱসাগৰত জন্মলাভ কৰিছিল বৰ অসমৰ প্ৰথম গৰাকী ডক্টৰেট তথা প্ৰাচ্যতত্ত্ববিদ ময়িদুল ইছলাম বৰাই। ড° ময়িদুল ইছলাম বৰা নিশ্চিত ভাৱে অসমৰ প্ৰথম গৰাকী ডক্টৰেট। আজি এনে এগৰাকী মহান মনীষীৰ নামত প্ৰদান কৰা সাহিত্য বঁটাটিৰ বাবে মোক নিৰ্বাচিত কৰাত মই নিজকে সৌভাগ্যবান বুলি ভাবিছোঁ।" এই মন্তব্য ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা প্ৰাপক তথা জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ। অৰুণোদয় সাহিত্য সভা আৰু ড০ ময়িদুল ইছলাম বড়া স্মৃতিৰক্ষা সমিতিৰ যুগ্ম উদ্যোগত প্ৰদান কৰা "ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা-২০২৬" গ্ৰহণ কৰি উপাচাৰ্য গৰাকীয়ে কয় যে আমি সকলোৱে মনত ৰখা উচিত যে, কোনো এজন মহান ব্যক্তি আমাৰ মাজৰ পৰা কায়িকভাৱে নোহোৱা হ'লেও তেওঁ দি যোৱা দৰ্শন, আদৰ্শ, ত্যাগে পিছৰ প্ৰজন্মৰ বাবে এক প্ৰেৰণা হৈ পৰে। এনে চিন্তাশীল ব্যক্তি সকলৰ ওপৰত যেতিয়া আলোচনা বা প্ৰতি আলোচনা আৰম্ভ কৰা হয় তেতিয়া সেই ব্যক্তিৰ মন মগজুক অধ্যয়ন কৰি তেওঁৰ চিন্তাধাৰাক নতুন প্ৰজন্মৰ মাজলৈ কেনেকৈ লৈ যোৱা হয় তাৰ এক প্ৰয়াস এতিয়াও অব্যাহত আছে। ড° ময়িদুল ইছলাম বড়াই ঢাকাৰ পৰা পাৰ্চী ভাষাত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ এম. এ পাছ কৰাৰ পিছতে তেওঁ পুনৰ উৰ্দু ভাষাতো এম এ পাছ কৰে। এতিয়া কথা হ'ল তেওঁ কিয় উৰ্দু আৰু পাৰ্চী পঢ়িবলগীয়া হ'ল এই বিষয়ে আমাৰ নতুন প্ৰজন্মৰ মাজত এই প্ৰশ্নটো ৰাখিব লাগিব। আমি ড° ময়িদুল ইছলাম বড়াৰ এই প্ৰৱণতাটোক অধ্যয়ন কৰিলে কব পাৰোঁ যে তেওঁৰ পৃথিৱীৰ বিভিন্ন মানুহৰ লগত যোগাযোগ কৰাৰ ইচ্ছা থকাৰ লগতে বিভিন্ন সংস্কৃতি জনাৰ আগ্ৰহ থকাৰ উপৰিও বিভিন্ন দৃষ্টিভংগীৰে পৃথিৱীখন চোৱাৰ তেওঁৰ হেঁপাহ আছিল। তেওঁ বিভিন্ন ভাষা, সংস্কৃতিৰ পোষকতা কৰা ভিন্ন লোক, ভিন্ন দেশৰ পৰা জ্ঞান আহৰণ কৰি নিজ দেশ, সমাজ কল্যাণৰ সেৱা কৰাৰ যিটো লক্ষ্য বান্ধি লৈছিল সেইয়া এক জ্ঞানৰ সেৱা আছিল। তেওঁৰ লক্ষ্য আছিল এখন বিকশিত দেশ, সম্প্ৰীতিৰে বান্ধি ৰখা এখন অসমীয়া সমাজ নিৰ্মাণ কৰা আৰু য'ত শিক্ষা প্ৰাপ্তিৰ আধাৰ হ'ব যুক্তিৰ ব্যাপ্তি। তেওঁ কয় যে, বাৰশ খ্ৰীষ্টাব্দৰ সময়চোৱা ভাৰতবৰ্ষৰ পাৰ্চী সাহিত্যৰ যি বিকাশ ঘটিছিল সেইয়া সঁচাকৈয়ে চকুত লগা আছিল। সেই সময়ছোৱাত দিল্লী চুলতান আলাউদ্দিন খিলজিৰ ৰাজ সভাৰ বিখ্যাত পাৰ্চী কবি, পণ্ডিত আৰু চুফী সাধক আমিৰ হাচান দেহলবী ১২৫৩ চনত জন্ম গ্ৰহণ কৰিছিল। কথা হ'ল ড° ময়িদুল ইছলাম বড়াই তেনে এগৰাকী ব্যক্তিৰ জীৱন কৰ্মৰ প্ৰকৃত মূল্যায়ন কৰি তেওঁৰ গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰিব বিচাৰিছিল। মাধৱ কন্দলী, ৰুদ্ৰ কন্দলী অথবা কবিৰত্ন সৰস্বতীতকৈ বহু আগৰ আমিৰ হাচান দেহলবীৰ সেই যুগৰ পাৰ্চী কবি, পণ্ডিত গৰাকীৰ ওপৰত আগ্ৰহ কৰি যি গৱেষণা পত্ৰ ড° ময়িদুল ইছলাম বড়াই লিখিলে ই অতিকৈ গুৰুত্বপূৰ্ণ আৰু ই নতুন প্ৰজন্মৰ বাবে ই এক গৱেষণাৰ বিষয় বুলি উপাচাৰ্য গৰাকীয়ে উল্লেখ কৰে। তেওঁ আৰু কয় যে ড° ময়িদুল ইছলাম বড়া পদ্ধতিগতভাৱে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী অসমীয়া। দিল্লীৰ প্ৰখ্যাত চুফিবাদী কবি আমিৰ হাছান দিহলবীৰ জীৱন আৰু কৰ্মৰ ওপৰত তেখেতে গৱেষণা কৰি লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ময়িদুল ইছলাম বড়াই ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। লণ্ডন বিশ্ববিদ্যালৰ প্ৰফেছাৰ ডেনিচন ৰচৰ তত্ত্বাৱধানত ড° ময়িদুল ইছলাম বড়াই গবেষণা কৰি প্ৰথমগৰাকী ডক্টৰেটৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। ড° ময়িদুল ইছলাম বড়া কেৱল প্ৰথম ডক্টৰেটেই নহয় তেখেত হৈছে প্ৰথমগৰাকী অসমীয়া উপাচাৰ্য। ১৯৪৩ চনত সেই সময়ৰ ঢাকা বিশ্ববিদ্যালয়ৰ পাৰ্চী আৰু উৰ্দু বিভাগৰ প্ৰধান প্ৰাধ্যাপক ময়িদুল ইছলাম বড়াই নিজৰ যোগ্যতাৰ বলত ঢাকা বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য্য পদলৈ পদোন্নতি লাভ কৰিছিল। পাৰ্চী আৰু উৰ্দু ভাষাৰ বিদগ্ধ পণ্ডিত ময়িদুল ইছলাম বড়া আছিল অখণ্ড ভাৰতৰ প্ৰৱক্তা। দেশ বিভাজনৰ বিৰোধিতা কৰা ময়িদুল ইছলাম বড়াৰ সৈতে পাকিস্তানৰ জাতিৰ পিতা মহম্মদ আলী জিন্নাৰ তীব্ৰ সংঘাত হৈছিল। যাৰ ফলশ্ৰুতিত অতি কম বয়সতে লক্ষ্ণৌৰ ইতিহাস সন্মিলনত ভাষণ দিয়াৰ পিছত কোনো অচিনাক্ত দুৰ্বৃত্তই এগিলাচ বিষযুক্ত গাখীৰ আগবঢ়াই দিছিল ড°বড়াক। এই গাখীৰ পান কৰাৰ পিছতেই ড° ময়িদুল ইছলাম বড়াৰ কৰুণ মৃত্যু ঘটিছিল। তেনে এগৰাকী ব্যক্তি আছিল এগৰাকী সৰ্বভাৰতীয় পৰ্যায়ৰ বুৰঞ্জীবিদ। ঢাকা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকাৰ সময়তে তেখেতে সম্ৰাট জাহাঙ্গীৰ আৰু ছাহজাহানৰ ৰাজত্ব কালত অসম বঙ্গ বিহাৰ আৰু উৰিষ্যাত হোৱা মোগলৰ আক্ৰমণৰ বিস্তৃত ইতিহাস বাহাৰিস্তান ই গায়েবীখন পাৰ্চী ভাষাৰ পৰা ইংৰাজীলৈ অনুবাদ কৰি সুখ্যাতি লাভ কৰিছিল বুলি ড° জ্যোতিপ্ৰসাদ শইকীয়াই উল্লেখ কৰে। আজি শিৱসাগৰ প্ৰেছ ক্লাৱ সভাকক্ষ অৰুণোদয় সাহিত্য সভা আৰু ড° ময়িদুল ইছলাম বড়া স্মৃতিৰক্ষা সমিতিৰ তৰফৰ পৰা অনুষ্ঠিত কৰা বঁটা প্ৰদান অনুষ্ঠানৰ আঁত ধৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য সন্তোষ দত্তই। আদৰণি ভাষণ প্ৰদান কৰে অৰুণোদয় সাহিত্য সভাৰ সভাপতি মণিৰুল ইছলাম বড়াই। দিনৰ ১০-৩০ বজাত অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বঁটা প্ৰাপক ড° জ্যোতি প্ৰসাদ শইকীয়াক ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। এই বঁটা প্ৰদান কৰি উপাচাৰ্য গৰাকীয়ে কয় যে- স্বাধীনতা-উত্তৰ ভাৰতৰ এগৰাকী আগশাৰীৰ বুৰঞ্জীবিদ, পাৰ্চী আৰু উৰ্দু সাহিত্যৰ একনিষ্ঠ পণ্ডিত আছিল ড° ময়িদুল ইছলাম বড়া। স্কুলীয়া জীৱনতে অগাধ পাণ্ডিত্যৰ পৰিচয় দিবলৈ সক্ষম হোৱা ময়িদুল ইছলাম বড়াই কটন কলেজত প্ৰথম বিভাগত স্নাতক ডিগ্ৰী লাভ কৰি ঢাকা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত পাৰ্চী বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। একেটা বছৰতে তেওঁ আইন পৰীক্ষাতো সফলতাৰে উত্তীৰ্ণ হয়। ইয়াৰ পিছতে ঢাকা বিশ্ববিদ্যালয়তে কিছু দিন অধ্যাপনা কৰি ড° বড়াই লণ্ডনলৈ যায়। লণ্ডন বিশ্ববিদ্যালয়তে গৱেষণা কৰি তেওঁ অসমৰ প্ৰথম ডক্টৰেট হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। ঢাকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্বত থকাৰ সময়তে ১৯৪০ চনত যোৰহাটত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতিৰ আসন শুৱনি কৰে। ড° ময়িদুল ইছলাম বড়া অসম সাহিত্য সভাৰ সভাপতি সকলৰ ভিতৰত সৰ্ব কনিষ্ঠ সভাপতি আছিল। ড° ময়িদুল ইছলাম বড়া আছিল এগৰাকী উদাৰ ধৰ্মনিৰপেক্ষ দেশ প্ৰেমিক। অসম সাহিত্য সভাৰ মজিয়াতে তেওঁ কৈছিল হিন্দু আৰু মুছলমান ভাৰতৰ সন্তান। আমি একেলগে আছোঁ আৰু থাকিব লাগিব। আমাৰ মাজত যাতে কোনেও বিভেদ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে আমি প্ৰতিজন অসমীয়া সতৰ্ক হ'ব লাগিব। আমাৰ লেখক সকলে তেওঁলোকৰ লিখনিৰ যোগেদি সমন্বয় আৰু সম্প্ৰীতিৰ ভাব অক্ষুণ্ণ ৰাখে তাৰ বাবে চেষ্টা কৰা উচিত। স্বদেশ প্ৰেম কোনো জাতি, ধৰ্ম, সম্প্ৰদায়ৰ একচেটিয়া সম্পত্তি নহয় বুলিও ময়িদুল ইছলাম বড়াই সাহিত্য সভাৰ অভিভাষণত উল্লেখ কৰা বুলি উপাচাৰ্য জিতেন হাজৰিকাই ভাষণ প্ৰসংগত উল্লেখ কৰে। বঁটা প্ৰদান অনুষ্ঠানৰ সঞ্চালনা কৰে বিশিষ্ট কবি সাহিত্যিক প্ৰেম গগৈয়ে। এই সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাৰ পূৰ্বে ড° ময়িদুল ইছলাম বড়াৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে চিন্তাশীল লেখক দেৱ হাজৰিকাই। ইয়াৰ লগতে চিৰ চেনেহী মোৰ ভাষা জননী গীতৰে সভাৰ শুভাৰম্ভণি কৰা হয়।

উত্তৰ গুৱাহাটীত সঘনাই সংঘটিত হোৱা পথ দুৰ্ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ ৰাইজৰ

উত্তৰ গুৱাহাটীত শোকাৱহ পথ দুৰ্ঘটনাত নিহত প্ৰতিভা সম্পন্ন পল্লৱী নেৱাৰলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২২ ছেপ্টেম্বৰ ঃ উত্তৰ গুৱাহাটীত যোৱা ১৮ ছেপ্টেম্বৰ বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজাৰ আনন্দ উৎসাহৰ মাজতে নিশা ৮-৩০ মান বজাত উত্তৰ গুৱাহাটী মধ্যমখণ্ড চিনাকি চকত সংঘটিত হোৱা শোকাৱহ পথ দুৰ্ঘটনাত উত্তৰ গুৱাহাটী ৰজাদুৱাৰৰ পল্লৱী নেঁৱাৰ নামৰ এগৰাকী প্ৰতিভা সম্পন্ন যুৱতীৰ মৃত্যু হৈছিল। পিতৃ-মাতৃহীনা যুৱতী গৰাকীৰ মৃত্যুত সমগ্ৰ উত্তৰ গুৱাহাটীত গভীৰ শোকৰ ছাঁ পৰাৰ লগতে যুৱতী গৰাকীৰ মৃত্যুক কোনোও সহজভাৱে ল'ব পৰা নাই। যুৱতী গৰাকীৰ কৰুণ মৃত্যু আৰু অসমীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে কালি সন্ধিয়া উত্তৰ গুৱাহাটী মধ্যমখণ্ড ব্যৱসায় সন্থাৰ উদ্যোগত আৰু উত্তৰ গুৱাহাটী বাৰোৱাৰী কালী পূজা (মধ্যম খণ্ড) সমিতি আৰু স্থানীয় যুৱক সকলৰ সহযোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। উদীয়মান যুৱ সমাজকৰ্মী প্ৰাঞ্জল শৰ্মাই আঁতধৰা অনুষ্ঠানত পল্লৱী নেঁৱাৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী প্ৰাণেশ্বৰ শৰ্মাই। আনহাতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে উত্তৰ গুৱাহাটী বিজেপি মণ্ডলৰ যুটীয়া সাধাৰণ সম্পাদক সঞ্জীৱ শৰ্মাই। বন্তি প্ৰজ্বলন কৰি প্ৰাণেশ্বৰ শৰ্মাই যোৱা ১৮ ছেপ্টেম্বৰত শোকাৱহ পথ দুৰ্ঘটনাত কৰুণ মৃত্যুক সাৱতি লোৱা পল্লৱী নেৱাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। শৰ্মাই লগতে উত্তৰ গুৱাহাটীত কেইবাটাও শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় উত্তৰ গুৱাহাটী-গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু মুকলি হোৱা পাছৰে পৰা উত্তৰ গুৱাহাটীত যান বাহনৰ অবাধ চলাচল হৈছে। এক অনিয়ন্ত্ৰিত পৰিবেশৰ সৃষ্টি হৈছে। কিন্তু ইয়াৰ বিপৰীতে কামৰূপ যানবাহন নিয়ন্ত্ৰণ আৰক্ষীয়েই হওক বা জিলা পৰিবহণ বিভাগৰ বিষয়া কাৰ্য্যালয়েও এই ক্ষেত্ৰত যি গুৰুত্ব দিব লাগিছিল তাৰ তিল মাত্ৰও গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। ইয়াৰোপৰি সন্ধিয়া হ'লেই এচাম বিপথগামী যুৱকে মানক দ্ৰব্য সেৱন কৰি তীব্ৰ বেগত বাহন চলাই জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰাৰ লগতে দুৰ্ঘটনা সংঘটিত কৰি আহিছে। তদুপৰি উত্তৰ গুৱাহাটীৰ মূল পথ সমূহ বহল হৈছে যদিও চৰকাৰী বিভিন্ন কামত পথ সমূহ খান্দি পেলাইছে যদিও পথ সমূহ পুন নিৰ্মাণ কৰাৰ ক্ষেত্ৰত লোক নিৰ্মাণ বিভাগে গুৰুত্ব নিদিয়াৰ ফলত পথ সমূহ সংকুচিত হৈ পৰিছে। যাৰ ফলত দুৰ্ঘটনা সংঘটিত হোৱাটোও অন্যতম কাৰক হৈ পৰিছে। তেওঁ লগতে কয় যে উপযুক্ত স্থান সমূহত গতিৰোধক নিদিয়াৰ ফলতো বহু সময়ত দুৰ্ঘটনা সংঘটিত হৈছে বুলি অভিযোগ উত্থাপন কৰে। তেওঁ উত্তৰ গুৱাহাটীত সঘনাই সংঘটিত হোৱা দুৰ্ঘটনাৰ কাৰণ সমূহ বৈজ্ঞানিক বিশ্লেষণ কৰি দুৰ্ঘটনা ৰোধ কৰাৰ বাবে কামৰূপ জিলা পথ সুৰক্ষা সমিতিক দাবী জনায়। প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিজেপিৰ উত্তৰ গুৱাহাটী মণ্ডলৰ যুটীয়া সাধাৰণ সম্পাদক সঞ্জীৱ শৰ্মাই কয় অসম আকাশৰ সংগীতৰ ধ্ৰুৱ তৰা জুবিন গাৰ্গ কায়িক ভাৱে নাথাকিলেও অসমীয়াৰ হিয়াৰ মাজত চিৰদিন জীয়াই থাকিব। দুই শতাধিক লোক উপস্থিত থকা অনুষ্ঠানত উত্তৰ গুৱাহাটী মধ্যমখণ্ডৰ স্থানীয় নাগাৰা নামৰ শিল্পী সকলে নাগাৰা নাম পৰিৱেশন কৰি পল্লৱী নেঁৱাৰৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

দেৰগাঁৱৰ হাজৰিকা গাঁও নামঘৰত গুৰুজয়ন্তী উদ্‌যাপন

অসম বাৰ্তা, দেৰগাঁও, ২২ ছেপ্টেম্বৰ ঃ দেৰগাঁৱৰ হাজৰিকা গাঁও নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী উপলক্ষে দিনজোৰা বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰে অনুষ্ঠান অনুষ্ঠিত হয়। নাম-প্ৰসংগ, প্ৰাৰ্থনাকে ধৰি বিভিন্ন আধ্যাত্মিক কাৰ্যসূচীৰে সমগ্ৰ নামঘৰ প্ৰাংগণত এক ভক্তিময় পৰিৱেশৰ সৃষ্টি হয়। ইফালে জন্মজয়ন্তী উদ্‌যাপনৰ সৈতে সংগতি ৰাখি নিশা নামঘৰ প্ৰাংগণত শিশুসকলৰ দ্বাৰা মহাপুৰুষীয়া আৰ্হিৰ নাট 'ৰাম পৰাজয়' ভাওনা প্ৰদৰ্শন কৰা হয়। শিশুশিল্পীসকলৰ সুন্দৰ অভিনয়, সংলাপ উপস্থাপন আৰু ভাওনাৰ সামগ্ৰিক পৰিৱেশনে উপস্থিত দৰ্শকক আপ্লুত কৰে। শিশুসকলৰ এনে সাংস্কৃতিক চৰ্চাই গুৰুজনাৰ আদৰ্শ আৰু মহাপুৰুষীয়া সংস্কৃতি নতুন প্ৰজন্মৰ মাজলৈ কঢ়িয়াই নিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

গোলাঘাটৰ নোগোৰাত গুৰু জয়ন্তীত বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাক 'সংস্কৃতি সাধনা বটাঁ' প্ৰদান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২২ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ নোগোৰাৰ 'ছাঁয়াবৃক্ষ যুৱ সংঘ'ৰ সৌজন্যত নোগোৰাবাসী ৰাইজৰ সহযোগত ২০ আৰু ২১ ছেপ্টেম্বৰত দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী উদযাপন অনুষ্ঠান কালি সফলতাৰে সামৰণি পৰে। নোগোৰা ৰাজহুৱা ভৱনত অনুষ্ঠিত হোৱা প্ৰথম দিনাৰ কাৰ্যসূচী পৰিৱেশ নিকাকৰণেৰে আৰম্ভ কৰা হয়। পুৱা ধৰ্মধ্বজা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি পৰাগ খাটনিয়াৰে। তাৰ পৰৱৰ্তী সময়ত ভাগৱত স্থাপন আৰু প্ৰাতঃপ্ৰসঙ্গ কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী অৰুণ মহন্তই আৰু 'প্ৰাণৰ শিল্পী জুবিন গাৰ্গ' সোঁৱৰণী শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰে বিশিষ্ট সমাজ সেৱক ভুৱন দত্তই। ইয়াৰ লগতে চিত্ৰাংকন, প্ৰশ্নোত্তৰ আৰু গোলাঘাট জিলা ভিত্তিত দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধিয়া ছায়া বৃক্ষ যুৱ সমাজৰ দ্বাৰা ২০২৬ বৰ্ষৰ 'সাংস্কৃতিক সাধনা বটাঁ' প্ৰদান কৰা হয় বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাক। বটাঁ গ্ৰহণ কৰি বিশিষ্ট সংগীত শিল্পী গৰাকীয়ে কয় এই বটাঁ প্ৰদানে আনন্দ দিয়াৰ লগতে দায়িত্বও বৃদ্ধি কৰিলে। এই বটাঁৰ তেখেতক নিৰ্বাচিত কৰাৰ বাবে অঞ্চলটোৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অসুবিধা নহ'লে বছৰৰ কোনোবা এটা দিনত অঞ্চলটোৰ উঠি অহা প্ৰজন্মক সংগীতৰ প্ৰশিক্ষণ প্ৰদানৰ চেষ্টা কৰিম বুলিও প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইয়াৰ পিছতে সমাজকৰ্মী তথা শিক্ষক উমানন্দ ফুকনে সাংস্কৃতিক সন্ধ্যাৰ মঞ্চ উদ্বোধন কৰে আৰু শিশুসকলৰ দ্বাৰা অভিনীত অংকীয়া নাট 'ৰাম বিজয়' প্ৰদৰ্শন কৰা হয় আৰু প্ৰথম দিনৰ কাৰ্যসূচীৰ অন্ত পৰে। দ্বিতীয় দিনা পুৱা ঊষা কীৰ্তনেৰে দিনটোৰ আৰম্ভণি কৰাৰ অন্তত ভাগৱত ভ্ৰমণ কৰা হয়। ইয়াৰ পিছত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহৰ বটাঁ বিতৰণ কৰা হয়। এই বটাঁ বিতৰণী অনুষ্ঠানত দলৌজান চাহ বাগিচাৰ স্বত্বাধিকাৰ দেৱশ্যাম বৰুৱা উপস্থিত থাকে। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতেই দ্বিতীয় নিশাৰ সাংস্কৃতিক সন্ধ্যাৰ উদ্বোধক হিচাপে উপস্থিত থাকে সাংস্কৃতিক কৰ্মী জীৱনজ্যোতি গগৈ আৰু নিশালৈ স্থানীয় যুৱক সকলৰ দ্বাৰা মহাপুৰুষীয়া নাট 'দানবীৰ ৰজা হৰিচন্দ্ৰ উপাখ্যান' প্ৰদৰ্শনেৰে ছায়া বৃক্ষ যুৱ সমাজৰ সৌজন্যত আৰু নোগোৰা বাসীৰ ৰাইজৰ সহযোগত আয়োজিত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী অনুষ্ঠানৰ সফল সামৰণি পৰে।

অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক গীতে-মাতে সুঁৱৰিলে তেজপুৰ সাংবাদিক সন্থাই

অসম বাৰ্তা, তেজপুৰ সদৰ, ২২ ছেপ্টেম্বৰ ঃ অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথমটো স্মৃতি দিৱসত কালি সমগ্ৰ ৰাজ্যজুৰি দেখা গ'ল অভূতপূৰ্ব পৰিৱেশ। কালি বিবিধ কাৰ্যক্ৰমণিকাৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে জুবিন গাৰ্গক সোঁৱৰণ কৰাৰ সমান্তৰালকৈ বিহগুৰিস্থিত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনৰ উদ্যোগত আৰু তেজপুৰ সাংবাদিক সন্থা, বিহগুৰি লেখিকা সমাৰোহ, সুন্দৰম সাংস্কৃতিক সমাজৰ সহযোগত ঈশ্বৰপুত্ৰ জুবিন গাৰ্গক গীতে-মাতে সোঁৱৰণ কৰা হয়। সন্ধ্যা বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ভৱনৰ সভাপতি কমলাপ্ৰসাদ বৰাই। ঈশ্বৰপুত্ৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ভৱনৰ সম্পাদক ত্ৰৈলোক্যমোহন নাথ, তেজপুৰ সাংবাদিক সন্থাৰ সভাপতি বিশ্বজিৎ নাথ, সম্পাদক ছাইদুল ইছলাম, বিহগুৰি লেখিকা সমাৰোহৰ সভানেত্ৰী যজ্ঞেশ্বৰী দেৱী, সম্পাদিকা চিত্ৰলেখা দেৱী, সুন্দৰম সাংস্কৃতিক সমাজৰ সভাপতি বাবলু কলিতা, সম্পাদক টংকেশ্বৰ সূত প্ৰমুখ্যে ভালেসংখ্যক নেতৃ স্থানীয় ব্যক্তিয়ে। শিক্ষক মুনিন্দ্ৰ কুমাৰ নাথে আঁত ধৰা এই অনুষ্ঠানত জুবিন গাৰ্গৰ জীৱন-দৰ্শণৰ ওপৰত আলোকপাত কৰে সংগীতশিল্পী ভাস্কৰ মৌনসে। ইয়াৰ পিছতে অঞ্চলটোৰ একডজন ন-পুৰণি সংগীতশিল্পীয়ে জুবিন গাৰ্গৰ বহুকেইটা জনপ্ৰিয় গীত পৰিৱেশন কৰি উপস্থিত শ্ৰোতা-দৰ্শকক আপ্লুত কৰে। এই অনুষ্ঠানৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী আছিল মুনিন্দ্ৰ কুমাৰ নাথৰ ৰচনাৰে 'জুবিনদা তুমি কুশলে থাকা' নামৰ নাটখন। ধৰ্মেন্দ্ৰ নাথে পৰিচালনা কৰা এই নাট্য মুহূৰ্তই উপস্থিত সকলোকে আৱেগিক কৰি তোলা পৰিলক্ষিত হয়। ৰঞ্জন কুমাৰ মহন্ত আৰু দিগন্ত বৰাৰ কবিতায়ো অনুষ্ঠানৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰে। আনহাতে এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানতে দিনৰ ভাগত অনুষ্ঠিত হৈ যোৱা চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। প্ৰায় কুৰিজন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত জুবিন গাৰ্গৰ প্ৰতিকৃতি অংকন কৰি প্ৰথম স্থান লাভ কৰে প্ৰিঞ্চী সূত, দ্বিতীয় স্থান লাভ কৰে ড্ৰিমলী দেৱী, তৃতীয় স্থান লাভ কৰে লক্ষ্যজিৎ হাজৰিকা আৰু নিচুকনি পুৰস্কাৰ লাভ কৰে মৌচুম নাথে। কাৰ্যসূচী সাফল্যমণ্ডিত হোৱাত সহযোগিতা আগবঢ়োৱা প্ৰতিগৰাকী শুভাকাংক্ষীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ভৱনৰ সম্পাদক ত্ৰৈলোক্য মোহন নাথে।

মৰঙিত বনৰীয়া হাতীৰ আক্ৰমণত আহত দ্ৰোণ হাজৰিকাৰ চিকিৎসাধীন অৱস্থাত মৃত্যু

অসম বাৰ্তা, নুমলীগড়, ২২ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ মৰঙিৰ ৫ নং ৰংবং নিবাসী দ্ৰোণ হাজৰিকাই অৱশেষত মৃত্যুৰে যুঁজত হাৰ মানিলে। যোৱা ১ ছেপ্টেম্বৰত ঘৰৰ সমীপৰ পথেৰে আহি থকা অৱস্থাত বনৰীয়া হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছিল দ্ৰোণ হাজৰিকা। হাতীৰ আক্ৰমণত সংকটজনকভাৱে আহত লোকজনক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কিন্তু চিকিৎসাধীন অৱস্থাত অৱশেষত তেওঁৰ মৃত্যু হয়। পৰিয়ালৰ লোকৰ মতে, দ্ৰোণ হাজৰিকাৰ চিকিৎসাৰ বাবে ইতিমধ্যে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালটোৱে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। বিভিন্ন প্ৰতিকূলতাৰ মাজতো তেওঁক সুস্থ কৰি তুলিবলৈ পৰিয়ালটোৱে চিকিৎসাৰ ক্ষেত্ৰত কোনো ত্ৰুটি নকৰাকৈ চেষ্টা চলাই গৈছিল। কিন্তু সকলো প্ৰচেষ্টা বিফল কৰি অৱশেষত আহিল শোকাৱহ খবৰটো। দ্ৰোণ হাজৰিকাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। বনৰীয়া হাতী আৰু মানুহৰ সংঘাতৰ ফলত পুনৰ এগৰাকী লোকৰ প্ৰাণহানি হোৱা ঘটনাই স্থানীয় ৰাইজৰ মাজত উদ্বেগ বৃদ্ধি কৰিছে। মৃত দ্ৰোণ হাজৰিকাৰ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে স্থানীয় ৰাইজে।

অবৈধ সুৰাৰ বিৰুদ্ধে বৰপেটা আৰক্ষীৰ ব্যাপক অভিযান

অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ ছেপ্টেম্বৰ ঃ অবৈধ সুৰাৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি বৰপেটা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত ব্যাপক অভিযান অব্যাহত ৰাখিছে। আৰক্ষীৰ এই অভিযানত বিভিন্ন স্থানৰ পৰা বৃহৎ পৰিমাণৰ অবৈধ আইএমএফএল উদ্ধাৰ কৰাৰ লগতে স্থানীয়ভাৱে অবৈধভাৱে প্ৰস্তুত কৰা সুৰা ধ্বংস কৰা হৈছে। আৰক্ষীৰ অভিযানৰ ফলত অবৈধ সুৰাৰ ব্যৱসায় আৰু প্ৰস্তুতকৰণৰ বিৰুদ্ধে কঠোৰ বাৰ্তা প্ৰেৰণ হৈছে। জিলাখনৰ বিভিন্ন অঞ্চলত অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান অধিক তীব্ৰতৰ কৰাৰ লগতে এনে কাৰ্যকলাপৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে, অবৈধ সুৰাৰ ব্যৱসায় আৰু প্ৰস্তুতকৰণে সমাজত বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি কৰাৰ লগতে জনস্বাস্থ্যৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনে। সেয়েহে এনে কাৰ্যকলাপ ৰোধৰ বাবে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ লগতে আগন্তুক দিনতো অভিযান অধিক ব্যাপক কৰাৰ ইংগিত দিছে আৰক্ষীয়ে।

জিম্মাৰ পৰা উদ্ধাৰ ৩টা ৱাটাৰ পাম্প মটৰসহ নগদ ৩,৯৩০ টকা

বৰপেটাৰোডত ছয়জন সন্দেহযুক্ত চোৰ আটক

অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ ছেপ্টেম্বৰ ঃ বৰপেটাৰোড আৰক্ষীয়ে অভিযান চলাই যোৱা কালি ছয়জন সন্দেহযুক্ত চোৰক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোককেইজন ক্ৰমে দুলু মিয়া, অনন্ত দেৱনাথ, আমনা মাচুদ, আমিনুল হক, ইনামুল আলী আৰু হৰিশংকৰ চৌহান বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, আটকাধীন লোককেইজনৰ জিম্মাৰ পৰা তিনিটা ৱাটাৰ পাম্প মটৰ আৰু নগদ ৩,৯৩০ টকা উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আটকাধীন লোককেইজনক সোধা-পোছা কৰাৰ লগতে উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু ঘটনাটোৰ সৈতে জড়িত আন কোনো লোক আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে অনুসন্ধান চলাই আছে। ঘটনা সন্দৰ্ভত বৰপেটাৰোড আৰক্ষীৰ তদন্ত অব্যাহত আছে।

টুলুঙীয়াত ভয়ংকৰ পথ দুৰ্ঘটনা

অসম বাৰ্তা, উত্তৰ শালমাৰা, ২২ ছেপ্টেম্বৰ ঃ বঙাইগাঁও জিলাৰ টুলুঙীয়াত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন ডাম্পাৰে পিছফালৰ পৰা এখন মটৰচাইকেলত খুন্দিওৱাৰ ফলত বাইক আৰোহী এজন যুৱক গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাত আহত যুৱকজনক সংকটজনক অৱস্থাত ততাতৈয়াকৈ বঙাইগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তাৰ পৰা উন্নত চিকিৎসাৰ বাবে বঙাইগাঁও ল'ৱাৰ আসামত (lower Assam hospital) চিকিৎসাধীন হৈ আছে। জানিব পৰা মতে, আহত যুৱকজন পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ। যুৱক জনৰ নাম শিৱ জ্যোতি ভূঞা আৰু ঘৰ অভয়াপুৰীত। দুৰ্ঘটনাত জড়িত ডাম্পাৰখনৰ পঞ্জীয়ন নম্বৰ WB 73 Q 9573 আৰু মটৰচাইকেলখনৰ পঞ্জীয়ন নম্বৰ AS-19 U 5269।

বৰপেটাৰোড শাখা সত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ

অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ ছেপ্টেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে বৰপেটাৰোড শাখা সত্ৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে এক আধ্যাত্মিক আৰু সাংস্কৃতিক অনুষ্ঠান। সত্ৰ প্ৰাংগণত ভক্তি, আধ্যাত্মিকতা আৰু অসমীয়া সংস্কৃতিৰ সমন্বয়ে সৃষ্টি হৈছে এক উৎসৱমুখৰ পৰিৱেশ। মহোৎসৱৰ অন্যতম আকৰ্ষণ হিচাপে নিশাৰ ভাগত ২৫ গৰাকী মহিলাই মহাপুৰুষজনাৰ অমৰ সৃষ্টি অংকীয়া নাট পৰিৱেশন কৰে। মহিলাসকলৰ এই ব্যতিক্ৰমী নাট্য পৰিৱেশনে উপস্থিত দৰ্শকক বিশেষভাৱে আকৰ্ষিত কৰাৰ লগতে অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ আৰু নাৰীসকলৰ সাংস্কৃতিক অংশগ্ৰহণৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰে। অংকীয়া নাটৰ অভিনয়, সংলাপ, সংগীত আৰু পৰিৱেশনে সত্ৰৰ পৰিৱেশক অধিক আধ্যাত্মিক আৰু মনোমোহা কৰি তোলে। অনুষ্ঠান উপভোগ কৰিবলৈ যথেষ্ট সংখ্যক ভক্ত আৰু দৰ্শকৰ সমাগম ঘটে। উল্লেখ্য যে, শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শ, একশৰণ নামধৰ্মৰ মূলমন্ত্ৰ আৰু অসমীয়া সমাজ-সংস্কৃতিলৈ মহাপুৰুষজনাৰ অমূল্য অৱদানক স্মৰণ কৰাৰ উদ্দেশ্যে ৰাজ্যজুৰি বিভিন্ন স্থানত আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰা হৈছে। বৰপেটাৰোড শাখা সত্ৰৰ এই তিনিদিনীয়া আয়োজনেও ভক্তি আৰু সংস্কৃতিৰ এক সুন্দৰ সমন্বয়ৰ পৰিৱেশ সৃষ্টি কৰিছে।

ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সপ্তবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশন

৩১ জনীয়া নতুন সমিতি গঠন; আব্দুল খালিক লস্কৰ সভাপতি, আব্দুল চুবুৰ সম্পাদক

অসম বাৰ্তা, ডবকা, ২২ ছেপ্টেম্বৰ ঃ হোজাই জিলাৰ ডবকা বিদ্যানিকেতন প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে আজি ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সপ্তবিংশতিতম (২৭তম) দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। অধিৱেশনৰ আৰম্ভণিতে সদৌ অসম কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলন কৰে ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি আব্দুল খালিক লস্কৰে। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ কৰে পৰিষদৰ উপদেষ্টা সঞ্জয় দত্ত আৰু চামচুল আলম পাটোৱাৰীয়ে। অসমৰ হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি জামাল আহমেদ বৰভূঞাই। অধিৱেশনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক আব্দুল চুবুৰে। সভাত শিক্ষক, বিষয়া-কৰ্মচাৰী সমাজৰ বিভিন্ন জ্বলন্ত সমস্যা, বিশেষকৈ অষ্টম দৰমহা আয়োগ, ডি, এ, বকেয়া, এছ, আৰ, ডি, শিক্ষকৰ সমস্যা আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয় আৰু বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰা হয়। অধিৱেশনৰ অন্তত আব্দুল খালিক লস্কৰক পুনৰ সভাপতি আৰু আব্দুল চুবুৰক সম্পাদক হিচাপে লৈ ৩১ জনীয়া নতুন ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সমিতি গঠন কৰা হয়। অধিৱেশনত আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি জামাল আহমেদ বৰভূঞা উপস্থিত থাকে। জিলা পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে হোজাই জিলা কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি মছৰুফ আলী বৰভূঞা। লগতে ডবকা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ উপদেষ্টা মাখন চন্দ্ৰ বিশ্বাস, চামচুল আলম পাটোৱাৰী, সঞ্জয় দত্ত, উপ-সভাপতি ৰফিকুল ইছলাম প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি অধিৱেশনত উপস্থিত থাকে।

DRIৰ অভিযানত দুজনক আটক; দুখন বাইক জব্দ

বান্দৰচলিয়াত ৮৬টা জীৱিত কেকো সাপ উদ্ধাৰ

অসম বাৰ্তা, মৰিয়নি, ২২ ছেপ্টেম্বৰ ঃ তিতাবৰৰ বান্দৰচলিয়াত মঙলবাৰে দুপৰীয়া গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই ৮৬টা জীৱিত কেকো সাপ উদ্ধাৰ কৰিছে Directorate of Revenue Intelligence (DRI)ৰ এটা দলে। মৰিয়নী বনাঞ্চলিক বিষয়াৰ সহযোগত চলোৱা এই অভিযানত দুজন লোকক আটক কৰাৰ লগতে দুখন বাইকো জব্দ কৰে DRIৰ দলে। আটকাধীন লোক দুজনৰ এজন নামৰূপীয়া জংঘলব্লকৰ ৰাজু কাইঠা আৰু আনজন নাগালেণ্ডৰ আকাহুটো বস্তিৰ আণ্টু ৰাতস বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত মঙলবাৰে দুপৰীয়া বান্দৰচলিয়া অঞ্চলত অভিযান চলাইছিল DRIৰ দলে। অভিযানকালত ৮৬টা জীৱিত কেকো সাপ উদ্ধাৰ কৰাৰ লগতে দুজন লোকক আটক কৰে দলটোৱে লগতে সাপ সৰবৰাহত ব্যৱহাৰ কৰা দুখন বাইকো অভিযানকাৰী দলটোৱে জব্দ কৰে। আটকাধীন দুয়োজন লোক কেকো সাপৰ চোৰাং বেহা আৰু অবৈধ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। পৰৱৰ্তী সময়ত দুয়োজনকে আদালতলৈ প্ৰেৰণ কৰা হয়। ইফালে, উদ্ধাৰ হোৱা কেকো সাপসমূহ ক'ৰ পৰা অনা হৈছিল আৰু ক'লৈ সৰবৰাহৰ পৰিকল্পনা কৰা হৈছিল, সেই সন্দৰ্ভতো DRIৰ তদন্ত অব্যাহত আছে।

২৭ ছেপ্টেম্বৰৰ পৰা তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা

ভাৰত চন্দ্ৰ দাস সোঁৱৰণী আন্তঃক্লাৱ চুপাৰ লীগ ফুটবলত চেম্পিয়ন ছয়গাঁও এফ.চি.


অসম বাৰ্তা, ছয়গাঁও, ২২ ছেপ্টেম্বৰ ঃ দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত তথা ছয়গাঁও ক্ৰীড়া সন্থা আৰু ছয়গাঁও ফুটবল ক্লাৱৰ সহযোগত ছয়গাঁও মিনি ষ্টেডিয়ামত যোৱা ১১ ছেপ্টেম্বৰৰ পৰা চলি থকা ভাৰত চন্দ্ৰ দাস সোঁৱৰণী আন্তঃক্লাৱ চুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ মঙলবাৰে সামৰণি পৰে। সামৰণি খেলখন অনুষ্ঠিত হয় ছয়গাঁও এফ চি আৰু অসম ৰাইনোৰ মাজত। ফাইনেল খেলখনৰ শুভ উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰ্জুন ছেত্ৰীয়ে। নিৰ্ধাৰিত সময়ৰ ভিতৰত খেলখন সমাপ্ত নোহোৱাত ট্ৰাই ব্ৰেকাৰৰ সহায়ত ৪-৩ গলৰ ব্যৱধানত ছয়গাঁও এফ.চি. বিজয়ী হয়। ৰাণাৰ্ছ আপৰ খিতাপ অৰ্জন কৰে অসম ৰাইনো ফুটবল ক্লাবে। বটাঁ বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যই। শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ছয়গাঁও এফ চিৰ নয়নজ্যোতি ৰাভা, শ্ৰেষ্ঠ গোলকিপাৰ সন্মান লাভ কৰে ছয়গাঁও এফ চিৰ কৃষ্ণভ দাস আৰু সৰ্বোচ্চ গল দিওঁতা হিচাপে বটাঁ লাভ কৰে অসম ৰাইনোৰ কিচবা ফিলা চিয়ানচিং বাংকিতে। আনহাতে খেল সমাপ্ত হোৱাৰ পিছতে ছয়গাঁও ক্ৰীড়া সন্থা আৰু দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাই যৌথভাৱে এখনি সংবাদমেলৰ আয়োজন কৰি অহা ২৭ ছেপ্টেম্বৰৰ পৰা হ'বলগীয়া তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাখনি সম্পৰ্কে সম্পাদক বিশ্বজিৎ দাসে আঁত ধৰে। আনহাতে প্ৰথম দিনা অৰ্থাৎ ২৭ ছেপ্টেম্বৰত শিলচৰৰ লেগুৰোল এফ চি বনাম মিজোৰামৰ লুচাই এফ চিৰ মাজত খেল অনুষ্ঠিত হ'ব। ২৯ ছেপ্টেম্বৰত গুৱাহাটীৰ মহাৰাণা এ চি বনাম কোকৰাঝাৰৰ জুলৈই এফ চিৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হ'ব। ২ অক্টোবৰত মণিপুৰৰ ফুটবল ফৰ চেঞ্জ বনাম ছয়গাঁও এফ চিৰ মাজত খেল অনুষ্ঠিত হ'ব। ৪ অক্টোবৰত যোৰহাট টাউন ক্লাব বনাম গ্লোবেল এফ চি গোঁসাই গাঁৱৰ মাজত খেল অনুষ্ঠিত হ'ব। ৫ আৰু ৬ ছেপ্টেম্বৰত ছেমি ফাইনেল খেলখন অনুষ্ঠিত হ'ব। ৮ অক্টোবৰত ফাইনেল খেল অনুষ্ঠিত হ'ব। এইখিনিতে উল্লেখযোগ্য যে খেলৰ আৰম্ভণিতে পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ লগতে বকো ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেচ উপস্থিত থাকিব। খেলৰ প্ৰতি দিনাই গীত-মাতৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

গুৰুজনাৰ ৫৭৮ সংখ্যক জয়ন্তীত হৰিনামৰ ধ্বনিৰে মুখৰ লখিমপুৰৰ তেলিয়া গাঁও-নামঘৰ

অসম বাৰ্তা, লীলাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ 'জয় গুৰু শংকৰ সৰ্বগুণাকৰ যাকেৰি নাহিকে উপাম। তোহাৰি চৰণকু ৰেণু শতকৌটিবাৰেক কৰোহো প্ৰণাম।' ৰূপান্তৰৰ খনিকৰ, বৰ অসমৰ ভেটি গঢ়োতা আৰু অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি ৫৭৮ সংখ্যক জয়ন্তী। সমগ্ৰ ৰাজ্যৰ লগতে ১৯০৭ চনত স্থাপিত ঐতিহ্যমণ্ডিত তেলিয়া গাঁও নামঘৰতো ২১ ছেপ্টেম্বৰত এদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ভক্তি-শ্ৰদ্ধাৰে পালন কৰে মহাপুৰুষগৰাকীৰ জয়ন্তী। কাৰ্যসূচী অনুসৰি পুৱাৰে পৰা নাম-প্ৰসংগ, কীৰ্তন-পাঠ আদি সমূহ পৰিৱেশন কৰে। দুপৰীয়া নাম-প্ৰসংগৰ কাৰ্যসূচীত মূলত নামাচাৰ্য হিচাপে মোলোকা নাথ আৰু পাঠত আচাৰ্য ৰূপে কুসুম শইকীয়াই অংশ লয়। ভাদ মাহৰ মাহজোৰা ভদীয়া নামৰ অন্ত পৰিল যদিও গুৰুজনাৰ জয়ন্তী উপলক্ষে গাঁওবাসী স্থানীয় ভক্তৰ সমাগম হয়। মহাপুৰুষ শংকৰদেৱৰ জন্মোৎসৱৰ পবিত্ৰ দিনাই বিয়লি বেলা তেলিয়া গাঁও ও নামঘৰ পৰিচালনা সমিতিৰ সভাপতি নিৰ্মল হাজৰিকা, সাধাৰণ সম্পাদক, বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচ, নামঘৰ বিষয়ববীয়া, জ্যেষ্ঠজন, ভকত-বৈষ্ণৱ, আইসকল, গাঁওবাসী স্থানীয় ভক্ত সকলৰ উপস্থিতিত সৰ্বসন্মত মতৰ সিদ্ধান্তক্ৰমে নামঘৰীয়া পদত ইতিপূৰ্বে মনোনীত কৰা দেউৰী খগেন শইকীয়াক অস্থায়ী নামঘৰীয়া ক্ষীৰোদ দত্ত ওৰফে সোমধৰ দত্তই আনুষ্ঠানিকভাৱে নামঘৰীয়াৰ দায়িত্ব হস্তান্তৰ প্ৰক্ৰিয়া সমাপন কৰে। তেলিয়া গাঁও ও নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক ৰূপজ্যোতি দত্ত কোচে ৩৩ দিনীয়া ভদীয়া নামত অংশলৈ সাফল্যমণ্ডিত কৰি তোলা অতিথি নামাচাৰ্য সৰ্বশ্ৰী পদ্মেশ্বৰ নাথ, বুবুল চুতীয়া, মোলোকা নাথ, গোলোক হাজৰিকা, ধৰণী শইকীয়া, গোবিন্দ্ৰ বৰুৱা, গোবিন শইকীয়াকে প্ৰমুখ্য কৰি দেউৰী, বিলনীয়া, ভকত-বৈষ্ণৱসকল, আইসকল, যুৱক-যুৱতীসকল, গাঁওবাসী ভক্তপ্ৰাণ ৰাইজলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

উভয়ৰে সমন্বয়ত জিলা আয়ুক্তৰ গুৰুত্ব

নগাঁও উপনিৰ্বাচন; আৰক্ষী-অসামৰিক জ'নেল-ছেক্টৰ বিষয়াৰ যৌথ সভা



অসম বাৰ্তা, নগাঁও, ২২ ছেপ্টেম্বৰ ঃ ৯ নং নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচন সম্পূৰ্ণ নিৰপেক্ষ, স্বচ্ছ আৰু শান্তিপূৰ্ণ পৰিৱেশত অনুষ্ঠিত কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ উদ্যোগত সকলো অসামৰিক আৰু আৰক্ষী, আঞ্চলিক বিষয়া (জ'নেল) আৰু খণ্ড বিষয়া (ছেক্টৰ) সকলৰ এখন যৌথ সভা অনুষ্ঠিত কৰা হয়। নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ যৌথ সমন্বয় সভাখনত সভাপতিত্ব কৰি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া আৰণ্যক শইকীয়াই কয় যে, আৰক্ষী আৰু অসামৰিক বিষয়াৰ সুন্দৰ সমন্বয়তহে এটা নিৰ্বাচন সুকলমে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিব পৰা যায়। সেয়ে তেওঁ উভয় ক্ষেত্ৰৰ জোনেল আৰু ছেক্টৰ বিষয়াসকলক নিয়মীয়া আৰু কাৰ্যকৰীভাৱে পাৰস্পৰিক যোগাযোগ স্থাপনৰ পৰামৰ্শ দিয়ে। তেওঁ স্পষ্ট কৰি দিয়ে যে গণতন্ত্ৰৰ এই উৎসৱক সফল কৰি তুলিবলৈ অসামৰিক আৰু আৰক্ষী বাহিনীৰ মাজত সুদৃঢ় ক্ষেত্ৰভিত্তিক সমন্বয় থকাটো একান্ত অপৰিহাৰ্য। জ'নেল আৰু চেক্টৰ বিষয়াসকলক নিজ নিজ এলেকাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ নিয়মীয়াকৈ পৰিদৰ্শন কৰি পৰিস্থিতিৰ তদাৰক কৰিবলৈ আৰু সম্ভাব্য সমস্যাসমূহ আগতীয়াকৈ চিনাক্ত কৰি সমাধানৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি. ভি. ৰাকেশ ৰেড্ডীয়ে জিলাখনৰ সামগ্ৰিক আইন-শৃংখলা পৰিস্থিতি সুৰক্ষিত ৰখাৰ বাবে গ্ৰহণ কৰা নিৰাপত্তা ব্যৱস্থাসমূহৰ ৰূপৰেখা দাঙি ধৰে। সংবেদনশীল ভোটগ্ৰহণ কেন্দ্ৰসমূহত বিশেষ নজৰ ৰখা, নিৰাপত্তা বাহিনীৰ তহল বৃদ্ধি কৰা আৰু সকলো ধৰণৰ সমাজবিৰোধী কাৰ্যকলাপ ৰোধ কৰিবলৈ আৰক্ষী বিষয়াসকলক অতি সজাগ হৈ থাকিবলৈ আহ্বান জনায়। সভাত বিশেষভাৱে গুৰুত্ব দিয়া হয় এটা সুৰক্ষিত পৰিৱেশ গঢ়ি তোলাৰ ওপৰত, যাতে প্ৰত্যেকগৰাকী ভোটাৰে কোনো ধৰণৰ ভয়-ভীতি বা বাধা নোহোৱাকৈ নিজৰ সাংবিধানিক ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে। সভাখনত নিৰ্বাচনী প্ৰক্ৰিয়াটো যাতে শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিব পৰা যায়, তাৰ ওপৰত সভাত বিষদভাৱে আলোচনা কৰা হয়। সভাত অতিৰিক্ত জিলা আয়ুক্ত গোপাল শৰ্মা, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰৌজি তালুকদাৰ, নিৰ্বাচন বিষয়া প্ৰতিশা দত্ত আদিও উপস্থিত থাকে।

ডুমডুমাত উপস্থিত ছট্টিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা; বিভিন্ন সংগঠনৰ সম্বৰ্ধনা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২২ ছেপ্টেম্বৰ ঃ এক চমু ব্যক্তিগত ভ্ৰমণসূচীৰে আজি ডুমডুমাত আহি উপস্থিত হয় ছট্টিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা। ৰাজ্যপাল হিচাপে প্ৰথমবাৰৰ বাবে আহি ডুমডুমাত উপস্থিত হোৱা ৰমেন ডেকাক ডুমডুমা প্ৰেছ ক্লাবৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। ডুমডুমাৰ টি চিটি গেষ্ট হাউচত ৰাজ্যপালগৰাকীক প্ৰেছ ক্লাবৰ উপদেষ্টা অৰ্জুন বৰুৱাই এখনি ফুলাম গামোচাৰে আদৰণি জনোৱাৰ লগতে জেষ্ঠ সদস্য ধীৰেন ডেকাই এখনি চেলেং চাদৰেৰে আদৰণি জনায়। সৌজন্যমূলক এই সাক্ষাতত ৰাজ্যপাল গৰাকীৰ সৈতে ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা উপস্থিত থকাৰ উপৰি প্ৰেছ ক্লাবৰ সভাপতি অনুজ কলিতা, প্ৰাক্তন সভাপতি মনোজ দত্ত, সম্পাদক মনোজ বৰুৱা, সহকাৰী সম্পাদক দেবেন ডেকা, কাৰ্যালয় সম্পাদক কুলধৰ বৰ্মণ, কাৰ্যনিৰ্বাহক সদস্য ৰাজেশ কুমাৰ প্ৰসাদ, নোৱান্তিক ওৰাং, গোৰখনাথ গুপ্তা আৰু জেষ্ঠ সদস্য দীনেশ গোয়েল উপস্থিত আছিল। টি চিটি গেষ্ট হাউচত আহি উপস্থিত হোৱাৰ লগে লগে তেখেতক ডুমডুমা সম-জিলা আয়ুক্ত নুজহাৎ নাছৰিনে আদৰণি জনোৱাৰ উপৰি ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্যও আদৰণি জনায়। ইয়াৰ পূৰ্বে তেওঁ ডুমডুমা নামঘৰত উপস্থিত হৈ সেৱা লয়। তেখেতক নামঘৰ সমিতিয়ে এখনি ফুলাম গামোচা, চেলেং চাদৰ আৰু এখনি শৰাইৰে সম্বৰ্ধনা জনায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ অনুষ্ঠিত হৈ থকা নামঘৰৰ এই পবিত্ৰ মজিয়াত উপস্থিত হৈ তেখেতে নিজকে ধন্য মানি চমুকৈ দুআষাৰ বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ডুমডুমা নামঘৰ সমিতিৰ সভাপতি গোবিন্দ ফুকন, সম্পাদক অজিত কুমাৰ পাঠকৰ লগতে নামঘৰ সমিতিৰ সমূহ বিষয়ববীয়া, সদস্য আৰু আইসকল উপস্থিত আছিল। ইয়াৰ পাছতে ৰাজ্যপালগৰাকী ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰত অলপ সময়ৰ বাবে উপস্থিত হোৱাত সমিতিয়ে তেখেতক এখন ফুলাম গামোচা, এখন গল বস্ত্ৰ, এখনি শৰাই আৰু এটি স্মাৰকৰে সম্বৰ্ধনা জনায়। এই অনুষ্ঠানতে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ তৰকৰ পৰা এখনি চেলেং, এখন গামোচা আৰু এটি কিতাপৰ টোপোলা আগবঢ়োৱা হয়। সম্বৰ্ধনাৰ উত্তৰত তেখেতে ধন্যবাদ সূচক এটি চমু বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ উপ সভাপতি বিমলা বৰুৱা, সম্পাদক হেমন্ত মহন্ত, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, সম্পাদক নিত্যানন্দ দাস প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। এক চমু ব্যক্তিগত ভ্ৰমণসূচীৰে ডুমডুমালৈ অহা ছট্টিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই তেখেতৰ আত্মীয় তথা ডুমডুমা প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক প্ৰয়াত গোলোক ডেকাৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ সৈতে মত বিনিময় কৰে। ব্যক্তিগত এই চমু ভ্ৰমণসূচীত তেখেতৰ সৈতে তেওঁৰ পত্নী আৰু কন্যাও উপস্থিত আছিল।

যুৱ-সমাজক আগুৱাই নিয়াৰ

সংলাপ” অনুষ্ঠিত হয়। অসমৰ ভৱিষ্যৎ নিৰ্মাণত যুৱ সমাজৰ চিন্তা, মুক্ত মতামত আৰু সৃষ্টিশীলতাক ৰাজনৈতিক-সামাজিক মঞ্চলৈ আগুৱাই নিয়াৰ লক্ষ্যৰে আয়োজিত এই দিনজোৰা সন্মিলনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ছয় শতাধিক নিৰ্বাচিত যুৱ প্ৰতিনিধি, মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট বুদ্ধিজীৱীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হাৰ্টথ্ৰব শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন তথা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি, যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে। বন্তি প্ৰজ্বলন অনুষ্ঠানত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, অসম বিধানসভাৰ বিৰোধী উপ-দলপতি ডাঃ জয়প্ৰকাশ দাস, প্ৰাক্তন সাংসদদ্বয় বলীন কুলী আৰু আব্দুল খালেক, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপুল গগৈ, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, এপিচিচিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, সেৱা দলৰ অধ্যক্ষ দ্বীপ বায়ন আৰু জ্যেষ্ঠ নেতা জয়ন্ত খাউণ্ডকে ধৰি দলৰ বহুসংখ্যক শীৰ্ষ নেতৃত্বই অংশ লয়। অনুষ্ঠানৰ উদ্বোধন কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে কয় যে এখন সুস্থ গণতান্ত্ৰিক সমাজত যুৱ প্ৰজন্মই ৰাজনীতিৰ পৰা আঁতৰি থকাৰ কোনো সুযোগ নাই, কিয়নো চৰকাৰ আৰু ৰাজনীতিয়েই শিক্ষাৰ বাজেট, বিশ্ববিদ্যালয়ৰ মাচুল, ছাত্ৰবৃত্তি, পৰিৱেশ সংৰক্ষণ আৰু থলুৱা সংস্কৃতিৰ সুৰক্ষাৰ দিশ নিৰ্ধাৰণ কৰে। শাসকীয় পক্ষৰ দমন নীতি আৰু বিভাজনৰ ৰাজনীতিক সমালোচনা কৰি তেওঁ কয় যে লাঠি বা পুলিচৰ ভয়েৰে নহয়, ভিন্নমতক সন্মান জনাই তথ্য আৰু যুক্তিভিত্তিক আলোচনাৰেহে সমাজক আগুৱাই নিব পাৰি। আদৰণি ভাষণত বিধানসভাৰ বিৰোধী উপ-দলপতি ডাঃ জয়প্ৰকাশ দাসে যুৱ সংলাপৰ মূল উদ্দেশ্য ব্যাখ্যা কৰাৰ বিপৰীতে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে প্ৰযুক্তিৰ দ্ৰুত পৰিৱৰ্তনৰ লগত সংগতি ৰাখি নৱপ্ৰজন্মক যুক্তিপূৰ্ণ চিন্তাচৰ্চা কৰিবলৈ আহ্বান জনায়। সমাৰোহৰ প্ৰথমখন সত্ৰত “জলবায়ু পৰিৱৰ্তন বনাম উন্নয়ন” শীৰ্ষক অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়টোক লৈ মূল বক্তা হিচাপে বক্তব্য দাঙি ধৰে আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ কৰ্মী তথা বিশিষ্ট লেখক ঋতুৰাজ ফুকনে। বিশ্বৰ ৰ.পু ডিগ্ৰী ছেলছিয়াছ উষ্ণতা বৃদ্ধিৰ ভয়াৱহ সীমা ইতিমধ্যে অতিক্ৰম কৰাৰ উপক্ৰম হোৱা বুলি সকীয়াই দি ফুকনে কয় যে জলবায়ু পৰিৱৰ্তনৰ বিধ্বংসী ৰূপ প্ৰত্যক্ষ কৰা আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে পদক্ষেপ ল'ব পৰা অন্তিম প্ৰজন্ম হৈছে বৰ্তমানৰ যুৱ প্ৰজন্ম। ২০১৩ চনৰ এণ্টাৰ্কটিকা অভিযান আৰু লাৰ্চেন-বি আইচ শ্বেলফ গলনৰ প্ৰত্যক্ষ অভিজ্ঞতা স্মৰণ কৰি তেওঁ কয় যে পৃথিৱী এতিয়া ‘এণ্ট্ৰপ'চিন’ যুগত প্ৰৱেশ কৰিছে, য'ত মানুহৰ অবিবেচক কাৰ্যকলাপেই গোলকীয় বিনাশৰ কাৰণ হৈ পৰিছে। নেপাল আৰু তিব্বত সীমান্তৰ হিমবাহ খহি হোৱা বিধ্বংসী বানপানীৰ উদাহৰণ দি তেওঁ সকীয়াই দিয়ে যে ভূটান আৰু অৰুণাচল প্ৰদেশত থকা হিমবাহসমূহ দ্ৰুতগতিত বৃদ্ধি পাই একো একোটা ‘টাইম বম'লৈ ৰূপান্তৰিত হৈছে, যাৰ ফলত যিকোনো মুহূৰ্তত আকস্মিক বান (GLOF) হৈ ব্ৰহ্মপুত্ৰ উপত্যকা নিঃশেষ হৈ যাব পাৰে। ব্ৰহ্মপুত্ৰৰ ৩০ শতাংশ পানী হিমবাহৰ গলনৰ পৰা আহে বুলি উল্লেখ কৰি তেওঁ কয় যে নদ-নদী শুকাই যোৱাৰ আঁৰত বৃষ্টিপাতৰ অনিয়মীয়া চৰিত্ৰ আৰু বাষ্পীভৱনো দায়ী। নৱীকৰণযোগ্য শক্তিৰ প্ৰসংগত ফুকনে স্পষ্টকৈ কয় যে সূৰ্যৰ পৰা পৃথিৱীয়ে মাত্ৰ ডেৰ ঘণ্টাত যিমান শক্তি লাভ কৰে, সিয়ে সমগ্ৰ বিশ্বৰ এবছৰৰ শক্তিৰ চাহিদা পূৰণ কৰিব পাৰে; কিন্তু কয়লা আৰু তেলৰ ব্যৱসায় নিয়ন্ত্ৰণ কৰা মুষ্টিমেয় ধনী দেশ আৰু পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থত এই সেউজ শক্তিক মুক্ত হ'বলৈ দিয়া হোৱা নাই। এই সত্ৰৰ অন্তত উচ্চতম ন্যায়ালয়ৰ অধিবক্তা আমন ৱাদুদৰ সঞ্চালনাত এখন উচ্চ পৰ্যায়ৰ পেনেল আলোচনা অনুষ্ঠিত হয়, য'ত বন্যপ্ৰাণী জীৱবিজ্ঞানী নীলিম মহন্ত, অভিনেতা অৰ্ঘদীপ বৰুৱা, সামাজিক কৰ্মী শ্বাহনাজ শ্বাহীন আৰু ছাত্ৰ তৰ্কবিদ আগস্ত্য কাশ্যপে অংশ লৈ গুৱাহাটীৰ কৃত্ৰিম বান, পাহাৰ খনন, প্ৰাকৃতিক জলাশয় সংৰক্ষণ আৰু কাজিৰঙাৰ ইকো-চেনচিটিভ জ'ন হ্ৰাস কৰাৰ চৰকাৰী ভুল নীতি সম্পৰ্কে বিতং তথ্য দাঙি ধৰে। সমাৰোহৰ দ্বিতীয় সত্ৰত “অসমৰ সংস্কৃতি: আমাৰ সংস্কৃতি, আমাৰ পৰিচয়” শীৰ্ষক বিষয়ত মুখ্য বক্তাৰূপে অংশ লৈ এক সাৰুৱা আৰু ঐতিহাসিক ভাষণ প্ৰদান কৰে বিশিষ্ট সংগীতশিল্পী মানস ৰবীনে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পূৰ্বলৈকে অসম ভাৰতৰ মূলসুঁতিৰ ৰাজনৈতিক শাসনৰ বাহিৰত আছিল বুলি উল্লেখ কৰি ৰবীনে কয় যে অসমক আধ্যাত্মিক আৰু সাংস্কৃতিকভাৱে ভাৰতবৰ্ষৰ লগত প্ৰথম সংযোগ কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। অসমীয়া লোকসংগীতৰ নিজা স্বকীয়তা আৰু তালৰ বিষয়ে ব্যাখ্যা কৰি তেওঁ কয় যে অসমীয়া লোকগীতৰ মূল ছন্দ হৈছে ‘৬/৮’ তাল, আনহাতে উত্তৰ ভাৰতীয় সংগীত বেছিভাগ ‘৪/৪’ তালত আধাৰিত। শংকৰদেৱে এই দুয়োটা শৈলীৰ সুন্দৰ সমন্বয় ঘটাই বৰগীতসমূহ ৰচনা কৰিছিল। অসমৰ ৰাজনীতি আৰু সংস্কৃতিৰ মূল চালিকা শক্তি যে আঞ্চলিকতাবাদ, সেই কথা দোহাৰি মানস ৰবীনে কয় যে গোপীনাথ বৰদলৈয়ে কংগ্ৰেছত থাকি অসমক পূব পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাৰ পৰা ৰক্ষা কৰিছিল আৰু ভীমবৰ দেউৰীয়েও বলিষ্ঠ আঞ্চলিকতাবাদী চেতনাৰ নিদৰ্শন দাঙি ধৰিছিল। কমৰেড বিষ্ণুপ্ৰসাদ ৰাভাই ‘নতুন ভাৰত গঢ়িম’ বুলি কোৱাৰ সমান্তৰালভাৱে অসমৰ স্বকীয়তাকো প্ৰাধান্য দিছিল। তেওঁ স্পষ্ট কৰি দিয়ে যে অসম আন্দোলনৰ পৰা ‘কা’ বিৰোধী আন্দোলনলৈকে সকলো সংগ্ৰাম আছিল স্বতন্ত্ৰ আঞ্চলিক চেতনাৰ বহিঃপ্ৰকাশ, আৰু নিজৰ ভাষা, কৃষ্টি তথা জাতিক জলাঞ্জলি দি কোনো সৰ্বভাৰতীয় চিন্তা সফল হ'ব নোৱাৰে। একেখন সত্ৰতে বিশিষ্ট গীতিকাৰ আৰু সুৰকাৰ দিগন্ত ভাৰতীয়ে মানৱ সভ্যতা আৰু সংস্কৃতিৰ সম্পৰ্কক এক দাৰ্শনিক আৰু বৈজ্ঞানিক মাত্ৰা প্ৰদান কৰে। ১৩.৮ বিলিয়ন বছৰ পূৰ্বে বিগ বেঙৰ জৰিয়তে সৃষ্টি হোৱা বিশ্বব্ৰহ্মাণ্ডৰ পৰা আৰম্ভ কৰি ৭০ হাজাৰ বছৰ পূৰ্বে হোমো চেপিয়েন্সে গঢ়ি তোলা পাৰস্পৰিক সহযোগিতাই সংস্কৃতিৰ জন্ম দিছিল বুলি তেওঁ উল্লেখ কৰে। দিগন্ত ভাৰতীয়ে কয় যে সংস্কৃতি কেৱল নাচ-গান বা ভাওনাতেই সীমাবদ্ধ নহয়; মানুহৰ দৈনন্দিন জীৱন-যাত্ৰা, খাদ্যভাস, সাজ-পোছাক, ভাষা আৰু সমন্বয়ৰ মাজতেই সংস্কৃতি জীয়াই থাকে। আজান পীৰৰ জিকিৰ আৰু ৰবীন্দ্ৰনাথৰ সমন্বয়ৰ আদৰ্শ স্মৰণ কৰি তেওঁ কয় যে বিশ্বায়ন আৰু আধুনিক বিজ্ঞানৰ সুবিধাসমূহ গ্ৰহণ কৰিব লাগিব যদিও নিজৰ শিপাক কেতিয়াও এৰি দিয়া অনুচিত। গোলকীয় উষ্ণতা বৃদ্ধি আৰু ‘এল নিনো’ৰ দৰে জলবায়ু পৰিৱৰ্তনে কৃষিৰ লগতে সংস্কৃতিৰ ওপৰতো আঘাত সানিছে বুলি সকীয়াই দি তেওঁ কয় যে প্ৰকৃতি বিনষ্ট হ'লে পেঁপা, গগনা আৰু মুগা বস্ত্ৰ সকলো চিৰদিনলৈ হেৰাই যাব। প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ হেপী গগৈৰ সঞ্চালনাত অনুষ্ঠিত দ্বিতীয়খন পেনেল আলোচনাত চিত্ৰশিল্পী নীলিম মহন্ত, গৱেষিকা সুকন্যা দত্ত, অনাতাঁৰ শিল্পী ময়ূৰী চৌধুৰী আৰু ফেশ্বন ডিজাইনাৰ পাপৰি গগৈয়ে ভাগ লৈ থলুৱা পাট-মুগা শিল্পৰ সংকট, শিপিনীসকলৰ দুৰৱস্থা, প্ৰাথমিক শিক্ষাত চিত্ৰকলাৰ অন্তৰ্ভুক্তি আৰু আধুনিক ডিজিটেল প্লেটফৰ্মত থলুৱা সংগীতৰ বিশ্বায়ন সম্পৰ্কে বিস্তৃত আলোচনা কৰে। সমাৰোহৰ তৃতীয় তথা অন্তিম সত্ৰত যুৱ প্ৰজন্মৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয় “এডুকেশ্যন টু আনএমপ্লয়মেণ্টঃ ডিগ্ৰী আনলক, জবছ লক” শীৰ্ষক সত্ৰত মুখ্য বক্তা হিচাপে অংশ লৈ দেশৰ শিক্ষা আৰু সংস্থাপন ব্যৱস্থাক চোকা ভাষাৰে সমালোচনা কৰে এআইচিচিৰ এনএছইউআই ইনচাৰ্জ তথা জেএনইউ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি কানহাইয়া কুমাৰে। “জয় আই অসম” আৰু “জয় জুবিন দা” ধ্বনিৰে নিজৰ ভাষণ আৰম্ভ কৰি তেওঁ কয় যে অসমৰ সংস্কৃতিত জুবিন গাৰ্গৰ গীত আৰু জাতীয় চেতনাই যিদৰে মানুহক একত্ৰিত কৰে, ঠিক তেনেদৰেই আজিৰ যুৱ প্ৰজন্মৰ ঐক্যইহে দেশৰ ভৱিষ্যৎ ৰক্ষা কৰিব পাৰিব। যুৱ প্ৰজন্মৰ সংজ্ঞা দাঙি ধৰি তেওঁ কয়, “যুৱ প্ৰজন্ম কোনো বয়সৰ সংখ্যা নহয়, ই হৈছে এক মানসিক অনুভূতি আৰু চেতনা। অন্যায়ৰ ওচৰত মূৰ নোদোৱাই ক্ষমতাশালী শাসনতন্ত্ৰক প্ৰশ্ন কৰিব পৰা আৰু নিজৰ সাংবিধানিক অধিকাৰ সাব্যস্ত কৰিব পৰা শক্তিয়েই হৈছে প্ৰকৃত যুৱশক্তি।” দেশৰ বৰ্তমানৰ নিবনুৱা সমস্যাৰ ভয়াৱহ পৰিসংখ্যা দাঙি ধৰি কানহাইয়া কুমাৰে ক্ষোভ প্ৰকাশ কৰি কয়, “ভাৰতবৰ্ষ আজি বিশ্বৰ আটাইতকৈ যুৱ দেশ, পৃথিৱীৰ প্ৰতি পাঁচজন যুৱকৰ এজন ভাৰতীয়। কিন্তু চৰকাৰৰ ভুল নীতিৰ বাবে স্বাধীন ভাৰতৰ ইতিহাসত সৰ্বাধিক নিবনুৱা সমস্যাও আজিৰ এই যুৱ ভাৰতেই প্ৰত্যক্ষ কৰিছে।” চৰকাৰৰ শ্লোগান আৰু বাস্তৱৰ মাজৰ পাৰ্থক্য উদঙাই তেওঁ কয়, “চৰকাৰে এফালে শ্লোগান দিয়ে ‘বেটি বচাও, বেটি পঢ়াও’, কিন্তু বাস্তৱত দিনৰ পোহৰ মাৰ যোৱাৰ পিছত ঘৰৰ পৰা ওলাই যাবলৈ আমাৰ জীয়ৰী-বোৱাৰীসকল সুৰক্ষিত নহয়। চৰকাৰে গৌৰৱেৰে ‘স্কিল ইণ্ডিয়া’ৰ প্ৰচাৰ চলায়, কিন্তু প্ৰকৃত সত্যটো হৈছে ‘কিল ইণ্ডিয়া’, কিয়নো কৰ্মসংস্থাপনহীনতা আৰু ভৱিষ্যতৰ অন্ধকাৰৰ বাবে দেশত প্ৰতি ঘণ্টাত দুজন যুৱকে আত্মহত্যাৰ পথ বাছি ল'বলৈ বাধ্য হৈছে।” উচ্চশিক্ষাৰ শোচনীয় অৱস্থাৰ কথা উল্লেখ কৰি কানহাইয়া কুমাৰে কয়, “বিগত পাঁচ বছৰত দেশৰ ডেৰ শতাধিক প্ৰিমিয়াৰ ইঞ্জিনিয়াৰিং প্ৰতিষ্ঠান বন্ধ হৈ পৰিছে। গুৱাহাটী বিশ্ববিদ্যালয় বা আইআইটি বোম্বেৰ দৰে অগ্ৰণী শিক্ষানুষ্ঠানতো ৫০ শতাংশ স্নাতক ছাত্ৰ-ছাত্ৰীয়ে কেম্পাছ প্লেচমেণ্ট লাভ কৰিব পৰা নাই। ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী অৰ্জন কৰিছে যদিও সংস্থাপনৰ দুৱাৰত তলা ওলমি আছে।” শাসকীয় পক্ষক তীব্ৰ কটাক্ষ কৰি তেওঁ কয়, “বিজেপি চৰকাৰে শিক্ষিত সমাজ আৰু প্ৰশ্ন সোধা যুৱক-যুৱতীসকলক ভয় কৰে। সেইবাবেই দেশৰ প্ৰধানমন্ত্ৰীয়ে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ মেধাৰ বিপৰীতে হাৰ্ডৱৰ্কৰ তুলনা কৰি শিক্ষাক উপহাস কৰে আৰু প্ৰশ্ন উত্থাপন কৰা বিশ্ববিদ্যালয়সমূহৰ ওপৰত আক্ৰমণ চলাই ছাত্ৰ-ছাত্ৰীক দেশদ্ৰোহী নাইবা ‘টুকৰে টুকৰে গেং’ বুলি বদনাম জাপি দিয়ে।” কৰ সংগ্ৰহ আৰু চৰকাৰী দায়িত্বহীনতাক সমালোচনা কৰি তেওঁ কয়, “জনগণে চৰকাৰক কৰ দিয়ে বিশুদ্ধ খোৱাপানী, পৰিষ্কাৰ বতাহ, উন্নত পথ, নিৰাপত্তা আৰু নিয়োগৰ বাবে। কিন্তু আজি আমাৰ অৱস্থা এনে হৈছে যে কৰ দিয়াৰ পিছতো মানুহে ঘৰত পানী আৰু বায়ু বিশুদ্ধকৰণ যন্ত্ৰ কিনিব লগা হৈছে, গাড়ী ক্ৰয় কৰোঁতে ৰোড টেক্স দিয়াৰ পিছতো ঘাইপথত পুনৰ টোল টেক্স ভৰিব লগা হৈছে। বিনিময়ত চৰকাৰে জনতাক মাত্ৰ পাঁচ কিলোগ্ৰাম খাদ্যশস্য দি সকলো মূল সমস্যাৰ পৰা হাত সাৰিব বিচাৰিছে।” চৰকাৰী বিদ্যালয় বন্ধ হোৱাৰ প্ৰসংগত তেওঁ কয়, “চৰকাৰে টেলিকম খণ্ডৰ দৰে কৌশল অৱলম্বন কৰিছে- প্ৰথমে সকলো বিনামূলীয়া দেখুৱাই এতিয়া মাচুল বৃদ্ধি কৰা হৈছে। অসমত নিয়মীয়া চৰকাৰী স্কুলসমূহ বন্ধ কৰি দিয়া হৈছে, কিন্তু সমান্তৰালভাৱে ব্যক্তিগত আৰু আন্তঃৰাষ্ট্ৰীয় বিদ্যালয়ৰ ব্যৱসায় গঢ়ি তোলা হৈছে। যদি শাসকীয় দলৰ ফাইভ ষ্টাৰ হোটেলৰ দৰে ৰাজপ্ৰাসাদসদৃশ কাৰ্যালয় নিৰ্মাণ কৰিবলৈ ধন থাকে, তেন্তে ছাত্ৰ-ছাত্ৰীৰ বাবে উন্নত চৰকাৰী বিদ্যালয় আৰু হোষ্টেল নিৰ্মাণ কৰিবলৈ ধন কিয় নাথাকে?” প্ৰশ্নকাকত ফাদিল আৰু শিক্ষাৰ বাণিজ্যিকীকৰণ সন্দৰ্ভত বক্তব্য ৰাখি কুমাৰে কয়, “পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাটো আজি এক নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। ছাত্ৰ-ছাত্ৰীৰ বাবে কোনো স্বচ্ছ আৰু নিকা পৰীক্ষাৰ নিশ্চয়তা নাই। যাৰ ফলত যুৱ সমাজত গভীৰ মানসিক চাপ, হতাশা আৰু অনিৰাপত্তাবোধ বৃদ্ধি পাইছে।

ডিচেম্বৰত গোৱাত আইপিএলৰ নিলাম

বহুদিনীয়া তথা টি-২০ মেচসমূহৰ স্থান সলনি কৰা হৈছে। বতৰৰ প্ৰতিকূল পৰিস্থিতিৰ বাবে এই মেচসমূহ ধৰমশালাৰ পৰা মোহালিলৈ স্থানান্তৰ কৰা হৈছে। এই সন্দৰ্ভত শইকীয়াই কয় যে ধৰমশালাত ধাৰাবাহিকভাৱে হৈ থকা বৰষুণ আৰু বেয়া বতৰৰ বাবে তাত ক্ৰিকেট খেলোৱা সম্ভৱ নাছিল। খেলসমূহ যাতে কোনো বাধা নোহোৱাকৈ অনুষ্ঠিত হৈ থাকে, তাৰ বাবে ব'ৰ্ডে তাৎক্ষণিকভাৱে মেচসমূহ মোহালিলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শেহতীয়াকৈ ভাৰত আৰু জাপানৰ পুৰুষ দলৰ মাজত অনুষ্ঠিত হোৱা ঐতিহাসিক মেচখনলৈও দেৱজিৎ শইকীয়াই সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ এই মেচখনক দুয়োখন দেশৰ সম্পৰ্কৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অভিহিত কৰে। লগতে তেওঁ প্ৰকাশ কৰে যে এই মেচখন আয়োজনৰ আঁৰত আইচিচিৰ অধ্যক্ষ জয় শ্বাহৰ এক বিশেষ পৰিকল্পনা আছিল।

এছিয়ান গেমছত মীৰাবাঈ চানুৰ

প্ৰতিযোগিতাখনত মীৰাবাঈ চানুৱে দুৰ্দান্ত প্ৰদৰ্শন দাঙি ধৰে। তেওঁ স্নেচ ৰাউণ্ডত ক্ৰমে ৮৩ কিলোগ্ৰাম, ৮৫ কিলোগ্ৰাম আৰু ৮৭ কিলোগ্ৰাম ওজন সফলতাৰে দাঙে। ইয়াৰ পিছত ক্লীন এণ্ড জাৰ্ক ৰাউণ্ডত ১০৭ কিলোগ্ৰাম দণ্ডাৰ পাছত ৰবৰ কিলোগ্ৰামৰ দ্বিতীয় প্ৰচেষ্টাও সফল কৰি মুঠ ১৯৮ কিলোগ্ৰাম ওজন দাঙি ৰূপৰ পদক নিশ্চিত কৰে। এই শাখাত উত্তৰ কোৰিয়াৰ ৰি ছং-গামে চৰপু কিলোগ্ৰাম ওজন দাঙি স্বৰ্ণপদক লাভ কৰে। আনহাতে মীৰাবাঈৰ ৰূপৰ পদকৰ ফলত চলিত এছিয়ান গেমছত ভাৰতৰ মুঠ পদক সংখ্যা ১১টালৈ বৃদ্ধি পায়। ভাৰতৰ হাতত এতিয়া এটা স্বৰ্ণ, পাঁচটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জৰ পদক আছে। মীৰাবাঈ চানুৰ এই সাফল্যত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্য্যালয়ে তেওঁক শুভেচ্ছা জ্ঞাপন কৰে। লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও তেওঁলৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ্য, কৰ্ণম মালেশ্বৰীৰ পিছত মীৰাবাঈ চানুৱে ভাৰোত্তোলনৰ প্ৰায় প্ৰতিখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাতে পদক লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় ভাৰোত্তোলক হিচাপে পৰিগণিত হৈছে। অলিম্পিক, এছিয়ান গেমছ, কমনৱেলথ গেমছ, বিশ্ব চেম্পিয়নশ্বিপ, এছিয়ান আৰু কমনৱেলথ চেম্পিয়নশ্বিপ-এই সকলো প্ৰতিযোগিতাতে তেওঁ পদক অৰ্জন কৰিছে। মীৰাবাঈৰ বাবে এই এছিয়ান গেমছৰ পদক বিশেষভাৱে চিৰস্মৰণীয় হৈ থাকিব। ২০২৩ চনৰ হাংঝু এছিয়ান গেমছত আঘাতৰ বাবে তেওঁ ক্লীন এণ্ড জাৰ্ক ৰাউণ্ডৰ পৰা আঁতৰি আহিবলগীয়া হৈছিল আৰু চতুৰ্থ স্থানতে সন্তুষ্ট থাকিবলগীয়া হৈছিল। কিন্তু এইবাৰ তেওঁ সেই ক্ষতি পূৰণ কৰি ঐতিহাসিক পদক লাভ কৰিলে। টকিঅ' ২০২০ অলিম্পিকত ৰূপৰ পদক লাভ কৰা চানুৱে শেহতীয়াকৈ কমনৱেলথ গেমছত স্বৰ্ণপদক অৰ্জন কৰি নিজৰ কেৰিয়াৰত আন এক গুৰুত্বপূৰ্ণ সাফল্য সংযোজন কৰিছিল। ইফালে, বুধবাৰৰ দিনটো ভাৰতৰ বাবে সামগ্ৰিকভাৱে সফলতাৰ দিন আছিল। দেশখনে শ্যুটিং, ছফ্‌ট টেনিছ আৰু ভাৰোত্তোলনত পদক লাভ কৰে। কাবাডী, বক্সিং, স্কোৱাছ, ৰ'ইং, কেনু স্প্ৰিণ্ট আৰু টেবুল টেনিছতো ভাৰতীয় খেলুৱৈসকলে আকৰ্ষণীয় প্ৰদৰ্শন আগবঢ়ায়।

উজনিৰ বানপীড়িতক ১০ লাখ

যোৱা পাঁচ দশকত এনে প্ৰলয়ংকৰী বান এই অঞ্চলৰ ৰাইজে দেখা নাছিল। বানে বহু পৰিয়ালৰ ঘৰ-দুৱাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান উটাই নিয়াৰ লগতে প্ৰাণহানিও ঘটায়; বহু লোক এতিয়াও নিখোজ হৈ আছে। কেৱল ঘৰৰ চালতে আশ্ৰয় লৈ বহুতে কোনোমতে প্ৰাণ ৰক্ষা কৰিছিল। ঞ্জইতিমধ্যে বানৰ দুমাহ পাৰ হৈ গ'লেও চৰকাৰৰ পৰা প্ৰাপ্য সহায় নোপোৱা বুলি প্ৰতিবাদকাৰীয়ে অভিযোগ কৰে। তেওঁলোকে প্ৰতিটো বানবিধ্বস্ত পৰিয়াল আৰু ব্যৱসায়িক প্ৰতিষ্ঠানক ৰঙ্ক লাখ টকাকৈ সহায় প্ৰদানৰ দাবী জনায়। প্ৰতিবাদত শিৱসাগৰ জিলাৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ধৈৰ্য কোঁৱৰ, নেত্ৰী জ্ঞানশ্ৰী বৰা আৰু অসম জাতীয় পৰিষদৰ কুংকি চৌধুৰীয়ে অংশ লয়। দিল্লীৰ পৰা ক'কৰোচ্ছ জনতা পাৰ্টী (CJP)ৰ তিনিগৰাকী কেন্দ্ৰীয় নেতা-অংকিত ভৰদ্বাজ, আকাশ প্ৰেম আৰু বৰুণ আগৰৱালা-আহি এই বিক্ষোভত যোগ দিয়ে। বানপীড়িত বহু পৰিয়ালৰ মহিলায়ো কেঁচুৱা সন্তানক কোলাত লৈ প্ৰতিবাদত অংশগ্ৰহণ কৰে। ইয়াৰ আগতে ৰাইজৰ দলে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত পৃথক জনসভা আয়োজন কৰি চৰকাৰক এটা নিৰ্দিষ্ট সময়সীমা বান্ধি দিছিল। নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰিয়ালসমূহে উপযুক্ত ক্ষতিপূৰণ নাপালে গুৱাহাটীত বৃহৎ আন্দোলন আৰু মুখ্যমন্ত্ৰীৰ বাসগৃহৰ সন্মুখত ধৰ্মঘট কৰাৰ সতৰ্কবাণীও দিয়া হৈছিল। এই সতৰ্কবাণী অখিল গগৈয়ে পুনৰ সোঁৱৰাই দিয়ে।

জুবিন গাৰ্গ হত্যা গোচৰত ফাষ্টট্ৰেক

সভাপতি। কিন্তু বুধবাৰে অভিমন্যু তালুকদাৰৰ সাক্ষ্য আৰু জেৰা সম্পূৰ্ণ হোৱা নাই। সেয়েহে বৃহস্পতিবাৰে তেওঁ পুনৰ আদালতত সাক্ষ্য প্ৰদান কৰিব লাগিব। আদালতৰ পৰা ওলাই আহি সংবাদ মাধ্যমৰ আগত অভিমন্যু তালুকদাৰে কয় যে শ্যামকানুৰ অধিবক্তা আৰু শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাই তেওঁক জেৰা কৰে। শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাৰ জেৰা এতিয়াও সম্পূৰ্ণ হোৱা নাই। সেয়েহে বৃহস্পতিবাৰে পুনৰ জেৰা হোৱাৰ পাছতহে তেওঁ এই বিষয়ত বিস্তৃতভাৱে মন্তব্য কৰিব বুলি জানিবলৈ দিয়ে। অভিমন্যু তালুকদাৰে কয়, “কোৰ্টত জেৰা সম্পূৰ্ণ নোহোৱাৰ আগতে কোৱাটো ভাল নহ'ব। আমি যিহেতু সহায় কৰিবলৈ আহিছোঁ, গতিকে সাক্ষ্য সম্পূৰ্ণ হোৱাৰ পাছতহে যিমানখিনি ক'ব পাৰোঁ, ক'ম।” তেওঁৰ ভাষ্য অনুসৰি, য়ট পাৰ্টিত প্ৰকৃততে কি ঘটিছিল, সেই বিষয়সমূহ সন্দৰ্ভতেই আদালতত প্ৰশ্ন কৰা হৈছে। তেওঁ কয়, “প্ৰকৃত তথ্যখিনি উলিয়াব বিচাৰিছে। প্ৰত্যেকজনে নিজৰ নিজৰ সাক্ষ্য প্ৰদান কৰিছে। কোৰ্টে গোটেইখিনি মিলাই আচলতে কি হৈছিল, তাৰ এটা ৰায় দিব।” য়ট পাৰ্টিৰ আয়োজনৰ বিষয়তো অভিমন্যু তালুকদাৰে মন্তব্য কৰে। তেওঁ স্পষ্ট কৰি কয় যে য়ট পাৰ্টিৰ আয়োজক তেওঁ নহয় আৰু অসম এছ'চিয়েচনো ইয়াৰ আয়োজক নাছিল। অৱশ্যে গোচৰটো বৰ্তমান আদালতত বিচাৰাধীন হোৱাৰ বাবে আয়োজকৰ বিষয়ে অধিক মন্তব্য কৰাৰ পৰা তেওঁ বিৰত থাকে। বৃহস্পতিবাৰে পুনৰ জেৰা থকাৰ কথা উল্লেখ কৰি অভিমন্যু তালুকদাৰে কয়, “এতিয়া কৈ দিলে পাছত জেৰাত প্ৰভাৱ পৰিলে ভাল নহ'ব। কাৰণ আমি ন্যায়ৰ বাবেই আহিছোঁ। আমাৰ সাক্ষ্যই সহায় কৰিব, ভুল হ'লে বেয়া হ'ব।” জেৰা সম্পূৰ্ণ হোৱাৰ পাছত সংবাদ মাধ্যমৰ সকলো প্ৰশ্নৰ উত্তৰ দিয়াৰ চেষ্টা কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। শেষত ছিংগাপুৰ নিবাসী অভিমন্যু তালুকদাৰে কয়, “১০০ শতাংশ ন্যায় পাব জুবিন গাৰ্গে। ন্যায় কোনে নিবিচাৰে? সকলোৱে বিচাৰে।”

মেঘালয়ৰ আঠগৰাকী ইউডিপি

বিধায়কসকল হ'ল-লাহকমেন ৰিম্বে, পাইউছ মাৰৱেইন, কিৰমেন শ্বিলা, মেয়াৰলবৰ্ণ ছিয়েম, মেথিউ কুৰ্বাহ, অলান সিং ছুইন, বালাজীদ কুপাৰ চিনৰেম আৰু চিনশ্বাৰ কুপাৰ ৰয়। ইউডিপিৰ বিধায়কসকলক দললৈ আদৰণি জনাই কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূব আৰু মেঘালয়ৰ বিকাশৰ দিশত গুৰুত্ব আৰোপ কৰি বিজেপিত যোগদান কৰিছে। এই যোগদান কাৰ্যসূচীৰ পিছত বিজেপিৰ কেন্দ্ৰীয় কাৰ্যালয়ত এক যুটীয়া সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে মন্তব্য কৰে, “এই ঘটনা কেৱল উত্তৰ-পূবৰ বাবেই নহয়, সমগ্ৰ দেশৰ বাবেও এক অতি উল্লেখযোগ্য ৰাজনৈতিক উন্নয়ন।” তেওঁ লগতে কয় যে এই আঠগৰাকী বিধায়ক প্ৰধানমন্ত্ৰী মোদী আৰু বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰৰ কৰ্মপ্ৰদৰ্শনত যথেষ্ট প্ৰভাৱিত হৈছিল আৰু তাৰ পিছতেই তেওঁলোকে বিজেপিত যোগদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সংবাদমেলত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে বিজেপিৰ সমন্বয়ক হিচাপে দায়িত্বত থকা সাংসদ সম্বিত পাত্ৰই যোগদান কৰা ইউডিপিৰ আঠগৰাকী বিধায়কৰ নাম ঘোষণা কৰে। তেওঁ কয় যে এই যোগদানৰ বিষয়ে ইতিমধ্যে তেওঁলোকৰ সৈতে আলোচনা চলি আছিল। ইপিনে, আন সাতগৰাকী ইউডিপি বিধায়কৰ সৈতে বিজেপিত যোগদান কৰা মেঘালয়ৰ মন্ত্ৰী লাহকমেন ৰিম্বেয়ে কয়, “সংবিধানৰ অষ্টম অনুসূচীত খাছী আৰু গাৰো ভাষাক অন্তৰ্ভুক্ত কৰাৰ দাবী আৰু ৰাজ্যখনলৈ অধিক কেন্দ্ৰীয় সহায়ৰ দৰে বিষয়ত দলৰ পৰা উৎসাহজনক সঁহাৰি পোৱাৰ পিছত এই সিদ্ধান্ত লোৱা হৈছে।” তেওঁ স্পষ্ট কৰি দিয়ে, “এই সিদ্ধান্ত হঠাতে লোৱা নাই; বিগত কিছুদিন ধৰি ইয়াৰ বিষয়ে আলোচনা চলি আছিল।” উল্লেখ্য, এই আঠগৰাকী বিধায়কৰ যোগদানৰ ফলত ৬০ সদস্যৰ মেঘালয় বিধানসভাত বিজেপিৰ বিধায়কৰ সংখ্যা দুগৰাকীৰ পৰা ১০ গৰাকীলৈ বৃদ্ধি পাইছে। আনহাতে, ইউডিপিৰ বিধায়কৰ সংখ্যা ১২১ পৰা ৪লৈ হ্ৰাস পাইছে। এই পৰিৱৰ্তনৰ পিছত বিজেপি মেঘালয় বিধানসভাৰ দ্বিতীয় বৃহত্তম দল হিচাপে পৰিগণিত হৈছে। বৰ্তমান মুখ্যমন্ত্ৰী কনৰাড ছাংমাৰ নেতৃত্বাধীন নেশ্বনেল পিপ'লছ পাৰ্টীৰ বিধায়কৰ সংখ্যা ৩৩ গৰাকী। এই ৰাজনৈতিক পৰিৱৰ্তনে আগন্তুক মেঘালয় বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ ৰাজনৈতিক সমীকৰণত গভীৰ প্ৰভাৱ পেলাব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

'২৭ৰ ১ জানুৱাৰীৰ পৰা ৰাজ্যজুৰি

লগতে কোৱা হয়, “মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনৰ সকলো চৰকাৰী কাৰ্যালয় কাগজবিহীন ‘ই-অফিচ’ ব্যৱস্থালৈ স্থানান্তৰিত হ'বলৈ সাজু হৈছে। ইয়াৰ ফলত জনসেৱা অধিক স্বচ্ছ, দক্ষ আৰু নাগৰিককেন্দ্ৰিক হৈ উঠিব।” উল্লেখ্য, ৰাজ্যখনত ইতিমধ্যে অসম সচিবালয়ত ৰাষ্ট্ৰীয় তথ্যবিজ্ঞান কেন্দ্ৰ (NIC)-এ প্ৰস্তুত কৰা ই-অফিচ প্লেটফৰ্ম ব্যৱহাৰ কৰি অহা হৈছে। NIC-1 তথ্য অনুসৰি, সচিবালয়ৰ মুঠ ৫৮টা বিভাগেই বৰ্তমান এই ব্যৱস্থা ব্যৱহাৰ কৰি আছে। একে সময়তে নিৰ্বাচিত সঞ্চালকালয় আৰু উপায়ুক্তৰ কাৰ্যালয়সমূহলৈও ইয়াৰ ৰূপায়ণ সম্প্ৰসাৰণ কৰা হৈছে। ই-অফিচ ব্যৱস্থাৰ উদ্দেশ্য হৈছে পৰম্পৰাগত কাগজভিত্তিক ফাইল পৰিচালনাৰ পৰিৱৰ্তে ইলেক্ট্ৰনিক পদ্ধতিৰে কাৰ্যালয়ৰ কাম-কাজ সম্পন্ন কৰা। এই ব্যৱস্থাৰ জৰিয়তে চৰকাৰী কাৰ্যালয়সমূহে ডিজিটেলভাৱে নথি গ্ৰহণ আৰু পঞ্জীয়ন কৰিব পাৰে, ইলেক্ট্ৰনিকভাৱে ফাইল প্ৰস্তুত আৰু স্থানান্তৰ কৰিব পাৰে, অনলাইনত টোকা আৰু খচৰা প্ৰস্তুত কৰিব পাৰে, আৰু ডিজিটেলভাৱে নথিত স্বাক্ষৰ কৰি সংৰক্ষণ কৰিব পাৰে। এই প্লেটফৰ্মৰ জৰিয়তে বিষয়াসকলে ফাইলৰ গতিবিধি আৰু বৰ্তমানৰ স্থিতিও অনুসৰণ কৰিব পাৰে। ইয়াৰ ফলত প্ৰশাসনিক প্ৰক্ৰিয়া আৰু সিদ্ধান্ত গ্ৰহণৰ এক ইলেক্ট্ৰনিক ৰেকৰ্ড সৃষ্টি হয়। নতুন এই ব্যৱস্থাই ৰাজ্যৰ প্ৰশাসনিক কাম-কাজত স্বচ্ছতা, দক্ষতা আৰু জবাবদিহিতা বৃদ্ধি কৰিব বুলি চৰকাৰে আশা প্ৰকাশ কৰিছে।

গেলেফু মাইণ্ডফুলনেছ চিটিৰ বাবে

অসমৰ চিৰাং-কোকৰাঝাৰৰ সমীপত অৱস্থিত গেলেফু মাইণ্ডফুলনেছ চিটি (জিএমচি) প্ৰকল্পত সহায় আগবঢ়োৱাৰ বাবে ভূটানৰ প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসম চৰকাৰক গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। মঙলবাৰে সন্ধিয়া ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত দিয়া ভাষণত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভূটানৰ অভিলাষী গেলেফু মাইণ্ডফুলনেছ চিটি প্ৰকল্পৰ বিষয়ে উত্থাপন কৰাৰ সময়ত নিজকে কেৱল চৰকাৰৰ মুৰব্বী নহয়, এজন ‘বিক্ৰেতা’ বুলি উল্লেখ কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ভাষণত নিজৰ চিন্তা প্ৰকাশ কৰি তেওঁ বিশ্বব্যাপী বিনিয়োগকাৰী, ব্যৱসায়ী আৰু প্ৰতিভাক এই ইক'-ফ্ৰেণ্ডলী, প্ৰযুক্তি-চালিত স্মাৰ্ট চিটি নিৰ্মাণত সহায় কৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসম চৰকাৰক ভূটানে প্ৰশংসা কৰাৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সৰ এক পোষ্টত কয়, “মাননীয় প্ৰধানমন্ত্ৰী দশো চেৰিং টবগে ডাঙৰীয়াক অসমৰ বিকাশ আৰু গেলেফু মাইণ্ডফুলনেছ চিটি প্ৰকল্পত ইয়াৰ বিশেষ স্থানৰ প্ৰতি উষ্ম প্ৰশংসাৰ বাবে ধন্যবাদ। ভাৰত আৰু ভূটানৰ মাজত বন্ধুত্ব গভীৰভাৱে শিপাই আছে। বিশ্বাস, পাৰস্পৰিক সন্মান আৰু ভাগ-বাটোৱাৰা কৰা আকাংক্ষা তথা এই বিশেষ অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত অসমে নিজৰ ভূমিকা পালন কৰি যাব।” ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ বৈঠকৰ সময়ত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কূটনৈতিক সম্পৰ্ক গভীৰ কৰাৰ বাবে বাংলাদেশৰ প্ৰধানমন্ত্ৰী তাৰিক ৰহমান, ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট'লামকে ধৰি আঞ্চলিক নেতাসকলৰ সৈতেও সাক্ষাৎ কৰে। উল্লেখ্য, ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ হৈছে ৰাষ্ট্ৰসংঘৰ মূল নীতি নিৰ্ধাৰক সংস্থা, য'ত বছৰি ১৯৩খন সদস্য ৰাষ্ট্ৰই নিউয়ৰ্কৰ ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত একত্ৰিত হৈ আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা, জলবায়ু পৰিৱৰ্তন, অৰ্থনৈতিক উন্নয়নৰ দৰে বিশ্বব্যাপী বিষয়সমূহৰ ওপৰত বিতৰ্ক কৰে। ২০২৬ চনৰ ৮ ছেপ্তেম্বৰৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা ৮১ সংখ্যক অধিবেশন (UNGA 81) ইয়াৰ উচ্চস্তৰীয় সপ্তাহ আৰু সাধাৰণ বিতৰ্কৰ বাবে বিখ্যাত, য'ত বিশ্বৰ নেতাসকলে মূল মঞ্চত প্ৰাথমিক ভাষণ প্ৰদান কৰে। ২০২৬ চনৰ ২২ ছেপ্তেম্বৰৰ পৰা এই অনুষ্ঠান আৰম্ভ হয়।

২৮ ছেপ্তেম্বৰৰ পৰা তিনিদিনীয়া ধৰ্মঘটৰ আহ্বান ইউএফবিইউৰ

সপ্তাহ। ইয়াৰ লগতে পেঞ্চনৰ আপডেট আৰু উন্নতি, সকলো পেঞ্চনাৰৰ বাবে একে ধৰণৰ পাৰিবাৰিক পেঞ্চনৰ সূত্ৰ, আৰু ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ অধীনত সামৰি লোৱা কৰ্মচাৰীসকলৰ বাবে পুৰণি পেঞ্চন আঁচনিলৈ যোৱাৰ বিকল্প আদি দাবীও ইউএফবিইউয়ে উত্থাপন কৰিছে। যদি এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ হয়, তেন্তে ই বেংকিং খণ্ডৰ অৰ্ধবাৰ্ষিক সমাপনৰ সৈতে মিলি যাব। এই পৰিস্থিতিত ২৬ আৰু ২৭ ছেপ্তেম্বৰৰ সাপ্তাহান্তিক ছুটীৰ পিছত ২৮ৰ পৰা ৩০ ছেপ্তেম্বৰ, ২০২৬ লৈকে দেশজুৰি হ'বলগীয়া ধৰ্মঘটৰ কথা লক্ষ্য ৰাখি চৰকাৰে নাগৰিকসকলৰ বেংকিং সেৱা সুনিশ্চিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। ২৭ ছেপ্তেম্বৰ ২০২৬, দেওবাৰে সকলো ক্ষেত্ৰৰ বেংকসমূহে স্বল্প কৰ্মচাৰীৰে কাম চলাব বুলি বিবৃতিত উল্লেখ কৰা হৈছে। ইয়াৰ লগতে ভাৰতীয় ৰিজাৰ্ভ বেংকে ২৭ ছেপ্তেম্বৰত সকলো বেংকৰ শাখা, কাৰ্যালয় আৰু এটিএমৰ সৈতে জড়িত শাখা সম্পূৰ্ণৰূপে খোলা ৰাখিবলৈ অনুমতি প্ৰদান কৰিছে। চৰকাৰে বেংক ইউনিয়নসমূহক প্ৰস্তাৱিত ধৰ্মঘট পিছুৱাই দিবলৈ আহ্বান জনোৱাৰ লগতে অত্যাৱশ্যকীয় বেংকিং সেৱাসমূহ যাতে নিৰৱচ্ছিন্নভাৱে অব্যাহত থাকে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও জানিবলৈ দিছে। ইপিনে, বহু ৰাজহুৱা খণ্ডৰ বেংকে নিজৰ গ্ৰাহকক ধৰ্মঘট বাস্তৱায়িত হ'লে বেংকিং প্ৰয়োজনীয়তাৰ বাবে ম'বাইল বেংকিং, এটিএম, ইণ্টাৰনেট বেংকিং, বিচি পইণ্ট আৰু ইউপিআইৰ দৰে ডিজিটেল চেনেল ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ জাৰি কৰিবলৈ আৰম্ভ কৰিছে। বেংকসমূহে গ্ৰাহকসকলক প্ৰস্তাৱিত ধৰ্মঘটৰ তাৰিখৰ বহু আগতেই অত্যাৱশ্যকীয় বেংকিং লেনদেন সম্পূৰ্ণ কৰিবলৈও পৰামৰ্শ দিছে, যাতে যিকোনো ধৰণৰ অসুবিধাৰ পৰা হাত সাৰিব পাৰি। উল্লেখ্য, প্ৰস্তাৱিত তিনিদিনীয়া ধৰ্মঘটৰ সময়সীমা ৩০ ছেপ্তেম্বৰত বেংকসমূহৰ অৰ্ধবাৰ্ষিক হিচাপ-পত্ৰ বন্ধ কৰাৰ সৈতে মিলি যায়। এই তাৰিখ মিলন, প্ৰভিজনিং, কোষাগাৰ আৰু বজাৰ পৰিচালনাৰ বাবে বিশেষভাৱে তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হয়। সেয়েহে চৰকাৰে গ্ৰাহকসকলৰ অসুবিধা এৰাই চলিবলৈ আৰু বেংকিং ব্যৱস্থাৰ স্বাভাৱিকতা ৰক্ষা কৰিবলৈ অতিৰিক্ত সতৰ্কতা অৱলম্বন কৰিছে।

ৰন্ধন গেছৰ বাবে ১ অক্টোবৰৰ পৰা

পুনৰ এই প্ৰক্ৰিয়া সম্পন্ন কৰিব নালাগে। শেহতীয়া তথ্য অনুসৰি, ১৯ ছেপ্টেম্বৰলৈকে মুঠ ২৭.৪৩ কোটি সক্ৰিয় ঘৰুৱা ৰন্ধন গেছৰ গ্ৰাহকে, অৰ্থাৎ ৮৯.৯ শতাংশ গ্ৰাহকে, আধাৰ প্ৰমাণীকৰণ সম্পূৰ্ণ কৰিছে। ৰেহাই মূল্যৰ ৰন্ধন গেছৰ বাবে আধাৰ প্ৰমাণীকৰণ বাধ্যতামূলক। কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰি দিছে যে, আধাৰ প্ৰমাণীকৰণ সম্পূৰ্ণ নকৰা গ্ৰাহকসকলক সম্পূৰ্ণৰূপে ৰন্ধন গেছৰ পৰা বঞ্চিত কৰা নহ'ব। অৱশ্যে, এনে গ্ৰাহকে ৰাজসাহায্য লাভ নকৰিব আৰু প্ৰযোজ্য বজাৰ মূল্যত ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় কৰিব লাগিব। আধাৰ প্ৰমাণীকৰণৰ মূল উদ্দেশ্য হৈছে ৰন্ধন গেছৰ ৰাজসাহায্য প্ৰকৃততে যোগ্য হিতাধিকাৰীসকলৰ ওচৰলৈ গৈছে নে নাই সেয়া নিশ্চিত কৰা। ইয়াৰ উপৰি, একাধিক বা অযোগ্য সংযোগ চিনাক্ত কৰা আৰু ৰাজসাহায্যপ্ৰাপ্ত ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ অপব্যৱহাৰ ৰোধ কৰাও এই ব্যৱস্থাৰ অন্যতম উদ্দেশ্য। গ্ৰাহকসকলে তেল বিপণন সংস্থাসমূহৰ সেৱা কেন্দ্ৰ, ৰন্ধন গেছ বিতৰক আৰু উপলব্ধ অন্যান্য ডিজিটেল ব্যৱস্থাৰ জৰিয়তে এই প্ৰমাণীকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পাৰিব। ৰন্ধন গেছৰ গ্ৰাহকসকলৰ বাবে পূৰ্বে গ্ৰহণ কৰা আধাৰ প্ৰমাণীকৰণ ব্যৱস্থাৰ পৰৱৰ্তী পদক্ষেপ হিচাপে এই নতুন নিয়ম প্ৰৱৰ্তন কৰা হৈছে। ৰাজসাহায্যপ্ৰাপ্ত ৰন্ধন গেছৰ চিলিণ্ডাৰ পুনৰ ভৰোৱাৰ সুবিধা লাভ কৰিবলৈ ২০২৬ চনৰ ৰ অক্টোবৰৰ ভিতৰত বায়'মেট্ৰিক প্ৰমাণীকৰণ সম্পূৰ্ণ কৰাটো বাধ্যতামূলক কৰা হৈছে। ভাৰতীয় তেল নিগমে ৰন্ধন গেছ সম্পৰ্কীয় গ্ৰাহক সহায়ৰ বাবে ১৮০০-২৩৩৩-৫৫৫ নম্বৰত বিনামূলীয়া দূৰভাষ সেৱাও আগবঢ়াইছে।

নিৰ্বাচন আয়োগক দুৰ্বল কৰাৰ

ঝাৰখণ্ডৰ দেওঘৰ জিলাত এখন হাস্পতালৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্বাচন আয়োগৰ পক্ষ সমৰ্থন কৰি কয় যে বিৰোধী পক্ষই নিৰ্বাচন আয়োগক দুৰ্বল কৰাৰ চেষ্টা চলাইছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সন্ধু তথা বিবেক যোশীৰ মাজত মতানৈক্যৰ বাতৰি সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নিৰ্বাচন আয়োগ এখন সাংবিধানিক সংস্থা আৰু এনে বিষয় সমাধানৰ বাবে ইয়াৰ নিজা নিৰ্ধাৰিত ব্যৱস্থা আছে। তেওঁ কয়, “নিৰ্বাচন আয়োগ এখন সাংবিধানিক কৰ্তৃপক্ষ আৰু ইয়াৰ নিজা সু-নিৰ্ধাৰিত গাঁথনি আছে। আমি এই বিষয়ত মন্তব্য কৰা উচিত নহয়। উদ্ভৱ হোৱা যিকোনো সমস্যা সমাধানৰ বাবে এই গাঁথনিয়েই পৰ্যাপ্ত।” ইয়াৰ পিছত বিৰোধী পক্ষই নিৰ্বাচন আয়োগৰ বিৰুদ্ধে সাব্যস্ত কৰা প্ৰতিবাদ যুক্তিসংগত হয়নে বুলি সোধাত মুখ্যমন্ত্ৰী ড° শৰ্মাই সেই সমালোচনা নাকচ কৰে আৰু বিৰোধী পক্ষই নিৰ্বাচন আয়োগৰ কাম-কাজত বাধা দিয়াৰ চেষ্টা চলোৱাৰ অভিযোগ কৰে। তেওঁ কয়, “বিৰোধী পক্ষ ভুল। আয়োগে ভাল কাম কৰি আছে আৰু বিৰোধী পক্ষই তেওঁলোকক দমন কৰাৰ চেষ্টা চলাইছে। যিয়েই বিৰোধী পক্ষৰ নিৰ্দেশনা মানিবলৈ অস্বীকাৰ কৰে, তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা হয়।” অৱশ্যে নিৰ্বাচন আয়োগে তিনিজনীয়া আয়োগৰ মাজত বিভাজন সৃষ্টি হোৱাৰ ধাৰণাটো নাকচ কৰিছে। বুধবাৰে আয়োগৰ বিষাসকলে কয় যে এছআইআৰকে ধৰি সকলো সিদ্ধান্ত তিনিওজন নিৰ্বাচন আয়ুক্তৰ অনুমোদন আৰু সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছে।

গুণোৎসৱ ২০২৭ৰ সময়সূচী সলনি

পূৰ্বে গুণোৎসৱ ২০২৭ৰ তিনিটা পৰ্যায়ৰ বাবে ক্ৰমে ৬ জানুৱাৰী, ১৯ জানুৱাৰী আৰু ২ ফেব্ৰুৱাৰী তাৰিখ ধাৰ্য কৰা হৈছিল। অৰ্থাৎ প্ৰথম পৰ্যায় ৬ জানুৱাৰীৰ পৰা, দ্বিতীয় পৰ্যায় ১৯ জানুৱাৰীৰ পৰা আৰু তৃতীয় পৰ্যায় ২ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু নতুন নিৰ্দেশনা অনুসৰি প্ৰথম পৰ্যায়ৰ তাৰিখ ৬ জানুৱাৰীৰ পৰিৱৰ্তে ১৯ জানুৱাৰী কৰা হৈছে। ইয়াৰ ফলত পূৰ্বৰ সময়সূচীৰ তুলনাত প্ৰথম পৰ্যায়ৰ গুণোৎসৱ ১৩ দিন পিছুৱাই দিয়া হৈছে। একে সময়তে দ্বিতীয় পৰ্যায়ৰ তাৰিখো ১৯ জানুৱাৰীৰ পৰা চপ্ত জানুৱাৰীলৈ সলনি কৰা হৈছে। তৃতীয় পৰ্যায়ৰ ২ ফেব্ৰুৱাৰীৰ তাৰিখ অপৰিৱৰ্তিত ৰখা হৈছে। গুণোৎসৱৰ জৰিয়তে বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশ, শিক্ষাৰ্থীৰ শৈক্ষিক প্ৰদৰ্শন, আন্তঃগাঁথনি, শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰু অন্যান্য আনুষংগিক দিশ মূল্যায়ন কৰা হয়। নতুন সময়সূচী অনুসৰি গুণোৎসৱৰ প্ৰস্তুতিৰ বাবে সংশ্লিষ্ট বিদ্যালয় আৰু শিক্ষা বিভাগে পৰৱৰ্তী কাৰ্যসূচী গ্ৰহণ কৰিব। সমগ্ৰ শিক্ষা, অসমৰ নতুন নিৰ্দেশনাই পূৰ্বৰ সূচী সংশোধন কৰি এই নতুন তাৰিখসমূহ নিৰ্ধাৰণ কৰিছে।

বিজেপি অসমৰ ৰাজ্যিক প্ৰভাৰী

অৰুণাচল প্ৰদেশৰ প্ৰভাৰী হিচাপে ড°দেৱেশ কুমাৰ, মণিপুৰৰ প্ৰভাৰী হিচাপে ড° ৰাজদীপ ৰয় আৰু মেঘালয়ৰ প্ৰভাৰী হিচাপে কনাদ পুৰকায়স্থক দায়িত্ব দিয়া হৈছে। মেঘালয়ৰ সহ-প্ৰভাৰী হিচাপে অসমৰ ড° নোমল মমিনক নিযুক্তি দিয়া হৈছে। ইয়াৰ উপৰি নাগালেণ্ডৰ প্ৰভাৰী অনিল এণ্টনী আৰু মিজোৰামৰ প্ৰভাৰী ডক্টৰ ভগৱত কৰাড হ'ব। এই নিযুক্তি কেৱল উত্তৰ-পূবাঞ্চলতে সীমাবদ্ধ নহয়। দিল্লী, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, কৰ্ণাটক, কেৰালা, পঞ্জাব, ৰাজস্থান, তেলেংগানা আদি ৰাজ্যৰ বাবেও নতুন প্ৰভাৰী আৰু সহ-প্ৰভাৰী নিযুক্তি দিয়া হৈছে। বিজেপিৰ এই সাংগঠনিক পুনৰ্গঠনে আগন্তুক সময়ত ৰাজ্যসমূহত দলীয় সংগঠন সবল কৰাৰ লগতে কেন্দ্ৰীয় নেতৃত্বৰ সৈতে ৰাজ্যিক স্তৰৰ সমন্বয় অধিক ফলপ্ৰসূ কৰি তুলিব বুলি দলীয় মহলত আশা প্ৰকাশ কৰা হৈছে।

"দক্ষতা অনুক্ৰমে সংস্থাপিত হ'ব নোৱাৰাটোৱে সমাজৰো বৃহৎ ক্ষতি সাধিত কৰে"

মাজুলী মহাবিদ্যালয়ত কেৰিয়াৰ সজাগতামূলক বিশেষ সভা সম্পন্ন

অসম বাৰ্তা, মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰৰ 'বেটি বাচাও, বেটি পঢ়াও' আঁচনিৰ অধীনত আজি মাজুলী মহাবিদ্যালয়ত এখন বিশেষ কেৰিয়াৰ সজাগতামূলক সভা অনুষ্ঠিত হৈ যায়। মহিলা সৱলীকৰণৰ উদ্দেশ্যে গঠিত সংস্থা সংকল্প, জিলা মহিলা আৰু শিশু কল্যাণ বিভাগ আৰু মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত তথা মাজুলী মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং কোষৰ সহযোগত মূলতঃ ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সজাগ কৰিবলৈ 'সত্ৰাধিকাৰ পদ্মকান্ত দেৱগোস্বামী সভাকক্ষ'ত আয়োজিত 'Dream, Believe and Achieve' শীৰ্ষক সজাগতা অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং কোষৰ সমন্বয়ক ড° দেৱজ্যোতি ভট্টাচাৰ্যই সকলোকে আদৰণি জনায়। ইয়াৰ পিছতেই মাজুলীৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ জিলা মিছন সমন্বয়ক কুকি বৰুৱাই অনুষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে সকলোকে অৱগত কৰে। অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই 'বেটি বাচাও, বেটি পঢ়াও'ৰ দৰে আঁচনিয়ে ছাত্ৰীসকলক সমৃদ্ধ হোৱাত বিশেষভাৱে সহায় কৰিছে বুলি উল্লেখ কৰি সমাজখনক আগবঢ়াই নিবলৈ ছাত্ৰীসকলক শক্তিশালী হ'বলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে "প্ৰতিভা বা দক্ষতা অনুক্ৰমে সংস্থাপিত হ'ব নোৱাৰাটোৱে ব্যক্তিগত লোকচানৰ লগতে সমাজখনৰো বৃহৎ ক্ষতি সাধিত কৰে।" অধ্যক্ষ ড° শইকীয়াই লগতে এনে অনুষ্ঠান আয়োজনৰ সুবিধা প্ৰদান কৰাৰ বাবে তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি উজনি মাজুলী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সৌৰভপ্ৰতিম গগৈয়ে প্ৰশাসনিক পদসমূহৰ গুৰুত্ব আৰু ৰাইজৰ লগত সম্পৰ্কৰ বিষয়ে উল্লেখ কৰি প্ৰশাসনিক সেৱাৰ পৰীক্ষাসমূহৰ প্ৰস্তুতিৰ বিষয়ত দৃশ্য-শ্ৰব্য মাধ্যমেৰে ছাত্ৰীসকলৰ আগত ব্যাখ্যা কৰে। এনে পৰীক্ষাসমূহত উত্তীৰ্ণ হ'বলৈ কোনবোৰ বিষয় গুৰুত্ব দিব লাগিব আৰু কিদৰে কৌশলগতভাৱে নিজক সাজু কৰি লাগিব সেই দিশত সুন্দৰভাৱে তেওঁ আলোকপাত কৰি ছাত্ৰীসকলক আপ্লুত কৰে। অনুষ্ঠানত উপস্থিত থাকি জিলা কাৰ্যক্ৰম সমন্বয়ক পল্লৱী মৰাং আৰু লিংগ বিশেষজ্ঞ ৰিম্পী ভূঞাই ছাত্ৰীসকলৰ লগত অন্তৰংগ আলাপত ভাগ লৈ অনুষ্ঠানটি আকৰ্ষণীয় কৰি তোলে। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বসন্ত বৰা, মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, উপ-সভাপতি ড° ৰূপজ্যোতি বৰা, সম্পাদক ড° অনুপ কুমাৰ দলে, মহাবিদ্যালয় নাৰী সৱলীকৰণ কোষৰ সভাপতি প্ৰণীতা ৰাজখোৱা, অধ্যাপক বিজয় টিমুং, আচাৰ্য মোহন দাস, ড° বিশাল ভূঞা, ড° সুদৰ্শনা ফুকন, কংকন বৰদলৈ, বিদিশা ভট্টাচাৰ্য্য প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি নিজৰ মন্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে উৎসাহিত কৰে। অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক আচাৰ্য মোহন দাসে।

গণতন্ত্ৰৰ শক্তি জনতাৰ স্বাধীন মতামতত অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটিৰ সম্পাদিকা

অসম বাৰ্তা, অভয়াপুৰী, ২৪ ছেপ্টেম্বৰ ঃ নিৰ্বাচনী প্ৰচাৰৰ মাজতে কংগ্ৰেছৰ প্ৰাৰ্থী শিবামনি বৰা আৰু দলটোৰ জ্যেষ্ঠ নেতাসকলৰ কনভয়ক লক্ষ্য কৰি সংঘটিত আক্ৰমণৰ ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটিৰ সম্পাদিকা নাহিদা চৌধুৰীয়ে। তেওঁ কয় যে ভয়-ভাবুকি বা শক্তি প্ৰয়োগৰ জৰিয়তে কেতিয়াও গণতান্ত্ৰিক নিৰ্বাচনত জয়লাভ কৰিব নোৱাৰি। নাহিদা চৌধুৰীৰ মতে, গণতন্ত্ৰৰ প্ৰকৃত শক্তি কোনো শাসক পক্ষৰ ক্ষমতা বা বল প্ৰয়োগত নহয়, বৰং জনসাধাৰণৰ স্বাধীন মতামত আৰু ভোটাধিকাৰত নিহিত হৈ আছে। তেওঁ কয়, "ভয় দেখুৱাই কেতিয়াও ভোটৰ যুঁজ জিকিব নোৱাৰি। কাৰণ গণতন্ত্ৰৰ প্ৰকৃত শক্তি শাসকৰ গুণ্ডাগিৰি নহয়, জনতাৰ স্বাধীন মতামতহে।" তেওঁ লগতে কয় যে যদি ক্ষমতাসীন পক্ষই জনতাৰ সমৰ্থনৰ ওপৰত আত্মবিশ্বাসী আৰু নিৰ্বাচনত জয়ী হোৱাৰ ক্ষেত্ৰত নিশ্চিত, তেন্তে বিৰোধী পক্ষৰ শান্তিপূৰ্ণ নিৰ্বাচনী প্ৰচাৰক লৈ ভয় বা উদ্বেগ প্ৰকাশ কৰাৰ কোনো কাৰণ থাকিব নালাগে। তেওঁৰ ভাষ্য অনুসৰি, বিৰোধী দলৰ প্ৰচাৰ যাত্ৰাক বাধা দিয়াৰ পৰিৱৰ্তে প্ৰতিটো ৰাজনৈতিক পক্ষই গণতান্ত্ৰিক পদ্ধতিৰে জনতাৰ সন্মুখত নিজৰ নিজৰ নীতি, আদৰ্শ আৰু কামৰ খতিয়ান দাঙি ধৰিব লাগে। চৌধুৰীয়ে অভিযোগ কৰে যে শিবামনি বৰা আৰু কংগ্ৰেছৰ জ্যেষ্ঠ নেতাসকলৰ কনভয়ৰ ওপৰত শিল নিক্ষেপ আৰু বাহন ভাঙচুৰৰ ঘটনা সাধাৰণ বা বিচ্ছিন্ন ঘটনা হিচাপে উলাই কৰিব নোৱাৰি। তেওঁৰ মতে, এনে ঘটনাই নিৰ্বাচনী পৰিৱেশত ভয় আৰু অনিশ্চয়তাৰ সৃষ্টি কৰাৰ লগতে গণতান্ত্ৰিক অধিকাৰৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে নিৰ্বাচনী সময়ত প্ৰতিগৰাকী প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ প্ৰচাৰ চলোৱাৰ সমান অধিকাৰ আছে। সেয়েহে কোনো পক্ষই আন এটা পক্ষৰ সভা, সমদল বা প্ৰচাৰ কাৰ্যসূচী বাধাগ্ৰস্ত নকৰি শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পৰিৱেশ অক্ষুণ্ণ ৰখাত গুৰুত্ব দিয়া উচিত। নাহিদা চৌধুৰীয়ে লগতে ঘটনাটোৰ উচিত তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। নিৰ্বাচনৰ সময়ত আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণত ৰখাৰ লগতে সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ প্ৰতি আহ্বান জনায়। উল্লেখ্য যে, নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি ইতিমধ্যে ৰাজনৈতিক তৎপৰতা বৃদ্ধি পাইছে। ৬ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনত কংগ্ৰেছৰ হৈ শিৱামণি বৰাই প্ৰাৰ্থিত্ব আগবঢ়াইছে। ১৬ ছেপ্টেম্বৰত প্ৰাৰ্থী গৰাকীয়ে মনোনয়ন দাখিল কৰে। এনে পৰিস্থিতিত নিৰ্বাচনী প্ৰচাৰক লৈ সৃষ্টি হোৱা যিকোনো উত্তেজনাই যাতে গণতান্ত্ৰিক পৰিৱেশত প্ৰভাৱ নেপেলায়, তাৰ বাবে সকলো পক্ষকে সংযম আৰু শান্তি বজাই ৰখাৰ আহ্বান জনাইছে নাহিদা চৌধুৰীয়ে।

টুলুঙীয়াত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

অসম বাৰ্তা, উত্তৰ শালমাৰা, ২৪ ছেপ্টেম্বৰ ঃ বঙাইগাঁও জিলাৰ টুলুঙীয়াত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন ডাম্পাৰে পিছফালৰ পৰা এখন মটৰচাইকেলত খুন্দিওৱাৰ ফলত বাইক আৰোহী এজন যুৱক গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাত আহত যুৱকজনক সংকটজনক অৱস্থাত ততাতৈয়াকৈ বঙাইগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তাৰ পৰা উন্নত চিকিৎসাৰ বাবে বঙাইগাঁও ল'ৱাৰ আসাম হস্পিতালত (lower Assam hospital) চিকিৎসাধীন হৈ থাকোঁতে ৰাতি প্ৰায় ১১:৩০ বজাত মৃত্যু হয়। নিহত যুৱকজন পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ আছিল। যুৱক জনৰ নাম শিৱ জ্যোতি ভূঞা আৰু ঘৰ অভয়াপুৰীত। নিহত ছাত্ৰজনৰ মৃতদেহ আজি দিনৰ ২ বজাত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত অনা হয়। তাতে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰী সকলে তেওঁৰ নশ্বৰ দেহক শেষ শ্ৰদ্ধা জনায় আৰু তেওঁৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ কামনা কৰে। দুৰ্ঘটনাত জড়িত ডাম্পাৰখনৰ পঞ্জীয়ন নম্বৰ WB 73 Q 9573 আৰু মটৰচাইকেলখনৰ পঞ্জীয়ন নম্বৰ AS-19 U 5269।

সমবায় সমিতিৰ কাৰ্যালয় চৌহদত স্থাপন হ'ব সমাজকৰ্মী ডিম্বেশ্বৰ বৰাৰ প্ৰতিমূৰ্তি

অসম বাৰ্তা, নিমাতীঘাট, ২৪ ছেপ্টেম্বৰ ঃ যোৰহাটৰ দ্বিতীয়জন চীফ কাউন্সিলাৰ, বিদেশী বহিষ্কাৰ আন্দোলনৰ অগ্ৰণী ব্যক্তি, সমবায় আন্দোলনৰ এজন নেতা সমাজকৰ্মী ডিম্বেশ্বৰ বৰাৰ স্মৃতিত বাহনা তিনি আলিত অৱস্থিত উত্তৰ চাৰিগাঁও গাঁও পঞ্চায়ত সমবায় সমিতিৰ কাৰ্যালয় চৌহদত স্থাপন কৰিব এটি প্ৰতিমূৰ্তি। সমবায় সমিতি আৰু উত্তৰ-পূব যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ উদ্যোগত সমবায় সমিতিখনৰ কেবাটাও কাৰ্যকালৰ সভাপতিজনৰ স্মৃতি যুগমীয়া কৰাৰ বাবে ১৫ ছেপ্টেম্বৰৰ সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভাত এই সিদ্ধান্ত গ্ৰহণ কৰে। সমবায় সমিতিৰ নৱ নিৰ্বাচিত সভাপতি ধ্ৰুৱ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমবায় সমিতিৰ পঞ্জীয়ন কাৰ্যালয়ৰ জ্যেষ্ঠ পৰিদৰ্শক অনুপম লহকৰ, সহায়ক ৰাম কৃষ্ণ হাজৰিকা, নিয়ৰ বৰুৱা পৰ্য্যবেক্ষক ৰূপে উপস্থিত থাকে। সভাত ৩০ নং গাঁও পঞ্চায়তৰ সভানেত্ৰী দুলুমণি দাস, আঞ্চলিক পঞ্চায়তৰ সদস্য কমল চন্দ্ৰ দাস, নাগৰিক মঞ্চৰ উপদেষ্টা প্ৰভাত কলিতা, সুৰেন কলিতা, ললিত বৰা প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। সমবায় সমিতিৰ সম্পাদক মণিময় নেওগে উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আৰম্ভণিতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা, মানৱদৰদী শিল্পী জুবিন গাৰ্গ আৰু ডিম্বেশ্বৰ বৰাৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে কলাই কলিতাই। উল্লেখ্য, সমবায় সমিতিৰ সভাপতি ৰূপে কাৰ্যকালতে মৃত্যু হোৱা ডিম্বেশ্বৰ বৰাৰ স্থানত উপ সভাপতি ধ্ৰুৱ শইকীয়াক সাধাৰণ সভাই সভাপতি ৰূপে মনোনীত কৰে।

অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত ৰক্ষা পৰিল বহু দোকান-ঘৰ

লখিমপুৰৰ এন. টি. ৰোডত অগ্নিকাণ্ড

অসম বাৰ্তা, লীলাবাৰী, ২২ ছেপ্টেম্বৰ ঃ উত্তৰ লখিমপুৰ নগৰৰ ব্যস্ততাপূৰ্ণ এন. টি. ৰোডৰ বজাৰপট্টীস্থিত গুৰুদ্বাৰৰ সমুখত আজি এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। সন্ধিয়া প্ৰায় ৫: ৩০ বজাত স্থানটিত থকা গাজী পৰিয়ালৰ এটা জোতা-চেন্দেলৰ গুদামত জুই লাগে আৰু হঠাৎ জুইয়ে ঘৰটো আগুৰি ধৰে। গুদামটোত ৰবৰ প্লাষ্টিকৰ সামগ্ৰী অধিক থকাৰ বাবে জুইয়ে ক্ষিপ্ৰতাৰে ভয়াৱহ ৰূপ লয় আৰু কাষৰীয়া অঞ্চললৈ বিয়পি পৰাৰ আশংকাই দেখা দিয়ে। ঘটনাটো বিয়পি পৰাৰ লগে লগেই লখিমপুৰৰ অগ্নিনিৰ্বাপক বাহিনীৰ দলটো ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয়। বাহিনীটোৰ প্ৰচেষ্টা আৰু সাহসিকতাৰ ফলত জুই নিয়ন্ত্ৰণলৈ আহে। উল্লেখ্য যে, গুদামটোৰ যথেষ্ট ক্ষতি হ'লেও কাষতে লাগি থকা অন্যান্য বহু গুৰুত্বপূৰ্ণ দোকান-ঘৰ আৰু বাসগৃহ ভয়াৱহ অগ্নি গ্ৰাসৰ পৰা ৰক্ষা পৰে। অগ্নিকাণ্ডৰ সঠিক কাৰণ এতিয়ালৈও জানিব পৰা হোৱা নাই, যদিও শ্বৰ্ট-চাৰ্কিটৰ ফলতেই এই দুৰ্যোগ সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। প্ৰশাসনে ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণৰ কাম অব্যাহত ৰাখিছে।

ডুমডুমাত এদিনীয়া কাৰ্যসূচীৰে চতুৰ্বিংশতিতম কেন্দ্ৰীয় কৰম সন্মিলন সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৪ ছেপ্টেম্বৰ ঃ অসমৰ অন্যতম জাতীয় উৎসৱ হিচাপে পৰিগণিত হোৱা চাহ জনগোষ্ঠী সমাজৰ অন্যতম প্ৰধান জাতীয় উৎসৱ কৰম পৰৱে অসমৰ সংস্কৃতিৰ পথাৰখনক অধিক সাৰুৱা কৰি তুলিছে। সামগ্ৰিকভাৱে অসমৰ সাংস্কৃতিক জীৱন অধিক মাধুৰ্যপূৰ্ণ কৰি তোলা এই কৰম পৰৱ বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংশ চাহ জনগোষ্ঠী-আদিবাসী সমাজৰ অতিকে আদৰৰ, অতিকে চেনেহৰ। ভাদ মাহৰ ৰিব-ৰিব মলয়াৰ ঢৌত হালি-জালি নৃত্যৰতা হোৱা কাঁশী ফুলেই আনে কৰমৰ বতৰা। কৰমেই আনে চাহ জনগোষ্ঠীয় ডেকা-গাভৰুৰ মনত আশাভৰা আনন্দৰ জোঁৱাৰ। 'কৰম পৰৱ'ৰ বতৰা পাই চাহ জনগোষ্ঠীয় ডেকা-গাভৰুৰ দেহা-মন হয় উন্মনা। এই উৎসৱ আশাৰ, এই উৎসৱ আনন্দৰ, এই উৎসৱ মহামিলন আৰু সম্প্ৰীতিৰ।

বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, স্মৃতিগ্ৰন্থ 'চন্দ্ৰহাৰ' উন্মোচন; কৰম জাগৰণ নৃত্য 'আখড়া' পৰিৱেশন



অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল অধিক কটকটীয়া কৰাৰ মানসেৰে তথা অসমৰ সাংস্কৃতিক জগতখনক অধিক উপাদানেৰে সংবৰ্দ্ধন কৰি তোলাৰ মহান লক্ষ্যেৰে প্ৰতি বছৰৰ দৰে এইবাৰো ডুমডুমা অঞ্চলৰ সমূহ ৰাইজ একত্ৰিত হৈ শুক্লা একাদশী তিথিৰ দিনা অৰ্থাৎ অহা ২২ ছেপ্টেম্বৰ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে বৰ্ণাঢ্যভাৱে চাহ নগৰী ডুমডুমাত দিলেশ্বৰ তাঁতী সমন্বয় ক্ষেত্ৰ (ডুমডুমা নগৰ খেলপথাৰ)ত চতুৰ্বিংশতিতম কেন্দ্ৰীয় কৰম সন্মিলন অতি উলহ-মালহেৰে এদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰে। সেই অনুসৰি পুৱা ডুমডুমা সম জিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈয়ে দিলেশ্বৰ তাঁতী সমন্বয় ক্ষেত্ৰ (ডুমডুমা নগৰ খেলপথাৰ) উদ্বোধন কৰাৰ পাছতে উদযাপন সমিতিৰ পতাকাৰ লগতে বৃহত্তৰ ডুমডুমাৰ অসম চাহ মজদুৰ সংঘ, অসম চাহ জনগোষ্ঠী ছাত্ৰ সংস্থা, সদৌ আদিবাসী ছাত্ৰ সংস্থা, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা, অসম চাহ জনগোষ্ঠী জাতীয় মহিলা মহাসভা, অসম চাহ জনগোষ্ঠী মহিলা সমিতি আৰু সদৌ অসম নাৰী শক্তিৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি তথা ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা আৰু সংশ্লিষ্ট সংগঠনসমূহৰ সভাপতি-সভানেত্ৰীসকলে। স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে ছাত্ৰনেতা তথা উদযাপন সমিতিৰ সাধাৰণ সম্পাদক ইৰত তাঁতীয়ে। দিনৰ ১২ বজাত বিশিষ্ট সাংস্কৃতিক কৰ্মী ৰাজেন চূড়ীয়ে উদ্বোধন কৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত বিধায়ক ৰূপেশ গোৱালাকে প্ৰমুখ্য কৰি স্থানীয় সাংস্কৃতিক দল, বিভিন্ন বাগিচাৰপৰা অহা সাংস্কৃতিক দল আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। সাংস্কৃতিক শোভাযাত্ৰা সামৰণি পৰাৰ পাছত অনুষ্ঠিত হোৱা দলীয় ঝুমইৰ নৃত্য প্ৰতিযোগিতাখনি বিশিষ্ট শিল্পী তৰুণ নায়কে উদ্বোধন কৰে। আনহাতে সন্ধিয়া বিশ্ব কুমাৰ বাক্তি আৰু সুনীল তাঁতীৰ সম্পাদনাত কেন্দ্ৰীয় কৰম সন্মিলনৰ স্মৃতিগ্ৰন্থ 'চন্দ্ৰহাৰ' উন্মোচন কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড° অনিল তাঁতীয়ে আৰু এই কাৰ্যসূচীত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা আৰু ডুমডুমা আৰক্ষী থানাৰ প্ৰভাৰী মনোজ্বল গগৈ। আনফালে নিশা কৰম বেদীত কৰম ডাল স্থাপন, পৰম্পৰাগত বিধান অনুযায়ী কৰম পূজা সমাপন কৰাৰ পাছত কৰম জাগৰণ নৃত্য আখড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট অনাতাঁৰ শিল্পী চুজাতা কাৰ্তিকে। ওৰেনিশা জুৰি অনুষ্ঠিত হোৱা এই আখড়া অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, ৰাজ্যসভাৰ সাংসদ তেৰছ গোৱালা, তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোঁহাই, ডুমডুমা সমষ্টিৰ বিধায়ক তথা উদযাপন সমিতিৰ সভাপতি ৰূপেশ গোৱালা, পদ্মশ্ৰী দুলাল মানকি, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগকে প্ৰমুখ্য কৰি স্থানীয় দল-সংগঠনৰ নেতৃত্ব, যথেষ্ট সংখ্যক বিশিষ্ট ব্যক্তি আৰু বিভিন্ন স্থানৰ পৰা অহা পাঁচ সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

অশ্ৰুসিক্ত নয়নেৰে দোৱা প্ৰাৰ্থনা শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে সমগ্ৰ অঞ্চলবাসী

বিদ্যাসাগৰ একাডেমীত স্বৰ্গীয় শিক্ষক সাহিনুৰ ৰহমানৰ গাম্ভীৰ্যপূৰ্ণ শ্ৰদ্ধাঞ্জলি সভা

অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ২৪ ছেপ্টেম্বৰ ঃ শিক্ষক দিৱসৰ প্ৰস্তুতিৰ মাজতে হঠাৎ হেৰাই যোৱা বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জ বিদ্যালয়ৰ মৰমৰ তথা প্ৰিয় শিক্ষক সাহিনুৰ ৰহমানৰ স্মৰণত আজি ২৩ ছেপ্টেম্বৰ (বুধবাৰ) দিনটোত বিদ্যালয় চৌহদত এক মৰ্মস্পৰ্শী আৰু গাম্ভীৰ্যপূৰ্ণ সৰ্বধৰ্মীয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সৃষ্টি হয় এক গভীৰ শোকাকুল পৰিৱেশ। মৰমৰ শিক্ষকগৰাকীক সোঁৱৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা বিদ্যালয়খনৰ অধ্যক্ষই হিয়া উজাৰি কান্দি পেলায়। প্ৰাপ্ত বাতৰি অনুসৰি, যোৱা ৪ ছেপ্টেম্বৰ (শুকুৰবাৰে) বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জ বিদ্যালয়ত শিক্ষক দিৱস উদযাপনৰ যাবতীয় প্ৰস্তুতিত ব্যস্ত থাকি নিশা ১০: ৩০ বজাত ঘৰত উপস্থিত হোৱাৰ পাছতেই শিক্ষক সাহিনুৰ ৰহমান গুৰুতৰভাৱে উচ্চ ৰক্তচাপত আক্ৰান্ত হয়। লগে লগে তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত (GMCH) ভৰ্তি কৰোৱা হয়। কিন্তু নীৰৱচ্ছিন্ন ১৫ দিন ধৰি ভেণ্টিলেটৰত মৃত্যুৰ সৈতে যুঁজি অৱশেষত যোৱা ২০ ছেপ্টেম্বৰ (দেওবাৰ) ৰাতিপুৱা ৪: ৪৫ বজাত তেওঁ ইহোমায়া ত্যাগ কৰি চিৰদিনৰ বাবে নঅহা বাটলৈ গুচি যায়। অংকুৰণ ঘটা অৱস্থাতেই গুণী শিক্ষক গৰাকীৰ এনে অকাল মৃত্যুত বিদ্যালয়খনৰ উপৰি সমগ্ৰ লক্ষ্মীগঞ্জ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। আজি অনুষ্ঠিত এই শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি, সদস্যসকল, শিক্ষাকৰ্মী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় গুণমুগ্ধসকলে একত্ৰিত হৈ স্বৰ্গীয় ৰহমানৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। সাম্প্ৰদায়িক প্ৰীতি আৰু সম্প্ৰীতিৰ এক অনন্য নিদৰ্শন দাঙি ধৰি হিন্দু-মুছলিম উভয় সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে যৌথভাৱে এই সৰ্বধৰ্ম শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পৰিচালনা কৰে। বিদেহী আত্মাৰ চিৰশান্তিৰ উদ্দেশ্যেৰে সম্পূৰ্ণ কোৰআন শ্বৰীফ খতম কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে মহান সৃষ্টিকৰ্তাৰ ওচৰত দোৱা আৰু প্ৰাৰ্থনা জনোৱা হয়। অনুষ্ঠানত উপস্থিত থকা অগণন ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা, শিক্ষকমণ্ডলী আৰু স্থানীয় ৰাইজে মৰমৰ শিক্ষকগৰাকীৰ আত্মাই শান্তি পোৱাৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা, আৰু দোৱা প্ৰাৰ্থনা কৰে। একেলগে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি তেওঁলোকক এই অসময়ত ধৈৰ্য্য আৰু সাহস ধাৰণ কৰিবলৈ ঈশ্বৰ/আল্লাহৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনায়।

লংকাত আৰক্ষীৰ অভিযানত তিনি সন্দেহযুক্ত গো-সৰবৰাহকাৰী আটক

অসম বাৰ্তা, লংকা, ২৪ ছেপ্টেম্বৰ ঃ হোজাই জিলাত অবৈধ গো-সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীয়ে চলাই অহা অভিযানৰ মাজতে লংকাত তিনিজন সন্দেহযুক্ত গো-সৰবৰাহকাৰীক আটক। হোজাই জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াৰ নেতৃত্বত চলোৱা অভিযানত আটক কৰা লোককেইজন ক্ৰমে কাৰিখানাৰ ফৈজুল ৰহমান, লস্কৰপথাৰৰ নিজাম উদ্দিন আৰু দিলবাৰ হুছেন চৌধুৰী বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, আটকাধীন তিনিওজনৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি অবৈধভাৱে গৰু সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ আছে। বিশেষকৈ গৰুসমূহ ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰি অবৈধ পথেৰে সৰবৰাহ কৰাৰ লগতে বাংলাদেশলৈ গৰু পঠিওৱাৰ সৈতে তেওঁলোকৰ যোগসূত্ৰ থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। অৱশ্যে আৰক্ষীৰ তদন্ত সম্পূৰ্ণ নোহোৱালৈকে এই অভিযোগসমূহৰ চূড়ান্ত সত্যতা নিশ্চিত হোৱা নাই। জানিব পৰা মতে, আটকাধীন তিনিওজন দীৰ্ঘদিন ধৰি পৰস্পৰৰ সহযোগিতাৰে এই গো-সৰবৰাহৰ নেটৱৰ্ক চলাই অহাৰ অভিযোগ উত্থাপিত হৈছে। গৰু সৰবৰাহৰ ক্ষেত্ৰত তেওঁলোকৰ সৈতে আন কেইবাজনো লোক জড়িত থকাৰো সন্দেহ কৰিছে আৰক্ষীয়ে। এই চক্ৰটোৱে কেনেদৰে গৰু সংগ্ৰহ কৰিছিল, কোনবোৰ পথেৰে গৰু সৰবৰাহ কৰিছিল আৰু এই সমগ্ৰ কাৰ্যকলাপৰ সৈতে আন কোন কোন লোক জড়িত আছিল, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ অভিযানৰ পাছত আটকাধীন তিনিওজনক বৰ্তমান সোধা-পোছা অব্যাহত ৰখা হৈছে। সোধা-পোছাৰ জৰিয়তে গো-সৰবৰাহৰ এই নেটৱৰ্কৰ মূল পৰিচালক, সহযোগী আৰু সৰবৰাহত ব্যৱহৃত বিভিন্ন মাধ্যমৰ বিষয়ে তথ্য সংগ্ৰহৰ চেষ্টা চলাইছে আৰক্ষীয়ে। ইফালে, আৰক্ষীৰ প্ৰাথমিক তদন্তত এই চক্ৰটোৰ সৈতে আৰু কেইবাজনো লোক জড়িত থকাৰ তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা প্ৰকাশ পাইছে। আটকাধীন লোককেইজনক জেৰা কৰাৰ পাছত গো-সৰবৰাহৰ সৈতে জড়িত আন ব্যক্তিসকলৰ নাম আৰু ভূমিকা পোহৰলৈ আহিব পাৰে বুলি আশা কৰা হৈছে। লগতে গৰু সৰবৰাহৰ ক্ষেত্ৰত কোনো মধ্যভোগী, বাহনচালক অথবা আন সহযোগী জড়িত আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে অনুসন্ধান চলাইছে। উল্লেখ্য যে, লংকা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত সময়ে সময়ে অবৈধভাৱে গৰু সৰবৰাহৰ অভিযোগ উত্থাপিত হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত হোজাই আৰক্ষীৰ এই অভিযানক গুৰুত্বপূৰ্ণ হিচাপে দেখা হৈছে। আৰক্ষীয়ে সমগ্ৰ বিষয়টো গভীৰভাৱে তদন্ত কৰি গো-সৰবৰাহৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। আৰক্ষীৰ তদন্ত আগবঢ়াৰ লগে লগে এই গো-সৰবৰাহৰ চক্ৰটোৰ সৈতে জড়িত আৰু অধিক লোকৰ নাম, সৰবৰাহৰ পদ্ধতি তথা নেটৱৰ্কটোৰ সম্পূৰ্ণ তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

ধুবুৰী-ফুলবাৰী সেঁতুৰ নাম বিশ্বসিংহ-নৰনাৰায়ণৰ নামেৰে নামকৰণৰ দাবী

মধুপুৰ সত্ৰৰ বেদখল উচ্ছেদৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ

অসম বাৰ্তা, গৌৰীপুৰ, ২৪ ছেপ্টেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ১৯ ছেপ্টেম্বৰত পশ্চিমবংগৰ কোচবিহাৰত অৱস্থিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতিবিজড়িত ঐতিহাসিক মধুপুৰ ধাম সত্ৰ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনকালতে কোচবিহাৰৰ ৰাজ পৰিয়ালৰ প্ৰতিনিধি হিচাপে The Cooch Behar Royal Family Successors Welfare Trustৰ এটা সঁজাতি দলে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ সৈতে হোৱা সাক্ষাৎকালত অসমৰ মন্ত্ৰীদ্বয় অশোক সিংঘাল আৰু অশ্বিনী ৰায় সৰকাৰৰ লগতে পশ্চিমবংগ চৰকাৰৰ মন্ত্ৰী, স্থানীয় বিধায়ক আৰু কোচবিহাৰ জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত আছিল। ট্ৰাষ্টৰ সভাপতি কুমাৰ জিতেন্দ্ৰ নাৰায়ণ আৰু মুখপাত্ৰ কুমাৰ মৃদুল নাৰায়ণৰ নেতৃত্বত যোৱা সঁজাতি দলটোৱে প্ৰদান কৰা স্মাৰক পত্ৰত ঐতিহাসিক মধুপুৰ ধাম সত্ৰৰ বেদখল হোৱা ভূমি বেদখলমুক্ত কৰি পুনৰ উদ্ধাৰ কৰা, সত্ৰখনৰ সংৰক্ষণ আৰু আন্তঃগাঁথনিগত উন্নয়ন ত্বৰান্বিত কৰাৰ দাবী জনোৱা হয়। ইয়াৰ উপৰি কোচবিহাৰৰ বৈকুণ্ঠপুৰৰ দামোদৰ ধামৰ উন্নয়ন সাধন আৰু সীমাৰ দেৱাল নিৰ্মাণ, নিৰ্মীয়মাণ ধুবুৰী-ফুলবাৰী সেতুখনক কোচ ৰজা মহাৰাজ বিশ্বসিংহ-নৰনাৰায়ণৰ নামত নামকৰণ, অসম-পশ্চিমবংগ সীমান্তত থকা কৰ্মতীৰ্থ ভৱনক পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা আৰু ঐতিহাসিক গোহাঁই কমল আলি পুনৰ নিৰ্মাণৰ দাবীও উত্থাপন কৰা হয়। স্মাৰক পত্ৰখনত অসম আৰু পশ্চিমবংগৰ সীমান্ত অঞ্চলত মহাবীৰ চিলাৰায়ৰ এটা সুবৃহৎ প্ৰতিমূৰ্তি নিৰ্মাণ, অসম-পশ্চিমবংগৰ পৰম্পৰাগত সংস্কৃতি সংৰক্ষণ আৰু উত্তৰবংগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত মধুপুৰ ধাম সত্ৰকে ধৰি বিভিন্ন সত্ৰ আৰু নামঘৰৰ উন্নয়ন সাধনৰ বাবেও দাবী জনোৱা হয়। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মধুপুৰ সত্ৰ পৰিদৰ্শন কৰি সত্ৰখনক বটদ্ৰৱা থানৰ আৰ্হিত সংৰক্ষণ আৰু আন্তঃগাঁথনিগতভাৱে উন্নীত কৰাৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰিছিল। মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে অসম চৰকাৰে ৩৫ কোটি টকা আবণ্টন কৰাৰ কথাও প্ৰকাশ পাইছে। ৰাজ পৰিয়ালৰ হৈ কুমাৰ জিতেন্দ্ৰ নাৰায়ণ, কুমাৰ মৃদুল নাৰায়ণ আৰু কুমাৰ ব্ৰজেন্দ্ৰ নাৰায়ণে কয় যে মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে অসম চৰকাৰে ৩৫ কোটি টকাৰ আঁচনি গ্ৰহণ কৰাৰ সিদ্ধান্তক তেওঁলোকে আদৰণি জনাইছে। একেদৰে পশ্চিমবংগ চৰকাৰেও সত্ৰখনৰ উন্নয়নৰ বাবে ৩০ কোটি টকা আগবঢ়োৱাৰ কথা প্ৰকাশ কৰাতো তেওঁলোকে সন্তুষ্টি প্ৰকাশ কৰে। সংবাদমাধ্যমত প্ৰকাশিত তথ্য অনুসৰি দুই ৰাজ্যৰ চৰকাৰৰ সহযোগিতাৰে মধুপুৰ ধামক উন্নত কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। ৰাজ পৰিয়ালৰ প্ৰতিনিধিসকলে আশা প্ৰকাশ কৰে যে অসম আৰু পশ্চিমবংগ চৰকাৰৰ সমন্বিত প্ৰচেষ্টাত ঐতিহাসিক মধুপুৰ ধাম সত্ৰ সংৰক্ষণৰ লগতে ইয়াক দেশ-বিদেশৰ পৰ্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা সম্ভৱ হ'ব। তেওঁলোকে লগতে কয় যে পশ্চিমবংগত বসবাস কৰিলেও কোচবিহাৰত অসমীয়াভাষী লোকসকলৰ সৈতে সাক্ষাৎ হ'লে এক আত্মীয়তা আৰু একাত্মতাৰ অনুভৱ হয়। অসম আৰু কোচবিহাৰৰ মাজত থকা ঐতিহাসিক, সাংস্কৃতিক আৰু আধ্যাত্মিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত এনে উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

মাদুৰী চাহ বাগিচাত চতুৰ্থ বাৰ্ষিক কৰম পৰ্ব্ৱ উৎসৱ পালন

অসম বাৰ্তা, নামতি, ২৪ ছেপ্টেম্বৰ ঃ ভাদ মাহৰ শুক্লা একাদশী তিথিত চাহ জনজাতিৰ লোকসকলে পালন কৰি আহিছে কৰম পৰৱ। কৃষি কৰ্মত যাতে প্ৰকৃতিৰ পৰা কোনো বাধা নাহে আৰু শস্য উৎপাদন ভাল হয় সেই উদ্দেশ্যেৰে পালন কৰি আহিছে চাহ জনজাতি লোকসকলে পালন কৰি আহিছে এই কৰম পূজা। বিগত বৰ্ষৰ দৰে এইবাৰো নাজিৰা মাদুৰী চাহ বাগিচাত মেজেঙা উপ শাখা আৰু মেজেঙা উপ শাখা অন্তৰ্গত সমূহ প্ৰাথমিক গোট আৰু স্থানীয় ৰাইজৰ সহযোগত ২২ আৰু ২৩ ছেপ্টেম্বৰ তাৰিখে চতুৰ্থ বাৰ্ষিক কৰম পৰৱ উদযাপন কৰে। প্ৰথম দিনা পুৱা পতাকা উত্তোলন কৰে আটছা মেজেঙা উপ শাখাৰ ভাৰপ্ৰাপ্ত সভাপতি নিৰঞ্জন মানকীয়ে তাৰ পিছতেই শ্বহীদ তৰ্পণ আটছা মেজেঙা উপ শাখাৰ সম্পাদক সুৰজ তাঁতীয়ে। গছপুলি ৰোপণ কাৰ্যসূচীৰে কৰম পৰৱ আৰম্ভ কৰি মাঙ্গলিক নিয়মেৰে ডাল কটা আৰু অনা কাৰ্যসূচী ৰূপায়ণ কৰে। সন্ধিয়ালৈ দ্বিপেন গোৱালাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত শিৱসাগৰ জিলা সমিতিৰ আটছা সভাপতি দিপু তাঁতী, শিৱসাগৰ জিলা সমিতি আটছাৰ সম্পাদক ধৰমকুমাৰ দাস, শিৱসাগৰ জিলা সমিতি উপ-সভাপতি সুভাষ কুৰ্মী, শিৱসাগৰ জিলা সমিতি আটছাৰ সাংস্কৃতিক সম্পাদক অতুল কুৰ্মী, শিৱসাগৰ জিলা সমিতি আটছাৰ ক্ৰীড়া সম্পাদক অমৰজিৎ গড়, নাজিৰা শাখা আটছাৰ সভাপতি সঞ্জয় গোৱালা, নাজিৰা শাখা আটছাৰ সম্পাদক ভূপেন ঘাটোৱাৰ, প্ৰাক্তন কাৰ্য্যনিৰ্বাহক সদস্য আটছা কেন্দ্ৰীয় সমিতিৰ দ্বীপজ্যোতি কুৰ্মী, মাদুৰী চাহ বাগিছা পৰিচালক প্ৰবিন গগৈ, মাদুৰী চাহ বাগিছাৰ সহঃপৰিচালক সুভাষ কৰ্মকাৰ, মাদুৰী চাহ বাগিছা সহঃপৰিচালক জয়ন্ত ফুকন, কাৰ্যনিৰ্বাহক সদস্য আটছা নাজিৰা শাখাৰ কৃষ্ণা কৈৰী, মেকিপুৰ উপ-শাখা আটছাৰ সভাপতি শশী ৰাজোৱাৰ, মেজেঙা উপ-শাখাৰ সম্পাদক সূৰুজ তাঁতী, বিশিষ্ট ব্যৱসায়ী পৰশুৰাম মাৰা, খটখটি গাওঁ পঞ্চায়তৰ সভানেত্ৰী মৃনালী বৰুৱা, নাজিৰা জিলা ক্ৰীড়া সন্থাৰ ৰেফাৰী বোৰ্ডৰ সদস্য কৃতীনাথ গগৈ লগতে ভালেকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। তাৰ পিছতেই কৰম কাহিনী আৰু বন্দনা আৰম্ভ কৰি আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা কৰম আখড়া আৰু ঝুমইৰ গীতেৰে জীপাল কৰি তোলে কৰম পৰৱ। দ্বিতীয় দিনা পুৱাই কৰম ডাল বিসৰ্জন দি গাড়া ভাটাৰে কৰম পৰৱৰ সামৰণি পৰে।

ডুমডুমাত ভাগৱত ভ্ৰমণেৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱৰ সামৰণি

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৪ ছেপ্টেম্বৰ ঃ ডুমডুমা নামঘৰ সমিতিৰ উদ্যোগত ২১ ছেপ্টেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱৰ আজি ভাগৱত ভ্ৰমণেৰে সামৰণি পৰে। আজি দিনৰ ১২ বজাত নামঘৰ প্ৰাংগণৰ পৰা ভাগৱত ভ্ৰমণ উলিওৱা হয়। ডুমডুমা চহৰৰ মূল মূল পথেদি পৰিভ্ৰমণ কৰা ভাগৱত ভ্ৰমণত ভক্তপ্ৰাণ ৰাইজে নিজ নিজ পদূলিত ভকতৰ পদধূলা গ্ৰহণ কৰে। ভাগৱত ভ্ৰমণৰ আগেয়ে আই আৰু বাবুসকলৰ নাম-প্ৰসঙ্গ অনুষ্ঠিত হয়। ২১ ছেপ্টেম্বৰৰ পুৱা ঊষা কীৰ্তন অনুষ্ঠিত হয়। ধৰ্মধ্বজা উত্তোলন কৰে ডুমডুমা নামঘৰ সমিতিৰ সভাপতি গোবিন্দ ফুকনে। ইয়াৰ পাছত নাম-প্ৰসঙ্গ আৰু সন্ধিয়া নামঘৰ প্ৰাঙ্গণ আৰু ঘৰে ঘৰে বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পাছতে দুটা শাখাত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। বৰগীত প্ৰতিযোগিতাৰ "ক" শাখা (নৱম শ্ৰেণীৰ উৰ্ধৰ)ত প্ৰথম স্থান লাভ কৰে গীতাশ্ৰী ভূএগ, দ্বিতীয় স্থান লাভ কৰে ফ্লৰিন বৰুৱা আৰু তৃতীয় স্থান লাভ কৰে সুদৰ্শনা গোস্বামীয়ে। প্ৰতিযোগিতাৰ "খ" শাখা (অষ্টম শ্ৰেণীলৈ)ত প্ৰথম স্থান লাভ কৰে বৈদিকা মৰাণ, দ্বিতীয় স্থান লাভ কৰে তনুশ্ৰী বৰা আৰু তৃতীয় স্থান লাভ কৰে অৰ্চিকা কলিতাই। দ্বিতীয় দিনা দিহা নামৰ প্ৰদৰ্শন হোৱাৰ লগতে সন্ধিয়া দুটা শাখাত সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। সত্ৰীয়া নৃত্য প্ৰতিযোগিতাৰ "ক" শাখা (সপ্তম শ্ৰেণীৰ উৰ্ধৰ) ত প্ৰথম জনাৰ্দন হাজৰিকা, দ্বিতীয় ফ্লৰিণ বৰুৱা আৰু তৃতীয় হিমপৰ্ণা বৰা। "খ" শাখা (দ্বিতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ)ত প্ৰথম স্থান অধিকাৰ কৰে বিদ্যাশ্ৰী সোণোৱাল, দ্বিতীয় পুস্তিকা সোণোৱাল আৰু তৃতীয় জেচমী মৰাণ। আনহাতে শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে যোগেন্দ্ৰনাথ ডেকাৰ সোঁৱৰণত দুটা শাখাত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাৰ "ক" শাখা (অষ্টম শ্ৰেণীলৈ)ত প্ৰথম স্থান লাভ কৰে নন্দিকা ডেকা, দ্বিতীয় স্থান লাভ কৰে আন্তৰিকা বৰা আৰু তৃতীয় স্থান লাভ কৰে প্ৰতিভা পাইকে। প্ৰতিযোগিতাৰ "খ" শাখা (নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ)ত প্ৰথম স্থান লাভ কৰে দিপান্বিতা বৰুৱা, দ্বিতীয় স্থান লাভ কৰে সুৰজ বৰা আৰু তৃতীয় স্থান লাভ কৰে কাকলি কলিতাই। আজি সামৰণিৰ দিনা সন্ধিয়া শিৱসাগৰৰ শঙ্কৰদেৱ শিল্পী সমাজৰ শিল্পী সকলে "বিপ্ৰ দামোদৰৰ আখ্যান, দন্তবক্ৰৰ মুক্তি লাভ" নামৰ ভাওনা প্ৰদৰ্শন কৰে।



ৰাংছালী সাধুবস্তীত উলহ-মালহেৰে পৰম্পৰাগত তীজ উৎসৱ উদ্‌যাপন

অসম বাৰ্তা, জিনজিয়া, ২৪ ছেপ্টেম্বৰ ঃ নেপালী জনগোষ্ঠীৰ অন্যতম পৱিত্ৰ আৰু পৰম্পৰাগত উৎসৱ তীজ আজি ৰাংছালী সাধুবস্তীত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উলহ-মালহেৰে পালন কৰা হয়। দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত এই তীজ উৎসৱক কেন্দ্ৰ কৰি সমগ্ৰ সাধুবস্তী অঞ্চলত এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। পুৱাৰে পৰা নেপালী জনগোষ্ঠীৰ মহিলাসকল ৰঙা শাৰী আৰু পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি ৰংগমঞ্চত উপস্থিত হয় অনুষ্ঠানৰ নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট শিক্ষয়িত্ৰী যশোদা ছেত্ৰীয়ে তীজ উৎসৱৰ ঐতিহাসিক তাৎপৰ্য আৰু আধ্যাত্মিক মাহাত্ম্যৰ ওপৰত বহলাই আলোকপাত কৰে। তেওঁ কয়, "তীজ কেৱল এটা উৎসৱ নহয়, ই নেপালী নাৰীৰ ত্যাগ, সমৰ্পণ আৰু সংস্কৃতিৰ প্ৰতীক। হৰ-পাৰ্বতীৰ পৱিত্ৰ মিলনৰ স্মৃতিত পালন কৰা এই উৎসৱে স্বামীৰ দীৰ্ঘায়ু আৰু পৰিয়ালৰ মংগল কামনাৰে মহিলাসকলে ব্ৰত ৰাখে। বৰ্তমান সময়ত ইয়াৰ আধুনিক দৃষ্টিভংগীৰ প্ৰয়োজন আছে, যাতে নতুন প্ৰজন্মই ইয়াৰ প্ৰকৃত অৰ্থ বুজি পায়।" অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সমাজকৰ্মী ধনমায়া ৰিমালে তীজৰ বিকৃত ৰূপক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে তীজ নেপালী জনগোষ্ঠীৰ এক পৱিত্ৰ উৎসৱ, কিন্তু আজিকালি বহু স্থানত ইয়াৰ মূল পৰম্পৰাৰ পৰা আঁতৰি আহি কেৱল বাহ্যিক আড়ম্বৰ আৰু বিকৃত ৰূপত পালন কৰা দেখা গৈছে, যিটো দুৰ্ভাগ্যজনক। আমি আমাৰ সংস্কৃতিৰ শুদ্ধ ৰূপটো ধৰি ৰাখিব লাগিব। দিনজোৰা এই অনুষ্ঠানত স্থানীয় মহিলা আৰু যুৱতীসকলে তীজৰ পৰম্পৰাগত তীজ নৃত্য, মনোমোহা মাৰুণী নৃত্য, সংগিনী নৃত্যৰ লগতে আধুনিক নৃত্য পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। গীত-মাত আৰু নৃত্যৰে সমগ্ৰ ৰংগমঞ্চ মুখৰিত হৈ পৰে। শেষত সকলোকে ধন্যবাদ জ্ঞাপন কৰে অনুষ্ঠানটো অতি সুন্দৰ আৰু সুচাৰুৰূপে আঁত ধৰে মিতালী দেৱী আৰু ৰিজু দেৱীয়ে।

গোৱৰ্ধনাত সাহিত্য সভা, আছু, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ; মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ দাবী

৭১ কোটি টকাৰে শিমলাগুৰি-মানাহ পথৰ নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীতি



অসম বাৰ্তা, শালবাৰী, ২৪ ছেপ্টেম্বৰ ঃ বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা মুখ্য পথৰ নিৰ্মাণ কাৰ্যত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন কৰি আজি ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিৰ অন্তৰ্গত গোৱৰ্ধনাত মানাস-গোৱৰ্ধনা সচেতন নাগৰিক মঞ্চৰ উদ্যোগত বিভিন্ন দল-সংগঠন বিষয়ববীয়া আৰু ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিৰ অন্তৰ্গত শিমলাগুৰি-বৰপেটাৰোডৰ পৰা গোৱৰ্ধনা হৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা প্ৰায় ২৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৰুত্বপূৰ্ণ পথটোৰ নিৰ্মাণ কাৰ্যত নিয়োজিত ঠিকাদাৰ, বিভাগীয় কৰ্তৃপক্ষই চৰকাৰী আঁচনিৰ নিয়মাৱলী অনুসৰি কাম নকৰি ব্যাপক অনিয়ম-অনীতিৰে নিৰ্মাণ কাৰ্য চলাই থকা কাৰ্যত ক্ষুব্ধ হৈ আজি গোৱৰ্ধনাত নিৰ্মিয়মান পথৰ ওপৰতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে ৰাজহুৱাভাৱে। উল্লেখ্য যে- মানাস-গোৱৰ্ধনা সচেতন নাগৰিক মঞ্চৰ উদ্যোগত গোৱৰ্ধনা শাখা সাহিত্য সভা, গোৱৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, মানাহ আঞ্চলিক ছাত্ৰ সন্থা, মথনগুৰি আঞ্চলিক ছাত্ৰ সন্থা, গোৱৰ্ধনা আঞ্চলিক গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, অসম সেনাৰ বিষয়ববীয়াকে ধৰি পাঁচ শতাধিক ৰাইজে দিনৰ এঘাৰ বজাৰ পৰা বাৰ বজালৈকে পথ নিৰ্মাণত নিয়োজিত ঠিকাদাৰ, লোক নিৰ্মাণ বিভাগৰ বিষয়ববীয়াৰ বিৰুদ্ধে বিভিন্ন শ্লোগানেৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী দল-সংগঠন আৰু ৰাইজৰ অভিযোগ মতে, পথটোৰ ডব্লিউ এম এম (Wet Mix Macadam) অবিহনে নিৰ্মাণ কাৰ্য চলোৱা তথা আঁচনি অনুসৰি আধাৰ স্তৰ মজবুত কৰিবলৈ আধুনিক শিল-বালিৰ যান্ত্ৰিক মিশ্ৰণ ব্যৱহাৰ কৰাটো বাধ্যতামূলক আছিল যদিও কোনো শিল-বালিৰ যান্ত্ৰিক মিশ্ৰণ নকৰাকৈ কেৱল খন্দা পথৰ মাটি-ধূলিৰ ওপৰতে ৰোলাৰ পিটচিং কৰি অনিয়মৰ আশ্ৰয় লৈছে। তদুপৰি পুৰণি পিটচিঙৰ ওপৰত মিলিং বা স্কাৰিফিকেচন নকৰাকৈ পিটচিং, পুৰণি ব্লেক টপিং থকা অংশ সমূহ মেচিনেৰে নখন্দাকৈ আৰু খহতা নকৰাকৈ তাৰ ওপৰত পোনে পোনে নতুন পিটচিং জাপি দিয়া হৈছে। যাৰ ফলত নতুন ৰাস্তাটো এতিয়াই টৌ খেলি খলা-বমা হৈ পৰিছে। নিৰ্মিয়মান পথটোত মাটিৰে গাঁত পূৰ্ণ কৰি পথটোৰ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতসমূহ জপাবলৈ ক্ৰাছড মেটেল বা নিৰ্ধাৰিত সামগ্ৰী ব্যৱহাৰ নকৰি কেৱল জেচিবিৰে মাটি আৰু আৱৰ্জনাৰে পুতিছে। আনহাতে ছাইদ বাম সুৰক্ষিত কৰিবলৈ বাহিৰৰ পৰা মাটি অনাৰ বিপৰীতে ঠিকাদাৰে বৰ্তমান পথটোৰ একেবাৰে কাষৰ পৰাই জেচিবিৰে মাটি খান্দি ছাইদ বামত জাপি দিছে, যাৰফলত ৰাস্তাৰ কাষৰ প্ৰাকৃতিক ভেটি ধ্বংস হৈ পৰিছে। প্ৰতিবাদী কাৰ্যসূচীত বাক্সা জিলা ছাত্ৰ সন্থাৰ সভাপতি জুবিন দাসে ভাষণ দি কয়- "শিমলাগুৰি-মানাহ পথৰ নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীতিৰে আবণ্টিত ধনৰ লুটপাত চলাবলৈ দিয়া নহ'ব। অসমৰ মুখ্যমন্ত্ৰী, জিলা প্ৰশাসন, স্থানীয় বিধায়কে এই পথ নিৰ্মাণ কাৰ্যৰ দুৰ্নীতিৰ এক উচ্চস্তৰীয় কাৰিকৰী তদন্ত কৰিব লাগে।" জুবিন দাসে তেওঁৰ ভাষণত "এসপ্তাহৰ ভিতৰত শিমলাগুৰি-মানাহ পথৰ নিৰ্মাণ কাৰ্যত চলা দুৰ্নীতিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়াহ'লে পৰৱৰ্তী সময়ত ৰাইজ, দল-সংগঠনে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব" বুলিও ঘোষণা কৰে। প্ৰতিবাদী কাৰ্যসূচীত মানাস-গোৱৰ্ধনা সচেতন নাগৰিক মঞ্চৰ উপ সভাপতি মানসুখ ছানখাৰিকায়ো পথ নিৰ্মাণত দুৰ্নীতিৰ তদন্তৰ দাবীৰে ভাষণ দিয়ে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত হোৱা দণ্ডাধীশৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ পথ নিৰ্মাণত সংঘটিত দুৰ্নীতিৰ তদন্তৰ দাবীৰে এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়।

জুবিন দিৱসত জাতীয় কণ্ঠলৈ সশ্ৰদ্ধ প্ৰণিপাত দৰং গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ

অসম বাৰ্তা, মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ দৰং জিলা সমিতিৰ উদ্যোগত ১৯ ছেপ্টেম্বৰ দিনটো জুবিন দিৱস হিচাপে পালন কৰা হয়। পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ড° চহিৰ ভূঞাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত সঙ্গীত সুধাকৰৰ প্ৰতিচ্ছবিত বন সুৰক্ষা বিষয়া মেহেদ হাচানে মাল্যাৰ্পণ কৰাৰ লগে লগে উপস্থিত শতাধিক বিশিষ্ট লোকে প্ৰাণৰ শিল্পী গৰাকীলৈ পুষ্পাঞ্জলি অৰ্পণ কৰে। গীত-কবিতা-কথাৰে মুখৰ মঙলদৈস্থ ছহিদ মোজাম্মিল ভৱন ক্ষেত্ৰৰ জুবিন গাৰ্গ সঙ্গীত কলা কেন্দ্ৰত শিল্পী প্ৰাঞ্জল শৰ্মা, ধনমণি শইকীয়া, বক্সিং জিয়ান, দীপিকা কাকতি, আব্দুল ৰৌফ, মনোৱাৰ হুছেইন, মৌচম আলম, স্পন্দিতা বৰুৱা, জিণ্টিমণি শইকীয়া, চেলিমা আক্ৰাম, চোহেইল মবিন, আশ্ৰাফুল হক, নাফিছ হাফিজ ভূঞা, চবিনা ইয়াছমিন, জেৰিণা বেগম, চালেহা বেগম, নীলিমা ভূঞা, ৰাণী নাৰ্গিছ ভূঞা, মেক আপ আৰ্টিষ্ট চবিনা ইয়াছমিন, গোলাপ চান বেগম সহ উপস্থিত গুণমুগ্ধই সমস্বৰে গালে হিয়াৰ আমঠুৰ কালজয়ী গীত 'মায়াবিনী' জিলা সভাপতি বাবুল মকছেদ আহমেদ, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক তথা নতুন দ্যৌৰঙ্গ কাকতৰ সম্পাদক শঙ্কৰ কাকতি, দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, শিল্পী প্ৰাঞ্জল শৰ্মা, বিশিষ্ট সমাজসেৱিকা লিপিকা ভট্টাচাৰ্য, বিশিষ্ট ৰক্তদাতা শেখৰ মজুমদাৰ, কবি মলয় বৰুৱা, আলম আৰা বেগম, জ্যেষ্ঠ সাংবাদিক দিগন্ত শৰ্মা, প্ৰাক্তন আছু নেতা খনীন্দ্ৰ ৰাজবংশী, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া হাচিম আলি প্ৰমুখ্যে আমন্ত্ৰিত বিশিষ্ট অতিথিসকলৰ উপৰিও জিলা সমিতিৰ উপ-সভাপতি মইনুল হক শইকীয়া, মিছবাহুল হুদা, প্ৰাক্তন সভাপতি আনোৱাৰ হুছেইন, সমন্বয়কদ্বয় চফিকুল ইছলাম, মহিবুল হক, মঙলদৈ সদৰ সমিতিৰ সভাপতি ফজলুল হক, জিলা মিডিয়া কোষৰ সভাপতি মীৰ চাহিল ইৰফান, সদৰৰ প্ৰাক্তন সভাপতি ফাইজুদ্দিন আহমেদ, জিলাৰ প্ৰতিষ্ঠাপক সহকাৰী সাধাৰণ সম্পাদক বাপুকণ আটাউৰ ৰহমান, উপদেষ্টা নুৰুল ইছলাম, চপাই আঞ্চলিক সমিতিৰ সভাপতি জয়নাল আব্দিন, সম্পাদক ইফটিকাৰ হুছেইন কিব্ৰিয়া, কালিয়াপাৰা আঞ্চলিক সমিতিৰ সম্পাদক মোজাম্মিল হুছেইন, নগৰবাহী আঞ্চলিকৰ সম্পাদক ফাইজুৰ ৰহমান প্ৰমুখ্যে বিষয়ববীয়া সকলে হিয়াৰ আমঠু গৰাকীক অনুভৱৰ জলঙাৰে স্মৰণ কৰে। নিশা দুপৰত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

মনসা মন্দিৰত চুৰিকাণ্ডৰ তিনিঘণ্টাৰ ভিতৰতে চাৰি চোৰক আটক

গোলকগঞ্জত চোৰৰ ঘাটি উৎখাত

অসম বাৰ্তা, গোলকগঞ্জ, ২৪ ছেপ্টেম্বৰ ঃ গোলকগঞ্জৰ বজাৰৰ মাজমজিয়াত থকা ঐতিহাসিক মনসা মন্দিৰত সংঘটিত চুৰিকাণ্ডৰ পিছতে ক্ষিপ্ৰতাৰে অভিযান চলাই চাৰিজন সন্দেহযুক্ত চোৰক আটক কৰিবলৈ সক্ষম হৈছে গোলকগঞ্জ আৰক্ষী। যোৱা নিশা চোৰৰ দলে মন্দিৰৰ মূল তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি মনসা দেৱীৰ বিগ্ৰহত থকা সোণৰ মুকুট, ডিঙিৰ চেইনসহ বিভিন্ন অলংকাৰ লুটি নিয়াৰ লগতে দানপাত্ৰ ভাঙি নগদ ধন লৈ উধাও হয়। আজি পুৱা পূজাৰী মন্দিৰত উপস্থিত হোৱাৰ পিছতে চুৰিকাণ্ডটো পোহৰলৈ আহে। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে গোলকগঞ্জ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। গোলকগঞ্জৰ অতিৰিক্ত আৰক্ষী বিষয়া, চক্ৰ পৰিদৰ্শক আৰু ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলা যৌথ অভিযানত মাত্ৰ তিনিঘণ্টাৰ ভিতৰতে চাৰিজন লোকক আটক কৰে। আটকাধীন লোককেইজন হৈছে— গোবিন্দ চক্ৰৱৰ্তী, জাহাঙ্গীৰ আলি, আব্দুল লতিফ আৰু মালেক উদ্দিন শেখ ওৰফে বাংটা। আৰক্ষীৰ সূত্ৰ মতে আটকাধীন লোককেইজন গোলকগঞ্জ অঞ্চলত সংঘটিত একাধিক চুৰিকাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগ আছে। তেওঁলোকৰ ঘৰৰ পৰা চুৰি সামগ্ৰী উদ্ধাৰ হোৱা বুলিও আৰক্ষীৰ সূত্ৰত প্ৰকাশ। বৰ্তমান আটাইকেইজনকে গোলকগঞ্জ থানাত জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে। জেৰাৰ জৰিয়তে মন্দিৰৰ চুৰিকাণ্ডৰ লগতে অঞ্চলটোত সংঘটিত আন চুৰিৰ ঘটনাৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আছে নেকি, সেই বিষয়ে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। ইফালে, মন্দিৰত চুৰিকাণ্ডৰ মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে আৰক্ষীয়ে চাৰিজনক আটক কৰাক লৈ গোলকগঞ্জত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে।

প্ৰথমবাৰৰ বাবে তিনিখন গাঁৱৰ ৰাইজৰ উদ্যোগত অনুষ্ঠিত হ'ল প্ৰথম বাৰ্ষিক 'কৰম পৰৱ'

নাহৰণি-টেঙাহোলা গাঁৱত কৰম পূজাক লৈ উখল-মাখল পৰিৱেশ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৪ ছেপ্টেম্বৰ ঃ নাহৰণি, টেঙাহোলা আৰু লতাজুৰি গাঁৱৰ ৰাইজৰ উমৈহতীয়া উদ্যোগত প্ৰথমবাৰৰ বাবে ১নং টেঙাহোলা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ল প্ৰথম বাৰ্ষিক 'কৰম পৰৱ'। চাহজনগোষ্ঠীয় লোকসকলৰ অন্যতম পৰম্পৰাগত তথা কৃষিভিত্তিক উৎসৱ কৰম পূজাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত সৃষ্টি হয় এক উখল-মাখল পৰিৱেশ। শুক্লা একাদশী তিথিত তিনিখন গাঁৱৰ ৰাইজে একত্ৰিত হৈ আয়োজন কৰা এই কৰম পূজা চাহ জনগোষ্ঠীয় লোকসকলৰ পৰম্পৰাগত ৰীতি-নীতি আৰু আধ্যাত্মিক বিশ্বাস অনুসৰি সম্পন্ন কৰা হয়। পূজাৰ মূল আকৰ্ষণ হিচাপে কৰম ডাল স্থাপন কৰি পৰম্পৰাগতভাৱে পূজা-অৰ্চনা কৰা হয়। যুৱক-যুৱতীসকলে কৰম ডালৰ চাৰিওফালে আখৰা বন্দনা কৰি কৰম দেৱতা, দেৱ-দেৱী আৰু প্ৰকৃতিক স্মৰণ কৰে। কৰম পূজাৰ সৈতে জড়িত বিভিন্ন পৰম্পৰাগত আচাৰ-অনুষ্ঠানৰ মাজেৰে কৃষিজীৱী সমাজখনৰ সুখ-সমৃদ্ধি, সুস্বাস্থ্য আৰু পথাৰৰ শস্যৰ মংগল কামনা কৰা হয়। বিশেষকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল লোকসকলে আগন্তুক দিনত পথাৰৰ শস্য নদন-বদন হোৱাৰ লগতে পৰিয়াল তথা সমাজলৈ শান্তি-সমৃদ্ধি কঢ়িয়াই অনাৰ বাবে কৰম দেৱতাৰ ওচৰত প্ৰাৰ্থনা জনায়। এই কৰম পৰৱত অগণন লোকৰ সমাগম ঘটে। সন্ধিয়াৰ পৰাই বিদ্যালয়ৰ প্ৰাঙ্গণত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি যুৱক-যুৱতীসকলে ঝুমুৰ গীতৰ তালে তালে নৃত্য প্ৰদৰ্শন কৰাৰ লগতে মাদলৰ মনোমোহা ধ্বনিয়ে সমগ্ৰ পৰিৱেশ মুখৰিত কৰি তোলে। ঝুমুৰ নৃত্য, গীত আৰু মাদলৰ ছন্দত সকলো বয়সৰ লোকেই আনন্দ-উল্লাসত মতলীয়া হৈ পৰে। প্ৰথমবাৰৰ বাবে তিনিখন গাঁৱৰ ৰাইজে মিলি আয়োজন কৰা এই কৰম পূজাক লৈ স্থানীয় ৰাইজৰ মাজত বিশেষ উৎসাহ আৰু আনন্দ পৰিলক্ষিত হয়। কেৱল যুৱক-যুৱতীয়েইনহয়, বৃদ্ধ-বৃদ্ধাৰ পৰা আৰম্ভ কৰি কণ কণ শিশুলৈকে বিভিন্ন বয়সৰ লোকে উৎসৱত অংশগ্ৰহণ কৰি পৰম্পৰাগত কৰম পূজাৰ আনন্দ উপভোগ কৰে। ওৰে নিশা ঝুমুৰ গীত আৰু মাদলৰ তালে তালে নাচি-বাগি ৰাইজে উৎসৱৰ আনন্দত অংশ লয়। উল্লেখযোগ্য যে কৰম পৰৱ কেৱল এটা ধৰ্মীয় বা পৰম্পৰাগত অনুষ্ঠানেই নহয়, ই চাহ জনগোষ্ঠীয় সমাজৰ লোকসংস্কৃতি, ঐতিহ্য আৰু সামাজিক ঐক্যৰ এক শক্তিশালী প্ৰতিফলন। এই উৎসৱৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজত নিজৰ পৰম্পৰা আৰু লোকসংস্কৃতিৰ প্ৰতি আগ্ৰহবৃদ্ধি কৰাৰ লগতে সমাজৰ মাজত ভাতৃত্ববোধ, সম্ভাৱ আৰু সম্প্ৰীতি অধিক সুদৃঢ় হোৱাৰ আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। নাহৰণি, টেঙাহোলা আৰু লতাজুৰি গাঁৱৰ ৰাইজৰ এই উমৈহতীয়া প্ৰচেষ্টাই অঞ্চলটোৰ সামাজিক ঐক্য আৰু সাংস্কৃতিক সম্প্ৰীতিৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। আগন্তুক দিনতো অধিক উলহ-মালহেৰে কৰম পৰৱ উদযাপন কৰি এই চহকী পৰম্পৰাক জীয়াইৰখাৰ সংকল্প ব্যক্ত কৰে আয়োজকসকলে।

মাজুলীৰ বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ থলি কমলাবাৰী সৰ্বজনীন হৰি মন্দিৰৰ ভাদমহীয়া কাৰ্যসূচী আৰু মাহেকজোৰা ঘোষা কীৰ্তনৰ সামৰণি

অসম বাৰ্তা, মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ কমলাবাৰীৰ মাজমজিয়াত পঞ্চাশ দশকতে বহু কেইজন মহীৰুহৰ আত্মত্যাগৰ ফলত প্ৰতিষ্ঠিত কমলাবাৰী সৰ্বজনীন হৰিমন্দিৰৰ ভাদমহীয়া বিভিন্ন কাৰ্যসূচীৰ উপৰিও প্ৰতিষ্ঠা কালৰে পৰা পৰম্পৰাগত ভাৱে পবিত্ৰ ভাদ মাহৰ আৰম্ভণিৰ পৰা শেষলৈকে মহাপুৰুষ মাধৱদেৱ বিৰচিত নামঘোষা কীৰ্তন কৰা হয়। তদুপৰি মহাপুৰুষ শংকৰদেৱৰ মৃত্যুতিথি আৰু জন্মোৎসৱ যথা নিয়মেৰে পালন কৰা হয়। তদুপৰি প্ৰতি বৃহস্পতিবাৰে ভাগৱত পাঠ অনুষ্ঠান ৰূপায়িত কৰা হয়। ইয়াৰ লগতে বাৎসৰিক অনুষ্ঠানত বাৰ্ষিক ভাওনা -ৰ সবাহ, অসমীয়াৰ হিয়াৰ আমঠু তিনিটা বিহু যথা নিয়মেৰে পালন কৰি আহিছে। ইয়াৰ লগতে ফল্গুৎসৱ, অবিৰত ভাগৱত পাঠ, ৰাসলীলাৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কন কন শিশু সকলৰ প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন বিষয়ৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। এই বছৰ সংগীত নাটক একাডেমী বঁটা প্ৰাপক সত্ৰীয়া সংস্কৃতিৰ সাধক যোগেন দত্ত বৰবায়ন আৰু জনাৰ্দন বৰবায়নৰ তত্বাৱধানত সত্ৰীয়া নৃত্যৰ এক কৰ্মশালা অনুষ্ঠিত কৰা উপৰিও শিশু সকলৰ দ্বাৰা সীতাহৰণ বালী বধ ভাওনা অনুষ্ঠিত কৰা হৈছিল। সমগ্ৰ ভাদ মাহটোত দিনৰ ভাগত আই সকলৰ নাম আৰু ৰাতিৰ ভাগত ঘোষা পাঠ অনুষ্ঠান ৰূপায়িত হয়। মাহেক জোৰা কাৰ্যসূচীৰ অন্তত কালি নিশা কাৰ্যসূচী সামৰণি অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানত সমীপৱৰ্তী গাঁৱৰ ৰাইজ, বেলেসিদ্ধিয়া, আধাৰসত্ৰৰ প্ৰতিনিধি আৰু বিভিন্ন ধৰ্মাৱলম্বী লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানটো পৰিচালনা কৰে মন্দিৰৰ মুখ্য নামঘৰীয়া ৰুবুল শৰ্মা, ভূপেন বৰা, প্ৰভাত ভূঞা, শিৱ শৰ্মা, সৰ্বেশ্বৰ বৰাই। অনুষ্ঠানটোত উপস্থিত থাকি দিহা পৰামৰ্শ আগবঢ়াই মন্দিৰ প্ৰতিষ্ঠা কালৰ ধৰ্মপৰায়ণ ব্যক্তি বুপ শইকীয়া, মহেন্দ্ৰ নাথ শৰ্মা আদিৰ লগতে সমীপৱৰ্তী গাঁৱৰ নামলগোৱা, নামঘৰীয়া তথা বহুকেইজন গুণী জ্ঞানী লোকে অংশগ্ৰহণ কৰে। তদুপৰি বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন ঠাকুৰীয়া, সংগীত নাটক একাডেমী বঁটা প্ৰাপক ড কৰুণা বৰা, অৱসৰপ্ৰাপ্ত কৃষি বিষয়া অৰুণ পাঠক, বিশিষ্ট ব্যৱসায়ী তথা সাংস্কৃতিক কৰ্মী মনিমাধৱ দত্ত, সাংস্কৃতিক বিপ্লৱ গগৈ আদি বহুতো বিশিষ্ট লোকে অংশগ্ৰহণ কৰাৰ উপৰিও শৰাই আৰু বৰঙনি আগবঢ়ায়। অনুষ্ঠানটোত উপস্থিত ভকত বৈষ্ণৱৰ চৰণত সেৱা ধৰি হৰিমন্দিৰ পৰিচালনা সমিতিৰ হৈ সভাপতি সম্পাদক ক্ৰমে ভৰত শইকীয়া আৰু বসন্ত শইকীয়াই কৃতজ্ঞতা জ্ঞাপন কৰে।

'সেৱা সংকল্প অভিযান'ৰ অধীনত মঙলদৈত কুইজ প্ৰতিযোগিতা

জ্ঞানৰ প্ৰতিযোগিতাৰে মুখৰিত মঙলদৈ

অসম বাৰ্তা, মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ জ্ঞানৰ পৰীক্ষা, প্ৰতিভাৰ প্ৰদৰ্শন আৰু সুস্থ প্ৰতিযোগিতাৰ এক মনোমোহা পৰিৱেশ। মঙলদৈত অনুষ্ঠিত হ'ল 'সেৱা সংকল্প অভিযান'ৰ অধীনত ৫০নং মঙলদৈ বিধানসভা সমষ্টি পৰ্যায়ৰ কুইজ প্ৰতিযোগিতা। মঙলদৈ বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত উৎসাহেৰে অংশগ্ৰহণ কৰে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে, অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে মন্ত্ৰী নীলিমা দেৱীয়ে। কেৱল প্ৰতিযোগিতাতে সীমাবদ্ধ নাথাকি শিক্ষাৰ্থীসকলৰ জ্ঞান, সৃজনশীলতা, প্ৰতিভা আৰু আত্মবিশ্বাস বৃদ্ধিৰ লক্ষ্যৰেই আয়োজন কৰা হয় এই কুইজ প্ৰতিযোগিতা। কলাইগাঁও শিক্ষা খণ্ডৰ গাণনিক চাহাবুদ্দিন আহমেদে আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থাকে কলাইগাঁও খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেৱানন বড়ো, মঙলদৈ ৰাজহ চক্ৰ বিষয়া তন্ময় বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। প্ৰশ্নৰ উত্তৰ দিয়াৰ সমান্তৰালভাৱে শিক্ষাৰ্থীসকলৰ মাজত দেখা যায় ব্যাপক উৎসাহ-উদ্দীপনা। প্ৰতিযোগিতাখন পৰিচালনা কৰে ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক শশাংক হাজৰিকা, অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মৃণ্ময় কুমাৰ নাথ আৰু ভেবাৰঘাট মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ডলী দাসে উল্লেখ্য যে, 'সেৱা সংকল্প অভিযান'ৰ কাৰ্যসূচী ইয়াতেই শেষ নহয়। আগন্তুক দিনত শিক্ষাৰ্থীসকলৰ প্ৰতিভা প্ৰকাশৰ সুযোগ দি আয়োজন কৰা হ'ব চিত্ৰাংকন আৰু বক্তৃতা প্ৰতিযোগিতাও। শিক্ষাৰ্থীৰ মেধা আৰু সৃষ্টিশীলতাক আগুৱাই নিয়াৰ এনে প্ৰচেষ্টাই ভৱিষ্যৎ প্ৰজন্মক অধিক আত্মবিশ্বাসী, জ্ঞানসমৃদ্ধ আৰু আত্মনিৰ্ভৰশীল নাগৰিক হিচাপে গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন